Content includes AI-generated material

www.newsnextone.com
# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

**ৰোহিত, বিৰাটক দিলে বিশেষ নিৰ্দেশ**



বিতং বাতৰি শেষ পৃষ্ঠাত

MONDAY, MARCH 03, 2025 ■ সোমবাৰ, ১৮ ফাগুন, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ৬৬ Guwahati, Assam ।। মূল্যঃ এটকা

অৱসৰৰ পিছতো মাধৱীয়ে বব লাগিব দায়িত্বকালত সংঘটিত কৰা অনিয়মৰ ভাৰ

# শ্বেয়াৰ বজাৰত ভ্ৰষ্টাচাৰ, ছেবি চীফৰ বিৰুদ্ধে এফআইআৰ!

## লাহে লাহে পোহৰলৈ আহিছে 'ছেবি'ৰ অনিয়মৰ কথা



■ ৩০ দিনৰ ভিতৰত মাধৱী বুচৰ তদন্তৰ ষ্টেটাছ ৰিপ'ৰ্ট দুৰ্নীতি নিবাৰক শাখাক দাখিল কৰাৰ নিৰ্দেশ ক'ৰ্টৰ

**মুম্বাই, ২ মাৰ্চঃ** মুম্বাইৰ এখন বিশেষ আদালতে ছেবিৰ প্ৰাক্তন অধ্যক্ষা মাধৱী পুৰি বুচৰ বিৰুদ্ধে গোচৰ ৰুজু কৰাৰ নিৰ্দেশ প্ৰদান কৰে। মাধৱী বুচৰ উপৰিও বম্বে ষ্টক এক্সচেঞ্জ আৰু ছিকিউৰিটিজ দ্বিতীয় পৃষ্ঠাত

## এডিআৰইৰ ফলাফলৰ দিন ক'লে চিএমে

**ই-সংবাদ, ২ মাৰ্চঃ** আজি নিশা ফেচবুক লাইভত আহি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ইতিপূৰ্বে ৩ পৃষ্ঠাত চাওক



## মিত্ৰতালৈ সমৰ্থন আপৰ!

**ই-সংবাদ, ২ মাৰ্চঃ** ৰাজ্যিক ভাৰপ্ৰাপ্ত সভাপতিৰ দায়িত্ব লৈ ডাঃ ভবেন ৬ পৃষ্ঠাত

## অখিললৈ ৰীতা চৌধুৰীয়ে লিখিলে চিঠি

**ই-সংবাদ, ২মাৰ্চঃ** ৰাজ্যৰ বিশিষ্ট লেখিকা তথা অধ্যাপিকা ৰীতা চৌধুৰীৰ এটা শেষাংশ ৭ পৃষ্ঠাত

৬০ শতাংশ কাম হোৱা বুলি দাবী

## গগৈৰ আধাৰশিলাক সোণোৱালৰ টুইন টাৱাৰ সজালে হিমন্ত বিশ্বই

**ই-সংবাদ, ২ মাৰ্চঃ** টুইন টাৱাৰ নিৰ্মাণ কৰাত বিফল হোৱা বিজেপিৰ চৰকাৰে টুইন টাৱাৰক লৈ নতুন নতুন কাহিনী সৃষ্টি কৰি গৈছে। শেষাংশ ৩ পৃষ্ঠাত



ফেচবুক ফেচবুক খেলাত ব্যস্ত অখিল-ভূপেন

## একলা চলো ৰে...! ভূপেন বৰাৰ নতুন ইংগিত

**ই-সংবাদ, ২ মাৰ্চঃ** অসমৰ বিৰোধী দলসমূহ পুনৰ একত্ৰিত হ'বৰ বাবে সোণাপুৰৰ আতিথ্য ৰিজৰ্টত অনুষ্ঠিত প্ৰথমখন বৈঠকত উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হোৱাত ৪ পৃষ্ঠাত চাওক

ছ'চিয়েল মিডিয়াতে যুঁজবাগৰ বিৰোধী ঐক্যমঞ্চৰ! এক কৰাৰ চেষ্টা ড০ গোহাঁইৰ

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK,
COLOR PAVER BLOCK,
CEMENT TILES

হিন্দুত্বৰ বাহক হৈ পশ্চিমবংগত হিমন্ত বিশ্ব

## উদাৰবাদী হিন্দুসকল হিন্দুৰ বাবে ডাঙৰ বিপদ!

**ই-সংবাদ, ২ মাৰ্চঃ** মুখত আকৌ বিতৰ্কিত মন্তব্য অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ। হিন্দুত্বৰ বাহক যেন হৈ এইবাৰ পশ্চিমবংগত ২ পৃষ্ঠাত চাওক




## 'ৰ'দঘাই'ৰ নাট মহোৎসৱৰ সামৰণি



**ই-সংবাদ, বেবেজীয়া ২ মাৰ্চঃ** আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন নাট্যসম্ৰাট পদ্মশ্ৰী এইচ কানহাইলালৰ প্ৰকল্প নেচাৰ লাভ'ৰ আৰ্হিত অসমত বাদুংদ্যুপ্পাৰ জৰিয়তে বিশিষ্ট নাট্যশিল্পী, অভিনেতা ৭ পৃষ্ঠাত চাওক

ছুটকেছত উদ্ধাৰ ক্ষত-বিক্ষত মৃতদেহ

## ৰাহুল গান্ধীৰ 'ভাৰত জোড়ো' যাত্ৰাৰ সংগী হিমানী নৰৱালক নৃশংস হত্যা



**ৰোহটক, ২ মাৰ্চঃ** হাৰিয়ানাৰ ৰোহটকৰ সাম্পলা বাছ ষ্টেণ্ডৰ সমীপত ছুটকেছৰ ভিতৰত এগৰাকী ৫ পৃষ্ঠাত চাওক

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# শ্বেয়াৰ বজাৰত ভ্ৰষ্টাচাৰ, ছেবি চীফৰ

এওঁ এক্সচেঞ্জ ব'ৰ্ড অৱ ইণ্ডিয়া চমুকৈ ছেবিৰ কেইবাগৰাকীও শীৰ্ষ বিষয়াৰ বিৰুদ্ধে শ্বেয়াৰ মাৰ্কেট জালিয়াতি আৰু নিয়ম উলংঘাৰ অভিযোগত গোচৰ পঞ্জীয়ন কৰাৰ নিৰ্দেশ দিয়ে আদালতে। থানেৰ এগৰাকী সাংবাদিক স্বপন শ্ৰীবাস্তৱে দাখিল কৰা আবেদনৰ ভিত্তিত বিশেষ ন্যায়াধীশ এছ ই বাংগাৰে প্ৰদান কৰিছে এই নিৰ্দেশনা। ষ্টক এক্সচেঞ্জত কোনো কোম্পানী তালিকাভুক্ত কৰাৰ নামত বৃহৎ বিত্তীয় জালিয়াতি আৰু দুৰ্নীতি সংঘটিত কৰাৰ অভিযোগ উত্থাপন কৰি আদালতৰ দ্বাৰস্থ হৈছিল সাংবাদিকগৰাকী। তেওঁৰ গোচৰৰ ভিত্তিতেই আদালতে ভাৰতীয় দণ্ডবিধি, দুৰ্নীতি প্ৰতিৰোধ আইন আৰু ছেবি আইনৰ অধীনত মুম্বাইৰ দুৰ্নীতি নিবাৰক ব্যুৰোৰ গোচৰ পঞ্জীয়ন কৰিবলৈ নিৰ্দেশ দিয়ে। তদুপৰি আদালতে দুৰ্নীতি নিবাৰক শাখাক ৩০ দিনৰ ভিতৰত ষ্টেটাছ ৰিপৰ্ট দাখিল কৰিবলৈও নিৰ্দেশনা প্ৰদান কৰে। অভিযোগকাৰীয়ে মাধৱী পুৰী বুচৰ সন্দৰ্ভত ডাঙি ধৰিছে তিনিটা ডাঙৰ অভিযোগ। প্ৰথম অভিযোগ, আইন উলংঘা কৰিছিল ছেবিৰ প্ৰাক্তন অধ্যক্ষা আৰু একাংশ বিষয়াই। বিধিগত কৰ্তব্য পালনত ব্যৰ্থ হৈছিল ছেবিৰ বিষয়াসকল। দ্বিতীয়তে, শ্বেয়াৰ মাৰ্কেটত জালিয়াতি সংঘটিত কৰিছিল মাধৱী পুৰী বুচ আৰু তেওঁৰ সহযোগীয়ে। যাৰ ফলত কোটি কোটি টকাৰ লোকচান হৈছিল বিনিয়োগকাৰীৰ। তৃতীয়তে, নিয়ম পূৰণ নকৰা কোম্পানী তালিকাভুক্ত কৰাৰ বাবে অনুমতি প্ৰদান কৰিছিল অভিযুক্তই। উল্লেখ্য যে, হিণ্ডেনবাৰ্গ ৰিচাৰ্ছে বিগত ১৯ আগষ্টত এক প্ৰতিবেদন প্ৰকাশ কৰি দাবী কৰিছিল যে আদানি গ্ৰুপৰ সৈতে জড়িত অফশ্ব'ৰ কোম্পানী এটাত ছেবিৰ অধ্যক্ষা মাধৱী পুৰি বুচ আৰু তেওঁৰ স্বামী ধৱল বুচৰ অংশীদাৰিত্ব আছে। বুচে ২০২২ চনৰ ১৬ মাৰ্চলৈকে আগোৰা পাৰ্টনাৰ্ছ ছিংগাপুৰৰ ১০০% শ্বেয়াৰহোল্ডাৰ হৈ আছে আৰু ছেবিত কাৰ্যনিৰ্বাহ কৰি থকাৰ সময়ছোৱাতো ইয়াৰ মালিক হৈয়েই আছিল। ছেবিৰ অধ্যক্ষা হিচাপে নিযুক্তি পোৱাৰ ২ সপ্তাহৰ পিছত তেওঁৰ শ্বেয়াৰ স্বামীৰ নামলৈ হস্তান্তৰ কৰে। তদুপৰি ছেবি মুৰব্বী হৈ থকাৰ সময়তো মাধৱী পুৰী বুচে ৩ টা প্ৰতিষ্ঠানৰ সৈতে জড়িত হৈ তাৰ পৰা দৰমহা লৈ আছিল বুলি অভিযোগ উত্থাপন হৈছিল। প্ৰণিধানযোগ্য যে, ২০২২ চনৰ ২ মাৰ্চত ছেবিৰ অধ্যক্ষাৰূপে দায়িত্ব গ্ৰহণ কৰিছিল মাধৱী বুচে। ছেবিৰ অধ্যক্ষ পদত অধিষ্ঠিত হোৱা প্ৰথমগৰাকী মহিলাও আছিল মাধৱী বুচ। হিণ্ডেনবাৰ্গৰ প্ৰতিবেদনে বিতৰ্কৰ মাজলৈ টানি অনা মাধৱী বুচৰ কাৰ্যকাল ২০২৫ৰ ২৮ ফেব্ৰুৱাৰীত অন্ত পৰাৰ পিছতে তেওঁৰ স্থলাভিষিক্ত হয় তুহিন পাণ্ডে। লক্ষ্যণীয়ভাৱে মাধৱী পুৰী বুচৰ নেতৃত্বত ছেবিত কাম কৰাৰ সময়ছোৱাত কৰ্মসংস্কৃতি বিষাক্ত হৈ পৰাৰ অভিযোগো উঠিছিল। ছেবিৰ প্ৰায় ৫০০ কৰ্মচাৰীয়ে অভিযোগ কৰিছিল যে মাধৱী বুচে কৰ্মস্থলীত অপমানজনক পৰিৱেশ সৃষ্টি কৰিছিল আৰু তেওঁৰ কাৰ্যকালত বৈঠকসমূহত চিঞৰ-বাখৰ আৰু কৰ্মচাৰীক প্ৰকাশ্যে অপমান কৰাটো সাধাৰণ ঘটনা হৈ পৰিছিল। আদানি গ্ৰুপৰ সৈতে মাধৱী বুচৰ সম্পৰ্কৰ দাবীৰে হিণ্ডেনবাৰ্গ ৰিচাৰ্ছে প্ৰকাশ কৰা প্ৰতিবেদনৰ পিছতে দেশজুৰি প্ৰতিবাদৰ জোৱাৰ তোলে বিৰোধীয়ে। লোকসভাৰ বিৰোধী দলপতি ৰাহুল গান্ধীয়েও মাধৱী বুচৰ অপসাৰণৰ দাবী জনায়। ইফালে এই বিতৰ্কৰ পিছতে পাব্লিক একাউণ্টছ কমিটীয়েও মাধৱীক চমন জাৰি কৰে। অৱশ্যে পাব্লিক একাউণ্ট কমিটীৰ সন্মুখত হাজিৰ পৰা আঁতৰি ফুৰে ছেবিৰ মুৰব্বীগৰাকীয়ে। সেই ঘটনাৰ পিছত বিগত কেইমাহমান বিষয়টো শাম কাটিছিল যদিও এইবাৰ আদালতৰ নিৰ্দেশে পুনৰবাৰ বিপদ বৃদ্ধি কৰিছে মাধৱী বুচৰ। অন্যহাতে, ছেবিৰ সদ্যপ্ৰাক্তন অধ্যক্ষা মাধৱী বুচৰ বিৰুদ্ধে উত্থাপন হোৱা ইটোৰ পিছত সিটো বিতৰ্কই ভাৰতীয় শ্বেয়াৰ বজাৰতো জোকাৰণি তুলিছে। বিশেষকৈ আদানি গ্ৰুপৰ সৈতে জড়িত হিণ্ডেনবাৰ্গ ৰিচাৰ্ছৰ প্ৰতিবেদনৰ পিছত ছেবিৰ ভূমিকা আৰু নিয়ন্ত্ৰণক লৈ প্ৰশ্ন উঠিছে। অভিযোগকাৰীৰ মতে, ছেবিৰ বিষয়াসকলে শ্বেয়াৰ বজাৰত জালিয়াতি আৰু দুৰ্নীতি প্ৰতিৰোধ কৰাত যথেষ্ট ব্যৰ্থ হৈছে। এই অভিযোগসমূহৰ প্ৰতি আদালতৰ কঠোৰ প্ৰতিক্ৰিয়াই ভাৰতীয় বিত্তীয় ব্যৱস্থাত এক নতুন পৰ্যায়ৰ তদন্ত আৰু জৰুৰী কাৰ্য্যৰ সূচনা কৰিব পাৰে। এইগৰাকী সদ্যপ্ৰাক্তন অধ্যক্ষাৰ বিৰুদ্ধে দুৰ্নীতি বিৰোধী শাখাই কেনেদৰে গোচৰটো আগবঢ়াই নিয়ে, সেয়া হ'ব লক্ষণীয়।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# উদাৰবাদী হিন্দুসকল হিন্দুৰ বাবে ডাঙৰ

উপস্থিত হ'ল অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা। চুবুৰীয়া ৰাজ্যখনত মুখ্যমন্ত্ৰীগৰাকীয়ে বাঁওপন্থী আৰু উদাৰবাদীসকলক দোষাৰোপ কৰি হিন্দুক ধ্বংস কৰাৰ চেষ্টাত লাগি থকা বুলি অভিযোগ উত্থাপন কৰে। কেৱল এয়াই নহয়, মুখ্যমন্ত্ৰীয়ে লগতে ৱাকফ আইনকো শেষ কৰাৰ আহ্বান জনায়। দেওবাৰে অসমৰ মুখ্যমন্ত্ৰীগৰাকী উপস্থিত আছিল পশ্চিমবংগৰ কলকাতাত। এটা ব্যক্তিগত প্ৰতিষ্ঠানৰ বঁটা প্ৰদান অনুষ্ঠানত উপস্থিত থাকি নিজৰ ভাষণৰ সময়ত মুখ্যমন্ত্ৰীগৰাকীৰ মন্তব্য, বাঁওপন্থী আৰু উদাৰবাদীসকল হিন্দুসকলৰ বাবে আটাইতকৈ ডাঙৰ বিপদ। তেওঁ লগতে কয় যে মুছলমান বা খ্ৰীষ্টান কেতিয়াও হিন্দুৰ বাবে ভাবুকি নহয়। হিন্দুক দুৰ্বল কৰাসকল নিজৰ মাজতে আছে। বাঁওপন্থী আৰু উদাৰবাদীসকল হিন্দুসকলৰ বাবে আটাইতকৈ ডাঙৰ বিপদ বুলি মই বিশ্বাস কৰোঁ। ভাষণত তেওঁ পশ্চিমবংগৰ মুখ্যমন্ত্ৰী তথা তৃণমূল কংগ্ৰেছৰ নেত্ৰী মমতা বেনাৰ্জীকো টানি আনিবলৈ নেৰিলে। তেওঁ কয়, পশ্চিমবংগত হিন্দুসকলক দুৰ্বল কৰাৰ কামটো বাঁওপন্থী আৰু উদাৰবাদীসকলৰ পৰা মমতা বেনাৰ্জীয়ে উত্তৰাধিকাৰী সূত্ৰে লাভ কৰিছিল। হিমন্ত বিশ্ব শৰ্মাৰ লগতে মন্তব্য, আমি মনত ৰাখিব লাগিব যে ভাৰতৰ সভ্যতা ৫০০০ বছৰৰো অধিক পুৰণি। ইয়াৰ আৰম্ভণি ১৯৪৭ চনত দেশৰ স্বাধীনতাৰ পৰা হোৱা নাছিল। ভাৰত "প্ৰাকৃতিকভাৱে ধৰ্মনিৰপেক্ষ" আৰু আমাক উপস্থিত থাকি নিজৰ ভাষণৰ সময়ত মুখ্যমন্ত্ৰীগৰাকীৰ মন্তব্য, বাঁওপন্থী আৰু উদাৰবাদীসকল হিন্দুসকলৰ বাবে আটাইতকৈ ডাঙৰ বিপদ। তেওঁ লগতে কয় যে মুছলমান বা খ্ৰীষ্টান কেতিয়াও হিন্দুৰ বাবে ভাবুকি নহয়। হিন্দুক দুৰ্বল কৰাসকল নিজৰ মাজতে আছে। বাঁওপন্থী আৰু উদাৰবাদীসকল হিন্দুসকলৰ বাবে আটাইতকৈ ডাঙৰ বিপদ বুলি মই বিশ্বাস কৰোঁ। ভাষণত তেওঁ পশ্চিমবংগৰ মুখ্যমন্ত্ৰী তথা তৃণমূল কংগ্ৰেছৰ নেত্ৰী মমতা বেনাৰ্জীকো টানি আনিবলৈ নেৰিলে। তেওঁ কয়, পশ্চিমবংগত হিন্দুসকলক দুৰ্বল কৰাৰ কামটো বাঁওপন্থী আৰু উদাৰবাদীসকলৰ পৰা মমতা বেনাৰ্জীয়ে উত্তৰাধিকাৰী সূত্ৰে লাভ কৰিছিল। হিমন্ত বিশ্ব শৰ্মাৰ লগতে মন্তব্য, আমি মনত ৰাখিব লাগিব যে ভাৰতৰ সভ্যতা ৫০০০ বছৰৰো অধিক পুৰণি। ইয়াৰ আৰম্ভণি ১৯৪৭ চনত দেশৰ স্বাধীনতাৰ পৰা হোৱা নাছিল। ভাৰত প্ৰাকৃতিকভাৱে ধৰ্মনিৰপেক্ষ" আৰু আমাক কোনেও সহনশীলতা আৰু ভাতৃত্ববোধৰ গুণ শিকোৱাৰ প্ৰয়োজন নাই। ৰাহুল গান্ধী বা মমতা বেনাৰ্জীয়ে যদি হিন্দুৰ অস্তিত্ব নাইকিয়া হৈ যাব বুলি ভাবে, তেন্তে তেওঁলোকে জনা উচিত যে হিন্দু সদায় থাকিব। অসমৰ পৰিসংখ্যা দাঙি ধৰি হিমন্ত বিশ্ব শৰ্মাৰ দাবী, অসমত হিন্দুৰ শতকৰা হাৰ ৫৮ শতাংশলৈ নামিছে। আনহাতে পশ্চিমবংগতো হিন্দুৰ শতকৰা হাৰ প্ৰায় ৬৫ শতাংশহে হ'ব পাৰে। ভাষণত নৰেন্দ্ৰ মোদীৰ গুণগান কৰি হিমন্ত বিশ্ব শৰ্মাই কয় যে হিন্দু সভ্যতা অব্যাহত থাকিব আৰু বিকশিত হ'ব। নৰেন্দ্ৰ মোডীৰ প্ৰধানমন্ত্ৰিত্বত ভাৰত সকলো ক্ষেত্ৰতে বিকশিত উঠিছে। নৰেন্দ্ৰ মোদীৰ নেতৃত্বত ৫০০ বছৰৰ পিছত ৰাম মন্দিৰ নিৰ্মাণ কৰা হৈছে। এতিয়া ৱাকফ আইনখনো শেষ কৰাৰ সময় আহি পৰিছে। মুখ্যমন্ত্ৰীৰ দাবী, নৰেন্দ্ৰ মোদী ক্ষমতালৈ অহাৰ পিছত ভাৰতৰ পুনৰুত্থান আৰম্ভ হৈছিল। দেশখন অৰ্থনীতি, বিত্তৰ পৰা আৰম্ভ কৰি বিজ্ঞানলৈকে সকলো ক্ষেত্ৰতে ভাৰত আগবাঢ়ি গৈছে। উল্লেখ্য বিষয়টো বিধানসভাতো উত্থাপন হৈছিল আৰু প্ৰশাসনে এই উচ্ছেদ অভিযান চলায়।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

প্ৰথম পৃষ্ঠাৰ পৰা...

# গগৈৰ আধাৰশিলাক সোণোৱালৰ টুইন

বিশেষকৈ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই গুৱাহাটীৰ বেতকুছিত নিৰ্মাণ হৈ থকা সংহত সঞ্চালকালয়কে টুইন টাৱাৰ বুলি অসমবাসীক আশ্বস্ত কৰিব খুজি ফটো শ্বেয়াৰ কৰি অসমবাসীক বিভ্ৰান্ত কৰিছে। কালি মুখ্যমন্ত্ৰীয়ে ফটো শ্বেয়াৰ কৰি টুইন টাৱাৰৰ বিষয়ে সুধি থকাসকলক উত্তৰ দিয় কয় যে টুইন টাৱাৰৰ বিষয়ে সুধি থকাসকলক ক'ব বিচাৰো যে এয়া গুৱাহাটীৰ বেতকুছিত আমি নিৰ্মাণ কৰি থকা সংহত সঞ্চালকালয় পৰিসৰৰ ৰূপ। ৮ বছৰৰ মূৰকত পুনৰ কিয় আৰম্ভ হ'ল টুইন টাৱাৰক লৈ শাসক-বিৰোধীৰ ৰাজনৈতিক আক্ৰমণ-প্ৰত্যাক্ৰমণ? এডাভান্টেজ আছাম ২.০ ত সাংবাদিকে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাক টুইন টাৱাৰ কেতিয়া নিৰ্মাণ হ'ব তাকে লৈ প্ৰশ্ন কৰাৰ পিছৰে পৰা মুখ্যমন্ত্ৰীয়ে ইটোৰ পিছতে সিটো কথাকৈ পাকেপ্ৰকাৰে টুইন টাৱাৰ নিৰ্মাণ হৈ থকা বুলি অসমবাসীক আশ্বস্ত কৰি পূৰ্বৰ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ দিনৰ বিষয় এটাক মুখ্যমন্ত্ৰীয়ে বাৰে বাৰে চৰ্চাত ৰাখিব খুজিছে। টুইন টাৱাৰৰ কথা মুখ্যমন্ত্ৰীয়ে যিমানে চৰ্চা কৰিছে সিমানে সৰ্বানন্দ সোণোৱালৰ প্ৰসংগ চৰ্চালৈ আহি আছে। অসম বিজেপিত সৰ্বানন্দ সোণোৱাল আৰু হিমন্ত বিশ্ব শৰ্মাক দলীয় প্ৰতিদ্বন্দ্বী বুলি সময়ে সময়ে চৰ্চা চলি আহিছে যদিও ২০২১ চনৰ বিধানসভা নিৰ্বাচনত সৰ্বানন্দ সোণোৱালৰ নেতৃত্বত নিৰ্বাচন খেলি শেষত সংখ্যাগৰিষ্ঠতা লাভ কৰাত হিমন্ত বিশ্ব শৰ্মাক মুখ্যমন্ত্ৰী কৰা হৈছিল। তাৰ পিছৰে পৰা দুয়ো নেতাৰ মাজত শীতল যুঁজ চলি থকা বুলি বু বু বা বা ওলায় যদিও এইবাৰ টুইন টাৱাৰ বিষয়টোক চৰ্চাত ৰাখি হিমন্ত বিশ্ব শৰ্মাই সৰ্বানন্দ সোণোৱালক হেয় প্ৰতিপন্ন কৰিব খুজিছে নেকি প্ৰশ্ন উত্থাপন হৈছে। সোণোৱালে ঘোষণা কৰা টুইন টাৱাৰ নিৰ্মাণ কৰাত বিফল হোৱা সৰ্বানন্দ সোণোৱালে ২০১৮ চনত ২৮ জানুৱাৰীত অসমত টুইন টাৱাৰ সদৃশ্য বৃহৎ বাণিজ্য কেন্দ্ৰ নিৰ্মাণৰ কথা ঘোষণা কৰিছিল। কিন্তু সৰ্বানন্দ সোণোৱালে ২০১৮ চনৰ পৰা ২০২১ চনলৈ মুখ্যমন্ত্ৰী পদত অধিষ্ঠিত হৈ থাকিও টুইন টাৱাৰ নিৰ্মাণ কৰিব নোৱাৰিলে। টুইন টাৱাৰ নিৰ্মাণ কৰিবলগীয়া ভূমি অন্য কামত ব্যৱহাৰ কৰিবলৈ আগবাঢ়িছে এতিয়াৰ চৰকাৰে। যি ঠাইত টুইন টাৱাৰ নিৰ্মাণ কৰিবলৈ বেনাৰ আঁৰি দিয়া হৈছিল সেই ঠাই এতিয়া হাবি-জংঘলে আৱৰি ধৰিছে। প্ৰথমবাৰ এডভান্টেজ আছামত কেবাগৰাকী উদ্যোগপতিৰ সন্মুখত সোণোৱাল চৰকাৰে গুৱাহাটীত ৬৫ মহলীয়া টুইন টাৱাৰ নিৰ্মাণৰ কথা ঘোষণা কৰিছিল। সেই বছৰৰ ২ ফেব্ৰুৱাৰীত ৰাজ্য চৰকাৰৰ বাণিজ্য বিভাগ আৰু ৰাষ্ট্ৰীয় ভৱন নিৰ্মাণ নিগমৰ মাজত বুজাবুজিৰ চুক্তি স্বাক্ষৰ হৈছিল। সোণোৱাল চৰকাৰে পাঁচ বছৰৰ ভিতৰত নিৰ্মাণ শেষ কৰাৰ কথা কৈছিল যদিও টুইন টাৱাৰ নিৰ্মাণস্থলীত এচপৰা মাটি, শিল এটা নপৰাত বাৰে বাৰে বিজেপি দল আৰু সোণোৱালৰ চৰকাৰৰ দিনতে টুইন টাৱাৰ নিৰ্মাণৰ কথা আছিল। কিন্তু বৰ্তমানলৈ নিৰ্মাণ নহ'ল টুইন টাৱাৰ। ইয়াকে লৈ ৰাইজে কৰিছে সমালোচনা। ইয়াৰ পাছতে প্ৰয়াত মুখ্যমন্ত্ৰী তৰুণ গগৈয়ে আধাৰশিলা স্থাপন কৰা সংহত সঞ্চালকালয়ৰ অট্টালিকাকেই টুইন টাৱাৰ বুলি প্ৰকাশ কৰিলে ড০ হিমন্ত বিশ্ব শৰ্মাই। কিন্তু সেই সময়ত প্ৰকাশ কৰা টুইন টাৱাৰৰ আৰ্হি আৰু বৰ্তমান ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰা টুইন টাৱাৰৰ আৰ্হিৰ মাজত আছে আকাশ-পাতাল পাৰ্থক্য। ইয়াকে লৈ মুখ্যমন্ত্ৰীক মিছলীয়া আখ্যাৰে সমালোচনা বিৰোধীৰ।

এইবাৰ টুইন টাৱাৰক লৈ অখিল গগৈয়ে হিমন্ত বিশ্ব শৰ্মাক উভতি ধৰিছে। টুইন টাৱাৰৰ প্ৰসংগক লৈ অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক মিছলীয়া আখ্যা দিছে। অখিল গগৈয়ে কয় যে আমাৰ মুখ্যমন্ত্ৰীজন এনে এজন মানুহ হাতীক ঘোঁৰা বুলি ক'লেও বহুতে হাতীকে ঘোঁৰা বুলি চিঞৰি থাকে। মুখ্যমন্ত্ৰীক ময়েই এইবাৰ বিধানসভাত প্ৰশ্ন কৰিম মুখ্যমন্ত্ৰী ডাঙৰীয়া টুইন টাৱাৰটো এবাৰ চাবলৈ যাওঁ। টুইন টাৱাৰ বনাব খুজিছিল ট্ৰেড চেন্টাৰৰ বাবে। এতিয়া এটা সচিবালয় ভৱন এটা বনাই আছে দুটা ঘৰ দুফালে বনাই আছে সেইটোৱে বোলে টুইন টাৱাৰ। এনেকুৱা মিছলীয়া, ভৱিৰ তলুৱাৰ পৰা মূৰলৈকে মিছলীয়া ৰাজনীতিত যদি গোটেই পৃথিৱীত কোনোবা আছে সেইজন হৈছে হিমন্ত বিশ্ব শৰ্মা। হিমন্ত বিশ্ব শৰ্মাই পুৰুষক মহিলা বুলি কৈ দিয়ে আৰু আপোনালোকেও মহিলা মহিলা হয় হয় বুলি কৈ থাকে। পশ্চিমফালে সূৰ্য উদয় হয় বুলি কৈ দিয়ে আপোনালোকে সেইটো ভুল ক'লে বুলি ক'বলৈ ভয় কৰে। আৰু যেতিয়া আমি সেইটো ভুল বুলি কৈ দিও তেতিয়া আপোনালোকে কৈ দিয়ে যে গোটেই সমস্যাৰ সৃষ্টি কৰিছে অখিল গগৈয়ে। য'ত দোষ নন্দ ঘোষ। হিমন্ত বিশ্ব শৰ্মাই যে মিছা কথা কয় তাৰ জ্বলন্ত উদাহৰণ টুইন টাৱাৰ বুলি কৈ অখিল গগৈয়ে আৰু কয় যে সৰ্বানন্দ সোণোৱালে বিশ্ব বাণিজ্য কেন্দ্ৰ কৰিব বুলি কৈছিল, তাত পৃথিৱীৰ কোম্পানীবোৰে কাৰ্যালয় কৰিব। দুয়োফালে কোম্পানী থাকিব। অসম ঔদ্যোগিক হাব হ'ব। এতিয়া হিমন্ত বিশ্ব শৰ্মাই কৈছে আমি টুইন টাৱাৰৰ দৰে চেক্ৰেটেৰীয়েট বনাই আছো নহয়। বাপু আমাক সৰু ল'ৰা বুলি ভাবিছা। আমি মূৰ্খ নহয়। তুমি যাক মূৰ্খ সজাব পাৰা মূৰ্খ সজাই থাকা। আমি তোমাৰ কথা নামানো কাৰণেই তুমি আমাক আক্ৰমণ কৰি থাকা। হিমন্ত বিশ্ব শৰ্মাৰ দৰে মিছলমীয়া মানুহ অসমত জন্মই হোৱা নাছিল। ভৱিষ্যতে কেতিয়াবা গাঁৱৰ ল'ৰা-ছোৱালীবোৰৰ নাম মিছলীয়া হিমন্ত বিশ্ব শৰ্মা হ'ব। পৃথিৱীৰ দুই নম্বৰী, মিছলীয়া, দগাবাজবোৰৰ নাম হিমন্ত বিশ্ব শৰ্মা বুলি ক'ব। সাংবাদিকক কৈ আছে আমি টুইন টাৱাৰ বনাই আছো। আপোনালোকে দেখা নাই। আপোনালোকে কোনেও ওলোটাই একো নকয়। মই কাইলৈ বিধানসভাত মুখ্যমন্ত্ৰী অহাৰ পিছতে টুইন টাৱাৰ টুইন টাৱাৰ বুলি চিঞৰি কম ব'লক টুইন টাৱাৰ চাবলৈ যাওঁ। মিছলীয়া, পৃথিৱীৰ দুই নম্বৰীয়ে টুইন টাৱাৰ বনালে বোলে। অসমীয়া মানুহৰ ভুল হ'ল তেওঁক মুখ্যমন্ত্ৰী বনোৱাৰ বাবে। কিন্তু অসমীয়াৰ মানুহৰ ভুল নাই তেওঁক মুখ্যমন্ত্ৰী পাতিবলৈ ভোট দিয়াও নাছিল। এইদৰে আজি অখিল গগৈয়ে হিমন্ত বিশ্ব শৰ্মাক উভতি ধৰে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# এডিআৰইৰ ফলাফলৰ দিন ক'লে

অনুষ্ঠিত হৈ হৈ যোৱা নিযুক্তি পৰীক্ষাৰ ফলাফল ঘোষণাৰ তাৰিখ ঘোষণা কৰে। হিমন্ত বিশ্ব শৰ্মাই ঘোষণা কৰা অনুসৰি এডিআৰই পৰীক্ষাৰ ফলাফল এপ্ৰিল মাহৰ ভিতৰত ঘোষণা কৰা হ'ব। অসম আৰক্ষীৰ নিযুক্তি পৰীক্ষাৰ ফলাফল অহা ৬ মাৰ্চত ঘোষণা কৰা হ'ব। অসম আৰক্ষীৰ নিযুক্তি কনিষ্টেবল এবি আৰু ইউবিৰ পৰীক্ষাৰ ফলাফল ১২ মাৰ্চত ঘোষণা কৰা হ'ব। অসম আৰক্ষীৰ গাড়ী চালকৰ পৰীক্ষাৰ ফলাফল ৪ মাৰ্চত ঘোষণা কৰা হ'ব। কমাণ্ডো বেটেলিয়নৰ পৰীক্ষাৰ ফলাফল ২৭ মাৰ্চত ঘোষণা কৰা হ'ব। আৰক্ষীৰ চতুৰ্থ বৰ্গৰ পৰীক্ষাৰ ফলাফল ৩০ এপ্ৰিলত ঘোষণা কৰা হ'ব। বহুপ্ৰতীক্ষিত এডিআৰই পৰীক্ষাৰ ফলাফল ৭ মাৰ্চত ঘোষণা কৰা কৰা হ'ব। এটা পদৰ বিপৰীতে দুজনকৈ পৰীক্ষাৰ্থী উত্তীৰ্ণ হ'ব। তাৰ পাছত মৌখিক পৰীক্ষা অনুষ্ঠিত বুলি কয় মুখ্যমন্ত্ৰীগৰাকীয়ে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# একলা চলো ৰে...! ভূপেন বৰাৰ নতুন

কংগ্ৰেছ নেতা তথা সাংসদ প্ৰদ্যুৎ বৰদলৈয়ে আধাতে বৈঠক সামৰি ওলাই অহাৰ পিছতে বিৰোধী ঐক্যত কলীয়া ডাৱৰে আৱৰি ধৰিছে। মিডিয়া, সামাজিক মাধ্যমত বাৰে বাৰে বিৰোধীৰ নেতাসকলে মন্তব্য প্ৰদান কৰি অহাত বিৰোধীৰ ঐক্য অসম্ভৱ বুলি বিভিন্নজনে সমালোচনা কৰিবলৈ আৰম্ভ হৈছে। বিশেষকৈ অখিল গগৈৰ বাবে বিৰোধী ঐক্যত বাৰে বাৰে আউল লাগে বুলি অভিযোগ উত্থাপন হৈ আহিছে। কালিৰ বৈঠকত কংগ্ৰেছক লৈ অখিল গগৈয়ে 'গাড্ডাৰ-স্বৈৰতন্ত্ৰ-একনায়কত্ববাদী'ৰ দৰে বিতৰ্কিত শব্দ প্ৰয়োগ কৰি মন্তব্য প্ৰদান কৰিছিল। তাৰ পাছতে সাংসদ বৰদলৈ খঙত অগ্নিশৰ্মা হৈ প্ৰদ্যুৎ বৰদলৈ ওলাই আহে। মই এই বৈঠকত উপস্থিত নাথাকো, সেয়া মোৰ ব্যক্তিগত কথা বুলি কৈ ওলাই আহে প্ৰদ্যুৎ বৰদলৈ। যাক লৈ তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। সোণাপুৰত বিশিষ্ট বুদ্ধিজীৱী হীৰেন গোহাঁইৰ আহ্বানত অসম জাতীয় পৰিষদ, কংগ্ৰেছ, ৰাইজৰ দল আৰু বামপন্থী দলসমূহৰ প্ৰতিনিধিৰ উপস্থিতিত বৈঠক অনুষ্ঠিত হৈছিল। প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰা, ৰাইজৰ দলৰ সভাপতি অখিল গগৈ, অসম জাতীয় পৰিষদৰ সভাপতি লুৰীনজ্যোতি গগৈ, সাংসদ প্ৰদ্যুৎ বৰদলৈ, অজিত কুমাৰ ভূঞা, অল পাৰ্টি হিলছ লীডাৰ্ছ কনফাৰেন্সৰ নেতৃত্ব উপস্থিত থাকে। বৈঠক আৰম্ভ হোৱাৰ পিছতে হঠাতে বৈঠকৰ পৰা ওলাই আহে সাংসদ প্ৰদ্যুৎ বৰদলৈ। প্ৰদ্যুৎ বৰদলৈয়ে খঙত ওলাই অহাত পুনৰ ভিতৰলৈ সোমোৱাই নিবলৈ কেইবাজনো নেতাই প্ৰয়াস কৰিছিল যদিও গাড়ীত উঠি গুৱাহাটী অভিমুখে ৰাওনা হয়। কালি অখিল গগৈৰ বাবে বিৰোধী ঐক্যত আউল লগাৰ পিছতে আজি বিৰোধী ঐক্যত যে সকলো ঠিকে-ঠাকে নাই তাৰ ইংগিত দিছে প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই। আজি পুৱাই প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই সামাজিক মাধ্যমত পোষ্ট দি মিত্ৰতা বিৰোধী ইংগিত দিয়ে। তাৎপৰ্যপূৰ্ণ পোষ্ট দি বৰাই কিশোৰ কুমাৰৰ বিখ্যাত বাংলা গান এটা বিশেষ কেপচন দি আপলোড কৰে। কংগ্ৰেছৰ সভাপতিগৰাকীয়ে কেপচনত কয় "যদি তোৰ ডাক শুনে কেউ না আসে তবে একলা চলো ৰে। একলা চলো, একলা চলো, একলা চলো, একলা চলো ৰে।" ভূপেন বৰাই কেপচনত প্ৰি-প'ল-পোষ্ট প'ল বুলিও লিখে। ভূপেন বৰাই অকলে নিৰ্বাচন খেলাৰো ইংগিত দিয়া বুলি খুব চৰ্চা হৈছে। কালি আতিথ্যৰ বৈঠক সমাপ্ত হোৱাৰ পিছতে নিশা অখিল গগৈয়ে এটা ফেচবুক পোষ্ট দিয়ে। গগৈয়ে কয় 'আদৰ্শগত প্ৰশ্নত আমি অটল থাকিম।' এতিয়া ক'বলৈ গ'লে বিৰোধী মিত্ৰতাৰ নামত ফেচবুক ফেচবুক খেলিছে অখিল গগৈ আৰু ভূপেন বৰাই। বৈঠকৰ অন্তত ভূপেন বৰা আৰু অখিল গগৈৰ ফেচবুক পোষ্টে সংঘাতৰ স্পষ্ট ইংগিত দিছে। ভূপেন বৰাৰ ফেচবুক পোষ্ট সন্দৰ্ভত বিৰোধী দলপতি তথা কংগ্ৰেছ নেতা দেৱব্ৰত শইকীয়াই প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। দেৱব্ৰত শইকীয়াই ভূপেন বৰাই পোষ্ট কৰা গানটোক সমৰ্থন কৰি কয় যে একলা চলো ৰে...'গানটো মোৰো খুব প্ৰিয়। ভূপেন বৰাই যি দিছে সেয়া মই দেখা নাই। মোৰ গীতাৰ বাণীটোও ভাল লাগে। মাৰোৱাৰী বন্ধু এজনৰ পঞ্চম তলাত একাউণ্টেন্সি অফিচ আছিল। তালৈ যাবলগীয়া হয় লিফ্টটো বন্ধ কৰিলে সদায় দেখা পাওঁ 'জো হুৱা থা, আচ্ছা হুৱা থা, জো হো ৰহা হেয় ৱো আচ্ছা হ ৰহা হেয়, জো হু হোগা আচ্ছা হী হোগা'। সেইবাবে কৰ্মফলত বিশ্বাস কৰিব লাগে। তাৰ প্ৰাপ্তিত বিশ্বাস কৰিব নালাগে। ভাল কাম কৰিলে ভগৱানে নিশ্চয় ভাল সুযোগ, সুবিধা দিব। বহুতে বিভ্ৰান্ত কৰে যে ধৰ্ম যুদ্ধ লাগিলে ওপৰত গৈ অপ্সৰাৰ লগত নৃত্য কৰিব পৰা যাব। বৰ্তমান সময়ত ভাল কাম কৰিব লাগে বুলি কৈ দেৱব্ৰত শইকীয়াই কয় যে সেই বাবে আমি আশাবাদী। সকলোৰে নিজৰ কাম ভালকৈ কৰিব লাগে। ফলাফলৰ বাবে চিন্তা নকৰাকৈ কাম কৰিব লাগে। চৰকাৰ গঠন হ'ব মই মন্ত্ৰীসভাত স্থান পাম তেনেকুৱা হ'ব নালাগে। নিৰ্বাচনত দলে প্ৰাৰ্থিত্ব দিলে খেলিম, নিদিলে নেখেলো। সেই বুলি দলৰ কাম নকৰাকৈ নাথাকো। এটা বছৰ আছে। কংগ্ৰেছক শক্তিশালী কৰিবলৈ কাম কৰিম। ৰাহুল গান্ধীয়ে বৈঠকত কৈছে তোমালোকে আগ্ৰাসী ৰূপত কাম কৰা। ভূপেন বৰাৰ ফেচবুক পোষ্ট সন্দৰ্ভক অখিল গগৈয়ে প্ৰতিক্ৰিয়া ব্যক্ত কৰি কয় যে ভূপেন দাই একলা চলো বুলি কিবা দিছে সেই কথা মই নাজানো। কালি একেলগে নিৰ্বাচন খেলাৰ সিদ্ধান্ত হৈছে, উদ্যোক্তাসকলে জনাই দিছে যে ২০২৬ত আমি একেলগে নিৰ্বাচন খেলিম। ৰাতি এনেকুৱা কিবা একো ঘটা নাই যে কথাটো পুনৰ বিবেচনা কৰিব লাগে। এনেকুৱা কোনো ঘটনা ঘটা নাই। ভূপেন দাই যদি সেইটো বিৰোধী ঐক্য মঞ্চক লৈ দিছে সেইটো ভূপেন দাৰ পৰা সুধিব লাগিব। একতা নথকাৰ কোনো প্ৰশ্ন নাই। ২০২৬ চনত আমি সকলো বিৰোধীয়ে বিজেপিৰ বিৰুদ্ধে যুঁজ দিম। কালি সেই সিদ্ধান্ত লৈ কংগ্ৰেছ ওলাই গৈছিল।
তাৰ পিছতো যদি কিবা ইচ্ছু আহিছে সেই বিষয়ে মই অৱগত নহয়।

# খিলঞ্জীয়াৰ সুৰক্ষাৰ সংগ্ৰামৰ পৰা বিদায় ললে মহাসংঘৰ মতিউৰ ৰহমানে

**ই-সংবাদ ব্যুৰ', তিনিচুকীয়া, ২ মাৰ্চঃ** অসম সন্মিলিত মহাসংঘৰ জন্মৰ পৰাই এচাম খিলঞ্জীয়াৰ মাজত থকা ছদ্মবেশী লোক আৰু সংগঠনে মতিউৰ ৰহমানক নানা ভয়-ভাবুকি দি আহিছিল। তথাপি প্ৰাণতকৈও প্ৰিয় মাতৃ-মাতৃভূমিৰ প্ৰতি থকা অসীম প্ৰেম আৰু খিলঞ্জীয়া জনগোষ্ঠীসমূহৰ ওপৰত চলি থকা সীমাহীন অন্যায়-অবিচাৰ দেখি হাজাৰ বাধা অতিক্ৰম কৰিও ৰহমানে কাম কৰি গৈছিল। কিন্তু, শেহতীয়াকৈ যোৱা ২৪ ফেব্ৰুৱাৰীত তিনিচুকীয়াত অসম দেশে স্বাধীনতা হেৰুৱাৰ ১৯৯ বছৰ পূৰ্ণ হোৱা উপলক্ষে কুখ্যাত ইয়াণ্ডাবু সন্ধিৰ করুণ স্মৃতিত পালন কৰা খিলঞ্জীয়াৰ ক'লা দিৱসৰ পিছতেই পুনৰ মতিউৰ ৰহমানলৈ অহা নানা ভাবুকিৰ লগতে উজনি অসম ত্যাগ কৰিবলৈ এটা চক্ৰই দিয়া হুংকাৰৰ বাবেই আজি সংবাদ মাধ্যম যোগে মতিউৰ ৰহমানে খিলঞ্জীয়াৰ সুৰক্ষা সংগ্ৰামৰ পৰা স্বেচ্ছাই অব্যাহতি লোৱাৰ লগতে মহাসংঘৰ কাৰ্যকৰী সভাপতি পদৰ পৰাও পদত্যাগৰ সিদ্ধান্ত গ্ৰহণ কৰাৰ কথা সদৰী কৰে। ৰহমানে মহাসংঘৰ সভাপতি শান্তনু দাস বৰহাজোৱালৰ হাতত ২৮ ফেব্ৰুৱাৰীত পদত্যাগ পত্ৰও দাখিল কৰে। এই সন্দৰ্ভত তেওঁ খিলঞ্জীয়া জনগণৰ ওচৰত ক্ষমা ভিক্ষা কৰি গভীৰ দুখেৰে কয়, " খিলঞ্জীয়া জনগোষ্ঠীসমূহে নিজেই সংগঠিত হৈ প্ৰাপ্য অধিকাৰ আজুৰি আনিব লাগিব। কোনো ৰাজনৈতিক নেতা তথা সামাজিক সংগঠনে এই কাম নকৰে। ভৱিষ্যত বংশধৰসকলৰ সুৰক্ষাৰ বাবেই খিলঞ্জীয়া জনগোষ্ঠীসমূহে এই কাম কৰিব লাগিব। অন্যথা বিদেশী-বহিৰাগত লোকৰ গোলাম হৈ জীৱন নিৰ্বাহ কৰিব লাগিব।" তেওঁ লগতে কয়" অতিশয় দুখ আৰু পৰিতাপৰ কথা যে বিদেশী-বহিৰাগত লোক বা সংগঠনে নহয় খিলঞ্জীয়া লোক আৰু সংগঠনেহে তেওঁক ভাবুকি দিছে। অসমৰ খিলঞ্জীয়া জনগোষ্ঠীসমূহৰ দুৰৱস্থাৰ বাবে খিলঞ্জীয়াৰ মাজত থাকি শত্ৰুক সহায় কৰা দেশদ্ৰোহী-জাতিদ্ৰোহী লোক তাহানিও আছিল আৰু আজিও আছে। বৰঞ্চ এতিয়া এনে জাতিৰ কুলাংগৰ ৮০% হৈছে। এনে এক দুৰ্ভাগ্যজনক পৰিস্থিতিত দেশ-জাতিৰ বাবে কাম কৰাটো অসম্ভৱ হৈ পৰিছে।"

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ৰাহুল গান্ধীৰ 'ভাৰত জোড়ো' যাত্ৰাৰ

যুৱ কংগ্ৰেছ নেত্ৰীৰ মৃতদেহ উদ্ধাৰ হোৱা ঘটনাই সমগ্ৰ দেশত তীব্ৰ ৰাজনৈতিক উত্তেজনাৰ সৃষ্টি কৰিছে। বিয়ালৈ যাম বুলি মাতৃক কৈ ওলাই যোৱা কংগ্ৰেছৰ যুৱ নেত্ৰী হিমানী নৰৱালৰ ক্ষত-বিক্ষত মৃতদেহ ৰহস্যজনকভাৱে ছুটকেছৰ ভিতৰত উদ্ধাৰ কৰে আৰক্ষীয়ে। সাম্পলা আৰক্ষীয়ে জানিবলৈ দিয়া মতে, হিমানীৰ মৃতদেহ উদ্ধাৰ হোৱাৰ সময়ত ডিঙিত এখন দোপাত্তা বন্ধা আছিল আৰু হাতত আছিল মেহেন্দী। স্থানীয় লোকে বাছ ষ্টেণ্ডৰ সমীপত নীলা ৰঙৰ ছুটকেছটো প্ৰত্যক্ষ কৰাৰ পিছত আৰক্ষীক খবৰ দিয়াত ঘটনাস্থলীত আৰক্ষীৰ দল উপস্থিত হৈ মৃতদেহটো উদ্ধাৰ কৰে। প্ৰাথমিক তদন্তত হিমানীৰ শৰীৰত স্পষ্ট হৈ থকা আঘাতৰ বাবে তেওঁক হত্যাৰ পূৰ্বে শাৰীৰিকভাৱে অত্যাচাৰ চলোৱাৰ সন্দেহ কৰিছে আৰক্ষীয়। উল্লেখ্য যে মৃত হিমানী নৰৱাল ৰোহটক যুৱ কংগ্ৰেছৰ নেত্ৰী আছিল। তেওঁৰ ঘৰ সোনেপটৰ কথুৱা গাঁৱত। ৰাহুল গান্ধীৰ 'ভাৰত জোড়ো যাত্ৰা'ত অংশ লৈ ৰাজনৈতিক মহলত তেওঁ সেই সময়ৰ পৰাই পৰিচিত হৈছিল। হাৰিয়ানা বিধানসভা নিৰ্বাচনত কংগ্ৰেছৰ হৈ প্ৰচাৰ চলোৱাতো তেওঁ গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। ভূপিন্দৰ সিং হুদা আৰু দীপিন্দৰ হুদাৰ সৈতে কেইবাখনো প্ৰচাৰ সভাত তেওঁক দেখা গৈছিল। কংগ্ৰেছৰ বিভিন্ন সভা আৰু সামাজিক সোনেপটৰ কথুৱা গাঁৱত। ৰাহুল গান্ধীৰ 'ভাৰত জোড়ো যাত্ৰা'ত অংশ লৈ ৰাজনৈতিক মহলত তেওঁ সেই সময়ৰ পৰাই পৰিচিত হৈছিল। হাৰিয়ানা বিধানসভা নিৰ্বাচনত কংগ্ৰেছৰ হৈ প্ৰচাৰ চলোৱাতো তেওঁ গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। ভূপিন্দৰ সিং হুদা আৰু দীপিন্দৰ হুদাৰ সৈতে কেইবাখনো প্ৰচাৰ সভাত তেওঁক দেখা গৈছিল। কংগ্ৰেছৰ বিভিন্ন সভা আৰু সামাজিক অনুষ্ঠানত তেওঁ হাৰিয়ানৱী লোকশিল্পীৰ সৈতে অনুষ্ঠানো পৰিৱেশন কৰিছিল। এই ঘটনাৰ পিছত কংগ্ৰেছ নেতা ভূপিন্দৰ সিং হুদাই নিজৰ এক্স হেণ্ডেলত লিখিছে, "ৰোহটকত কংগ্ৰেছ কৰ্মী হিমানী নৰৱালৰ নিৰ্মম হত্যাকাণ্ড অতি দুখজনক আৰু চাঞ্চল্যকৰ। মই তেওঁৰ আত্মাৰ শান্তিৰ বাবে প্ৰাৰ্থনা জনাইছো আৰু পৰিয়ালটোৰ প্ৰতি গভীৰ শোক প্ৰকাশ কৰিছো। এনেদৰে এগৰাকী যুৱতীক হত্যা কৰি ছুটকেছত মৃতদেহ পেলাই দিয়াটো ৰাজ্যৰ আইন-শৃংখলাৰ দুৰ্বলতাৰ প্ৰমাণ। এই হত্যাকাণ্ডৰ উচ্চ পৰ্যায়ৰ তদন্ত আৰু দোষীক কঠোৰ আৰু দ্ৰুতভাৱে শাস্তি দিয়া উচিত।" আনহাতে কন্যাৰ মৃতদেহ উদ্ধাৰক লৈ চাঞ্চল্যকৰ অভিযোগ উত্থাপন কৰিছে হিমানীৰ মাতৃ সবিতা নৰৱালে। এই হত্যাকাণ্ডত কংগ্ৰেছৰ একাংশ নেতা জড়িত হোৱাৰো সন্দেহ প্ৰকাশ কৰে মাতৃয়ে। তেওঁ কয়, "মোৰ ছোৱালীজনীয়ে কংগ্ৰেছৰ বাবে বহু ত্যাগ কৰিছে। আগতে আমাৰ ঘৰলৈ দলৰ নেতা আহিছিল। হিমানীৰ ৰাজনৈতিক উত্থানত হয়তো একাংশ লোক ভয় খাইছিল, যাৰ বাবে তাইক হত্যা কৰা হ'ল।" সবিতাই কয় যে শেষবাৰৰ বাবে ২৭ ফেব্ৰুৱাৰীত কন্যাৰ সৈতে কথা পাতিছিল। উল্লেখ্য যে সোনিপটৰ নিবাসী হিমানীয়ে দলীয় কাম-কাজৰ বাবে ৰোহটকতে বাস কৰিছিল। মাতৃয়ে জানিবলৈ দিয়া মতে, শেষবাৰ কথা পতাৰ সময়ত বন্ধুৰ বিয়ালৈ যোৱাৰ কথা কৈছিল হিমানীয়ে। বিয়াৰ পৰা উভতি আহি পিছদিনা ভূপিন্দৰ সিং হুদাৰ এখন সভাত তেওঁ অংশগ্ৰহণ কৰাৰ কথা আছিল। কিন্তু তাৰ পূৰ্বেই হিমানীৰ সৈতে যোগাযোগ হেৰুৱায় পেলায় পৰিয়ালে। মাতৃ সবিতা নৰৱালে কয়, "হিমানী ১০ বছৰ কংগ্ৰেছৰ সৈতে জড়িত আছিল। ৰাহুল গান্ধীৰ সৈতে 'ভাৰত জোড়ো যাত্ৰা'ৰ সময়ত শ্ৰীনগৰলৈকে গৈছিল। তাই সৎ ৰাজনীতি কৰিব বিচাৰিছিল, কিন্তু কিছুমানৰ হজম নহ'ল, সেয়ে ষড়যন্ত্ৰ কৰি তাইক হত্যা কৰিলে।" হিমানীৰ দলৰ ভিতৰতে বহু শত্ৰু আছিল বুলিও দাবী কৰে মাতৃয়ে। হিমানীৰ মাতৃয়ে দাবী কৰে যে তেওঁৰ কন্যাৰ কিছু বিষয়ক লৈ দলীয় নেতাৰ সৈতে মতানৈক্য হৈছিল। তেওঁ কয়, 'মোৰ ছোৱালীয়ে আপোচ কৰিব বিচৰা নাছিল। আনকি 'ভাৰত জোড়ো যাত্ৰা'ৰ সময়তো তেওঁৰ থকাৰ ব্যৱস্থাক লৈ দলৰ একাংশ সদস্যৰ লগত বিবাদ হৈছিল। হিমানীয়ে পিঁয়াজ আৰু নহৰু নাখায়, সেয়ে তাই পৃথকে থাকিব বিচাৰিছিল, কিন্তু তাই বাকীবোৰৰ লগত থাকিবলৈ বাধ্য হৈছিল।" তেওঁ আৰু অভিযোগ কৰে যে "মোৰ ছোৱালীৰ মৃত্যুৰ পিছত কোনো শীৰ্ষ কংগ্ৰেছ নেতাই আমাৰ সৈতে যোগাযোগ বা লগ কৰা নাই। আশা হুদাক লগ পাইছো, কিন্তু এতিয়াও কোনো ডাঙৰ কংগ্ৰেছ নেতাই আমাৰ কাষত থিয় দিয়া নাই। মই বিচাৰো যে দোষীক ফাঁচী দিয়া হওক।" কংগ্ৰেছৰ যুৱতীগৰাকীৰ হত্যাকাণ্ডৰ ৰহস্য উদঘাটন কৰিবলৈ ইতিমধ্যে আৰক্ষীয়ে তদন্ত আৰম্ভ কৰিছে। এজন বিষয়াই কয়, "আমি তদন্তৰ বাবে চাৰিটা দল গঠন কৰিছো। আমি কিছু সূত্ৰ পাইছো, আমি অতি সোনকালে সমগ্ৰ সত্যটো পোহৰলৈ আনিম।" অৱশ্যে এই হত্যাকাণ্ডৰ লগত কোন জড়িত আছে সেই লৈ ৰাজনৈতিক মহলত উৰাবাতৰি প্ৰচাৰ আৰম্ভ হৈছে। কংগ্ৰেছৰ ভিতৰৰ আভ্যন্তৰীণ বিবাদেই হওক বা আন কোনো ষড়যন্ত্ৰই হওক, তদন্তৰ পিছততহে প্ৰকৃত সত্য পোহৰলৈ আহিব।

---

## নাগালেণ্ডৰ চাহ খেতিয়ককো কিউআৰ কাৰ্ড প্ৰদানৰ দাবী

# উত্তৰ-পূবৰ ক্ষুদ্ৰ চাহ খেতিয়কৰ সমস্যা সমাধানৰ দাবীত চাহ বৰ্ডক স্মাৰক

**ই-সংবাদ, ২ মাৰ্চঃ** উত্তৰ-পূব কনফেডাৰেচন স্মল টী গ্ৰ'ৱাৰ্ছ এছ'চিয়েশ্যনৰ সভাপতি দিগন্ত ফুকন আৰু সচিব বিনোদ বুঢ়াগোহাঁয়ে ভাৰতীয় চাহ বৰ্ড অধ্যক্ষলৈ ক্ষুদ্ৰ চাহ খেতিয়কসকলৰ সমস্যাৰ সমাধান কৰাৰ দাবীত এখন স্মাৰক-পত্ৰ প্ৰদান কৰিছে। স্মাৰক-পত্ৰত উত্তৰ-পূৰ্বাঞ্চল কনফেডাৰেচন স্মল টী গ্ৰ'ৱাৰ্ছ এছ'চিয়েশ্যনে চাহ বৰ্ডক বিভিন্ন আঁচনি আৰু নীতিক শুধৰণি কৰাৰ গুৰুত্বপূৰ্ণ দাবী উত্থাপন কৰিছে। ১৫ সংখ্যক বিত্ত আয়োগৰ অধীনত বিকাশ আৰু প্ৰচাৰ আঁচনিক লৈ সংগঠনটোৱে ২০২৩-২৪ আৰু ২০২৫-২৬ চনৰ বাবে ১৫ সংখ্যক বিত্ত আয়োগৰ অধীনত ক্ষুদ্ৰ চাহ খেতিয়কসকলক শক্তিশালী কৰাৰ বাবে গ্ৰহণ কৰা আঁচনিৰ বাবে কৃতজ্ঞতা জনাইছে। কিন্তু, এছএইচজি, এফপিঅ' আৰু এফপিচিক ১০০ শতাংশ সহায় প্ৰদানৰ প্ৰক্ৰিয়া সহজ আৰু সুচাৰু কৰাৰ বাবে আহ্বান জনায়। বৰ্তমানৰ নীতি মতে, খেতিয়কসকলে প্ৰথমে নিজৰ ধনেৰে সামগ্ৰী কিনিব লাগে, তাৰ পিছততহে বিল আৰু ৰচিদ জমা দিলে ধন পায়। এই পদ্ধতিয়ে ক্ষুদ্ৰ খেতিয়কসকলৰ বাবে সমস্যাৰ সৃষ্টি কৰিছে। কিয়নো তেওঁলোকৰ প্ৰায়খিনিৰে ধনৰ অভাৱ থাকে। চাহ বৰ্ডে এই সমস্যা সমাধানৰ বাবে অসম চৰকাৰৰ চিইএছএছ নীতিৰ দৰে এটা সমাধান দাবী কৰিছে। অন্যান্য ৰাজ্যৰ দৰেই উত্তৰ-পূৰ্বাঞ্চল ৰাজ্যৰ ক্ষুদ্ৰ চাহ খেতিয়কসকলৰ বাবে অধিক আঁচনি প্ৰচাৰ কৰাৰ আহ্বান জনাইছে চাহ বৰ্ডক। বিশেষকৈ নাগালেণ্ডৰ ক্ষুদ্ৰ চাহ খেতিয়কসকলক কিউআৰ কাৰ্ড প্ৰদানৰ আহ্বান জনাইছে। কিয়নো ভাৰতৰ সংবিধানৰ অনুচ্ছেদ ৩৭১-এৰ বাবে নাগালেণ্ডত ভূমি প্ৰাধিকাৰী নাই। চাহ বৰ্ডক গাঁৱৰ পৰিষদে জাৰি কৰা ভূমিৰ দলিলক মানি লৈ কিউআৰ কাৰ্ড জাৰি কৰাৰ বাবে আহ্বান জনাইছে। চাহ বৰ্ডৰ বৰ্তমানৰ স্থানান্তৰ নীতিৰ পুনৰীক্ষণ কৰাৰ আহ্বান জনাইছে। এই নীতিৰ বাবে চাহ উদ্যোগত এক আতংকৰ সৃষ্টি হৈছে বুলি কয় উত্তৰ-পূৰ্বাঞ্চল কনফেডাৰেচন স্মল টী গ্ৰ'ৱাৰ্ছ এছ'চিয়েশ্যনে। বিশেষকৈ দক্ষিণ ভাৰতৰ চাহ বৰ্ডৰ কৰ্মচাৰীসকলৰ স্থানীয় ভাষা নজনাৰ বাবে চাহ খেতিয়কসকলৰ সৈতে যোগাযোগ আৰু প্ৰশিক্ষণত সমস্যাৰ সৃষ্টি হোৱাৰ অভিযোগ আনে। এই সমস্যা সমাধানৰ বাবে চাহ বৰ্ডক আহ্বান জনাইছে। চাহ বৰ্ডক ক্ষুদ্ৰ চাহ খেতিয়কসকলৰ হকে গ্ৰহণ কৰা আঁচনিৰ বাবে পুনৰ কৃতজ্ঞতা জনাই ভৱিষ্যতে সহায় আৰু পৰামৰ্শৰ কথা উল্লেখ কৰিছে উত্তৰ-পূৰ্বাঞ্চল কনফেডাৰেচন স্মল টী গ্ৰ'ৱাৰ্ছ এছ'চিয়েশ্যনে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# মিত্ৰতালৈ সমৰ্থন আপৰ!

চৌধুৰীয়ে আজি সংবাদমেল সম্বোধন কৰি ডাঃ হীৰেন গোহাঁইৰ নেতৃত্বত বিৰোধী শক্তি এক হোৱাৰ আহ্বানৰ প্ৰতি সম্পূৰ্ণ সমৰ্থন আগবঢ়োৱাৰ ঘোষণা কৰে। তত্ত্বাবধায়ক ৰাজেশ শৰ্মাই বিজেপিক দিল্লী নিৰ্বাচনৰ প্ৰত্যুত্তৰ অসমত দিব বুলি সদৰী কৰে। আজি ৰাজ্যিক কাৰ্যালয়ত সংবাদমেল সম্বোধন কৰি ভাৰপ্ৰাপ্ত সভাপতি ডাঃ ভবেন চৌধুৰী, তত্ত্বাৱধায়ক ৰাজেশ শৰ্মাই বৰ্তমান প্ৰেক্ষাপটত বিজেপিৰ দৰে সাম্প্ৰদায়িক ৰাজনৈতিক দল এটাক কোনো দলেই অকলে প্ৰতিহত কৰিব নোৱাৰে। আপে যদিও এক সবল যুঁজ আগবঢ়াব পাৰিব কিন্তু বিজেপিক সম্পূৰ্ণৰূপে প্ৰতিহত কৰিবলৈ সকলোৰে সহায় নিশ্চয় প্ৰয়োজন হ'ব বুলি কয়। পঞ্চায়ত নিৰ্বাচন আৰু ২০২৬ চনত অনুষ্ঠিত হ'বলগীয়া বিধানসভা নিৰ্বাচনৰ বাবে আপ সাজু হৈছে বুলি উল্লেখ কৰে দুয়োগৰাকী নেতাই। মনোজ ধানোৱাৰ নিষ্ক্ৰিয় হৈ পৰাত ১ ফেব্ৰুৱাৰীত ৰাজ্যিক কাৰ্যালয়ত অনুষ্ঠিত কাৰ্যনিৰ্বাহকে ডাঃ ভবেন চৌধুৰীক ভাৰপ্ৰাপ্ত ৰাজ্যিক সভাপতি নিযুক্তি দিয়াত আজি চৌধুৰীয়ে দায়িত্ব গ্ৰহণ কৰে। ডাঃ চৌধুৰীয়ে দায়িত্ব গ্ৰহণ কৰিয়েই এখন সংবাদ মেল সম্বোধন কৰি ৰাজনৈতিক হিংসা, গণতান্ত্ৰিক প্ৰতিবাদত বাধা, সাংসদ, বিধায়কৰ পত্নীৰ বিৰুদ্ধে উদ্দেশ্যপ্ৰণোদিতভাৱে অপপ্ৰচাৰ চলাই বিজেপিয়ে অসমৰ ৰাজনৈতিক পৰিৱেশ অতি নিম্ন স্তৰলৈ নিয়াৰ অভিযোগ উত্থাপন কৰে। সাংসদ ৰকিবুল হুছেইনৰ ওপৰত হোৱা আক্ৰমণক গৰিহণা দি ৰাজ্যৰ ৰাজনীতিৰ বাবে এয়া এক অশনি সংকেতৰ আগজাননী বুলি কয়। বিৰোধী দলৰ ৰাজপথত গণতান্ত্ৰিক প্ৰতিবাদত বাধা আৰোপ কৰা, বিৰোধী দলৰ নেতাক ঘৰত বন্দী কৰি আদি কাৰ্যই অসমত এতিয়া গণতান্ত্ৰিকভাৱে নিৰ্বাচিত চৰকাৰ এখন যে চলি আছে সেই বিষয়ে দুবাৰকৈ ভাবিবলগীয়া হৈছে বুলি দোহাৰে চৌধুৰীয়ে। চৌধুৰীয়ে আজি সংবাদমেলত কয় যে বিৰোধীৰ কণ্ঠ ৰোধ কৰি চৰকাৰে যি মন যায় তাকে কৰিবলৈ ওলোৱাই নহয়, গণতান্ত্ৰিক ব্যৱস্থাক হত্যা কৰিছে। বিজেপিয়ে যিমানেই দমন নীতি অৱলম্বন নকৰক কিয় ইয়াৰ প্ৰত্যুত্তৰ ৰাইজে ২০২৬ চনত নিশ্চয় দিব। আচলতে অত্যধিক মূল্যবৃদ্ধি, সাম্প্ৰদায়িক মন্তব্য, গছ-গছনি কাটি পৰিৱেশ ধ্বংস, ৰাজ্যখনৰ বানপানীকে ধৰি সকলো জ্বলন্ত সমস্যা সমাধানত ব্যৰ্থ চৰকাখনৰ বিৰুদ্ধে সৰ্বসাধাৰণৰ মনত যথেষ্ট ক্ষোভ আছে। এই ক্ষোভৰ মাত্ৰা দিনক দিনে বাঢ়ি গৈয়ে আছে। এনে কাৰণতে চৰকাৰখনে অসমত এক বিশৃংখল পৰিস্থিতিৰ নিজেই উদ্ভৱ কৰিছে আৰু সকলোৰে মনত ভয়ৰ প্ৰভাৱ পেলাবলৈ খুজিছে। এয়া সকলো ২০২৬ বিধানসভা নিৰ্বাচনক লক্ষ্য কৰি কৰা হৈছে। যাতে সাধাৰণ ৰাইজে আতংক আৰু সংশয়ৰ বাবেই বিজেপি চৰকাৰৰ বিৰোধিতা কৰিবলৈ এৰে। ৰাজপথলৈ ওলাই নাহে। অন্যথা ডাবল ইঞ্জিনৰ চৰকাৰ থকাৰ পিছতো, গৃহ বিভাগ নিজৰ আয়ত্তত থকাৰ পিছতো এনে বিশৃংখল আৰু অৰাজক পৰিস্থিতিৰ উদ্ভৱ নকৰিলেহেঁতেন। এপিএছচিৰ কেলেংকাৰীৰ তদন্তৰ বাবে গঠিত বিপ্লৱ শৰ্মাৰ আয়োগৰ প্ৰতিবেদনক ৰাজনৈতিক উদ্দেশ্যপ্ৰণোদিত এখন দলিলত পৰিণত হোৱা বুলি দাবী কৰি ডাঃ ভবেন চৌধুৰীয়ে কয় যে যিজন আৰক্ষী বিষয়াই এই কেলেংকাৰীৰ তদন্ত কৰিছিল তেওঁৰ ভাষ্য গ্ৰহণ কৰা নহ'ল। যিজন অভিযুক্তৰ ভাষ্যৰ আচলতে ন্যায়ালয়েও গুৰুত্ব নাই বুলি কৈছে তেওঁৰ ভাষ্যহে লোৱা হ'ল। গতিকে ইয়াৰ অন্তৰালত বিৰোধী নেতৃত্বক অপযশ দিয়াৰ ষড়যন্ত্ৰ নিহিত থকাটো সহজেই বোধগম্য। একেদৰে অসমৰ সাংসদ, বিধায়কৰ পত্নীৰ বিৰুদ্ধে উদ্দেশ্যপ্ৰণোদিতভাৱে অপপ্ৰচাৰ চলোৱা বুলিও কয় ভৱেন চৌধুৰীয়ে।

# ২০২৬ত বিৰোধীয়ে একত্ৰিত হৈ যুঁজ দিব বুলি ঘোষণা বিধায়ক অখিলৰ

**ই-সংবাদ, ২ মাৰ্চঃ** সোণাপুৰৰ আতিথ্যত ৰিজৰ্টত অনুষ্ঠিত বিৰোধী ঐক্য মঞ্চৰ কালিৰ বৈঠকত ব্যাপক তৰ্ক-বিতৰ্কৰ ফলত নগাঁৱৰ সাংসদ প্ৰদ্যুৎ বৰদলৈয়ে আধাতে বৈঠক এৰি অহাত বিৰোধী ঐক্যক পুনৰ ফাট মেলা বুলি চৰ্চা হ'বলৈ ধৰিছে। অসমত বিৰোধীৰ ঐক্য মঞ্চ সম্ভৱনে বুলিও চৰ্চা হ'ব ধৰিছে। বামপন্থীৰ আদৰ্শ অখিল গগৈ, জাতীয়তাবাদী অসম জাতীয় পৰিষদ আৰু ৰাষ্ট্ৰীয় দল কংগ্ৰেছৰ মাজত সমিলমিল হোৱাটো সম্ভৱ নহয় বুলিও একাংশ লোকে ক'ব খোজে। কালিৰ বৈঠকৰ পৰা কংগ্ৰেছ নেতা তথা সাংসদ প্ৰদ্যুৎ বৰদলৈ ওলাই অহাৰ কাৰণ অখিল গগৈ আছিল বুলি কৈ একাংশ লোক সৰৱ হোৱা পৰিলক্ষিত নহয়। অখিল গগৈৰ বাবেই বিৰোধী ঐক্য ভাঙি থান-বান হ'ব বুলি অখিল গগৈক দোষাৰোপ কৰে। এনে কথা চৰ্চা হ'বলৈ ধৰাত আজি অখিল গগৈয়ে স্পষ্টীকৰণ দিবলৈ বাধ্য হয়। অখিল গগৈয়ে আজি স্পষ্টকৈ কয় যে প্ৰদ্যুৎ বৰদলৈয়ে আগতে তেনে বৈঠকলৈ নাহে। বৈঠকৰ ভিতৰৰ পৰিৱেশটো তেওঁ গম নাপায়। প্ৰদ্যুৎ বৰদলৈয়ে খং কৰিলে। কালি ক্ষোভিত হোৱাৰ বিশেষ একো পৰিৱেশ হোৱাই নাই। সদায়েই যেনেদৰে আলোচনা হয়, তৰ্ক-বিতৰ্ক হয় আৰু সিদ্ধান্ত হয় কালিও ঠিক তেনেকুৱাই গণতান্ত্ৰিক পদ্ধতিৰে কথাখিনি হৈছে বুলি অখিল গগৈয়ে স্পষ্টীকৰণ দিয়ে। আজি অখিল গগৈয়ে গুৱাহাটীত এখন সংবাদমেল সম্বোধন কৰি কয় যে কালি ক্ষোভিত হোৱাৰ পৰিৱেশ হোৱাই নাই। সদায়েই যেনেদৰে আলোচনা হয়, তৰ্ক-বিতৰ্ক হয় আৰু সিদ্ধান্ত হয় কালিও তেনেকুৱাই গণতান্ত্ৰিক পদ্ধতিৰে কথাখিনি হৈছে। প্ৰদ্যুৎদাই আগত নাহেটো, ভিতৰৰ পৰিৱেশটো গম নাপায়। গণতান্ত্ৰিক পৰিৱেশত আলোচনা-বিলোচনাৰ মাজেতে সিদ্ধান্ত হয়। প্ৰদ্যুৎদাই পতকৈ খং এটা কৰিলে। এনেকুৱাও নহয় যে প্ৰদ্যুৎদাই খং কৰি গুচি গ'ল। কংগ্ৰেছৰ সভাপতি প্ৰথমৰ পৰাই শেষলৈকে আছে। কালি বৈঠকত সিদ্ধান্ত হৈছে যে আমি ২০২৬ চনত একেলগে নিৰ্বাচন খেলিম। বিজেপিক একেলগে পৰাভূত কৰিম। সাম্প্ৰদায়িক আৰু ফেচীবাদী বিজেপিক যদি আমি সকলোৰে একেলগে পৰাভূত নকৰো তেতিয়া অসমীয়াৰ ভৱিষ্যত্ নাই। কংগ্ৰেছ আঁতৰি গৈছিল কালি কংগ্ৰেছ ঐক্যমঞ্চত থকাৰ সিদ্ধান্ত হয়। আজি ৰাইজৰ দলে মিত্ৰতা কৰিব বুলি ঘোষণা কৰে অখিল গগৈয়ে। গগৈয়ে কয় যে ৰাইজৰ দলে একেবাৰে দৃঢ়তাপূৰ্ণভাৱে আজি ঘোষণা কৰিছে যে ২০২৬ চনত আমি সকলো বিৰোধীয়ে বিজেপিৰ বিৰুদ্ধে যুঁজ দিম। কালি সেই সিদ্ধান্ত লৈ কংগ্ৰেছ ওলাই গৈছিল। তাৰ পিছতো যদি কিবা ইচ্ছা আহিছে সেই বিষয়ে মই অৱগত নহয়। এইবাৰ একতা নাভাঙিবলৈ আগতীয়াকৈ আলোচনা আৰম্ভ কৰিছো। আগৰ নিৰ্বাচনবোৰ আমাৰ বাবে গুৰুত্বপূৰ্ণ নাছিল। উপ-নিৰ্বাচন আছিল তেতিয়া মিত্ৰতা ভাঙি গ'লেও চৰকাৰ গঠনৰ কথা নাছিল। আমি ত্যাগ কৰিছো। বাকী দলে ত্যাগ কৰিব নোৱাৰাত আঁতৰি গৈছিল। আমি কিমানখন আসন বিচাৰিম দলৰ ভিতৰত আলোচনা হোৱাই নাই। ৬০ খন, ৪০ খন ১০ খন নে এখন আসন বিচাৰিম সেই কথা আজিৰে পৰা দলৰ কৰ্ণধাৰ সমিতিত আলোচনা হ'ব। কোন কেইটা সমষ্টিত জিকিব পাৰিম সেইটো চাবৰ বাবে কাম-কাজ চলি আছে। আমি কিমানখন আসন বিচাৰিম সেয়া ৩১ মাৰ্চৰ ভিতৰত ক'ব পাৰিম। আমি আসনৰ প্ৰশ্নলৈ যোৱা নাই। আমি এটা সিদ্ধান্তত উপনীত হৈছো যে আমি একেলগে নিৰ্বাচন খেলিম। আমি ত্যাগ কৰিবলৈ সাজু। বুজাবুজিত ত্যাগ থাকিব। কিন্তু কাপোৰ খুলি দিব নোৱাৰিম। উজনি অসমত আমাৰ দল শক্তিশালী আৰু জনপ্ৰিয় হৈছে বুলিও কয় অখিল গগৈয়ে।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# অখিললৈ ৰীতা চৌধুৰীয়ে লিখিলে চিঠি

ফেচবুক পোষ্ট ৰাজ্যৰ ৰাজনীতিত ব্যাপক চৰ্চাৰ বিষয় হৈ পৰিছে। যি সময়ত বিধায়ক অখিল গগৈৰ পত্নী তথা বি বৰুৱা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপিকা গীতাশ্ৰী তামুলীয়ে ফেচবুক পোষ্টযোগে ‘মোক কিয় পাশাখেলৰ গুটি সজোৱা হৈছে’ বুলি আক্ষেপ কৰিছে, সেই সময়ত ৰীতা চৌধুৰীৰ এটা ফেচবুক পোষ্টেও তেনে এটা দিশেই উন্মোচন কৰিছে। লেখিকাগৰাকীয়ে অসম উপত্যকা বঁটা লাভ কৰা সময়ত অখিল গগৈয়ে কৰা সমালোচনাক আঙুলিয়াই দি পৰিস্থিতিৰ সামঞ্জস্য সন্মুখলৈ আনিছে। ফেচবুকত ৰীতা চৌধুৰীয়ে অখিল গগৈক উদ্দেশ্যি লিখিছে, মোক যেতিয়া ব্ৰহ্মপুত্ৰ উপত্যকা বঁটাটো মন্ত্ৰী স্বামীৰ সহায়ত লাভ কৰিছিলোঁ বুলি টিভি, বাতৰি কাকত আৰু সামাজিক মাধ্যমত একাংশই অশালীন আৰু নিৰ্মম সমালোচনাৰে থকা-সৰকা কৰিছিল সেই কথাবোৰে মোক যিমান কষ্ট দিছিল তাতোকৈ বহুত বেছি কষ্ট দিছিল মোৰ দুজন ছাত্ৰৰ মন্তব্যই। এজন তুমি আৰু আনজন কমল কুমাৰ মেধি। মই হতবাক হৈ গৈছিলোঁ টিভিত দিয়া তোমাৰ মন্তব্য শুনি ‘ৰীতা বাইদেৱে লাজ পাব লাগিছিল।’ মেনেজ কৰি বঁটা লোৱা নাছিলোঁ বাবেই মন্ত্ৰীপত্নী হোৱাৰ সুযোগ লৈ সদায়েই মোক আক্ৰমণ কৰি অহা আৰু চিনাকি হৈ পৰা মানুহবোৰক প্ৰত্যাহ্বান জনাই আৰু অৱহেলাৰে উপেক্ষা কৰি মই কৈছিলোঁ— ‘কোনো অপৰাধ নকৰাকৈ এই বঁটা মই ঘূৰাই নিদিওঁ।’ ৰাজনীতিকৰ পত্নী হ’লেও স্বতন্ত্ৰভাৱে জীয়াই থাকিব খোজা এগৰাকী নাৰীয়ে বিনা দোষত, অকাৰণত কিমান অপমান পাবলগীয়া হয় সেইদিনা তুমি ভবা নাছিলা, অনুভৱো কৰা নাছিলা আৰু মোৰ কাষত থিয়ও হোৱা নাছিলা। থিয় হৈছিল মোৰ কিতাপ পঢ়া আৰু মোক বিশ্বাস কৰা অগণিত মানুহ। এবছৰ আগৰ গ্ৰন্থমেলাত প্ৰথম লগ পাওঁতে তোমাক সোধা মোৰ একমাত্ৰ প্ৰশ্নটো আছিল— ‘তুমি বাৰু সঁচাই বিশ্বাস কৰানে মই এনে কাম কৰিব পাৰোঁ?’ তুমি মোৰ হাতত ধৰিছিলা আৰু কি কৈছিলা সেইবোৰ এতিয়া থাকক। মই কিন্তু সিদিনাও ৰাজনীতি বিজ্ঞানৰ শিক্ষক হিচাপে বিধানসভাত বিধায়ক হিচাপে তোমাৰ ভূমিকালৈ আঙুলিয়াই দি বিধানসভাৰ নিয়ম-নীতি জানিবলৈ পঢ়িবলগীয়া গুৰুত্বপূৰ্ণ কিতাপখন আমাজনত বিচাৰি দেখুৱাই দিছিলোঁ। আজি এজন ৰাজনীতিকৰ পত্নী হিচাপে স্বতন্ত্ৰভাৱে জীয়াই থাকিব খোজা আৰু মানুহে আৰু ময়ো বিদুষী বুলি জনা গীতাশ্ৰী তামুলীয়েও তোমাৰ পত্নী কাৰণে যেতিয়া ৰাজহুৱা আক্ৰমণৰ সন্মুখীন হৈছে তেতিয়া তুমি চিঞৰি চিঞৰি প্ৰতিবাদ কৰিছা আৰু কৈছা তোমাৰ কাৰণে এই পত্নী কাৰণে যেতিয়া ৰাজহুৱা আক্ৰমণৰ সন্মুখীন হৈছে তেতিয়া তুমি চিঞৰি চিঞৰি প্ৰতিবাদ কৰিছা আৰু কৈছা তোমাৰ কাৰণে এই দুৰ্ভাগ্যজনক ঘটনাৰ মুখামুখি হ’ব লগা হৈছে বুলি তোমাক তেওঁ গালি পাৰিছে। তেওঁৰ মানসিক কষ্টৰ কথা মই অনুভৱ কৰিব পাৰোঁ আৰু অন্তৰেৰে বিচাৰোঁ ৰাজনীতিৰ পাশা খেললৈ কোনো নিৰপৰাধী নাৰীক টানি অনা নহওক। আজি তুমি victim perspective ৰ পৰা কথাবোৰ চাইছা, ভাবিছা আৰু কৈছা। সঠিক কামেই কৰিছা। গীতাশ্ৰী তামুলীয়ে আমাক আক্ৰমণ কৰাৰ সময়ত তোমাক সমালোচনা কৰিছিলনে নাই এইটোও এটা ডাঙৰ প্ৰশ্ন। তুমি জানো নাজানা পঞ্চ সতীৰ ভিতৰত ৰাৱণৰ পত্নী মন্দোদৰীও যে আছে? হকে-বিহকে আন ৰাজনীতিকৰ পত্নীক আক্ৰমণ কৰাৰ সময়ত তোমাৰ এই victim perspective মনলৈ নাহে কিয়? তোমাৰ সকলো কামেই এনেধৰণৰেই selective নেকি মৰমৰ অখিল? ৰাজনীতিত তুমি এজন সফল নায়ক হোৱা আৰু পৰিয়ালৰে সৈতে কুশলে থাকা। শিক্ষক হিচাপে আশীৰ্বাদ সদায়েই আছিল আৰু থাকিব।” ৰীতা চৌধুৰীৰ এই ফেচবুক পোষ্টৰ পাছতেই সংবাদ মাধ্যমৰ সন্মুখত প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে অখিল গগৈয়ে। তেওঁ কয়, ‘ৰীতা চৌধুৰী মোৰ অতি মৰমৰ আৰু সন্মানীয় শিক্ষাগুৰু। তেওঁ মোক কটনত ৰাজনীতি বিজ্ঞান পঢ়ুৱাইছিল। বাইদেউৰ শ্ৰেণীসমূহ আকৰ্ষণীয় আছিল। তেওঁ এগৰাকী লব্ধপ্ৰতিষ্ঠ লেখিকা। তেওঁক অসন্মান কৰাৰ প্ৰশ্নই উঠিব নোৱাৰে। কিন্তু তেওঁ কি কাৰণে মোক গালি পাৰিছে মই নাজানো। বাইদেউৰ সৈতে মোৰ আত্মিক সম্পৰ্ক আছে। কিন্তু তেওঁৰ সৈতে মই ঘনিষ্ঠ সম্পৰ্ক ৰক্ষা কৰিব নোৱাৰো। কাৰণ তেওঁৰ স্বামী বিজেপি দলৰ নেতা। তেওঁৰ সৈতে ঘনিষ্ঠ সম্পৰ্ক নথকাৰ বাবে আমাৰ মাজত কমিউনিকেচন গেপ বাঢ়িছে। বাইদেউ মই সঁচাকৈ আপোনাক ভাল পাওঁ, শ্ৰদ্ধা কৰোঁ। আপোনাৰ ব্যক্তিত্বৰ প্ৰতি মোৰ শ্ৰদ্ধা আছে। যদি কিবা ভুল কৰিছো আপোনাৰ ছাত্ৰ হিচাপে ক্ষমা কৰিব।’ অখিল গগৈয়ে লগতে কয়, ‘মুখ্যমন্ত্ৰীয়ে মোৰ পত্নী সম্পৰ্কে যি অভিযোগ কৰিছে, সেই অভিযোগক প্ৰত্যাহ্বান জনাব পৰা ক্ষমতা মোৰ আছে। কাৰণ আমি কেলেংকাৰী কৰি চাকৰি লোৱা নাই। হিমন্ত বিশ্ব শৰ্মাক প্ৰত্যাহ্বান জনাওতে নেজ ওপৰলৈ কৰি পলাইছে। গতিকে এই বিষয়ত আপুনি নোসোমালেই মই ভাল পাম। বেলেগ কিবা কথাত গালি পাৰিবলগীয়া আছে যদি পাৰক, কিন্তু হিমন্ত বিশ্ব শৰ্মাক মই কেতিয়াও ক্ষমা নকৰোঁ। তেওঁ মিছামিছিকৈ আমাক বদনামী কৰিছে। মই আপোনাৰ একান্ত বাধ্য ছাত্ৰ। কিন্তু মোৰ অজ্ঞাতে মোৰ কিবা কাৰ্যৰ দ্বাৰা আপোনাৰ যদি কিবা অন্যায় হৈছে, তেনেহ’লে মই ক্ষমা বিচাৰিছো।’

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ‘ৰ’দঘাই’ৰ নাট মহোৎসৱৰ সামৰণি

পৰিচালক তথা সংগঠক প্ৰয়াত শুক্ৰাচাৰ্য ৰাভাই আৰম্ভ কৰিছিল নাট উপস্থাপনৰ এক ব্যতিক্ৰমী ধাৰা। গোৱালপাৰা জিলাৰ আগিয়া ৰামপুৰ গাঁৱত তেওঁ 'আণ্ডাৰ দ্য ছাল ট্ৰি' শীৰ্ষক নাট্য মহোৎসৱ অনুষ্ঠিত কৰি ৰাজ্যৰ সাংস্কৃতিক জগত চহকী কৰি থৈ যোৱাই নহয়, সম্পূৰ্ণ প্ৰাকৃতিক পৰিবেশত নাট পৰিবেশন কৰি ব্যতিক্ৰমী নাট্য আন্দোলনৰ সূচনা কৰে। শুক্ৰাচাৰ্য ৰাভাই অসমত জন্ম দি থৈ যোৱা সেই ব্যতিক্ৰমী আৰু বিশ্বৰ বিৰল নাট্যধাৰাৰ অনুকৰণত নগাঁও জিলাৰ বেবেজীয়াৰ মুকলি পথাৰৰ ভৰপূৰ প্ৰাকৃতিক পৰিবেশত দুদিনীয়াকৈ অনুষ্ঠিত কৰা 'ৰ’দঘাই বেবেজীয়া'ৰ নাট সমাৰোহৰ দেওঁবাৰে বিয়লি সামৰণি পৰে। দুয়োটা দিনতে প্লাষ্টিক বৰ্জিত সম্পূৰ্ণ প্ৰাকৃতিক পৰিবেশত ইকৰা-নল-খাগৰি আৰু বাঁহেৰে তথা মাটি ভেটিৰে তৈয়াৰী মুকলি মঞ্চত নাটক উপভোগ কৰিবলৈ বেবেজীয়াৰ ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা প্ৰায় দুশ মিটাৰ দাঁতিত অৱস্থিত ৰ’দঘাই বেবেজীয়াৰ নাট মহোৎসৱস্থলীলৈ বিভিন্ন প্ৰান্তৰ পৰা অগণন নাট্যপ্ৰেমী দৰ্শকৰ সোঁত বয়। দৰ্শক ৰাইজৰ বিপুল সঁহাৰিৰ মাজেৰে নাট মহোৎসৱৰ প্ৰথম দিনা প্ৰকৃতিৰ কোলাত মুকলি পথাৰত পোহৰ আৰু শব্দৰ কাৰিকৰী কৌশল অবিহনে নৈসৰ্গৰ মুক্ত মঞ্চত থিওৰ প্ৰয়াস নাট্য দলে 'ধৰ ঝাড়ু ধৰ ভাই', যোৰহাটৰ শব্দই 'যাপন-উদযাপন', মঙলদৈৰ জেংৰাই অসমে ঢেপা ঢোলৰ বিষয়ক লৈ ৰচিত নাট 'চন পৰা বৃন্দাবন' আৰু নগাঁৱৰ চন্দ্ৰজ্যোতি সংঘই 'ভন্টিৰ হাঁহি' মঞ্চস্থ কৰে। ইয়াৰ বিপৰীতে দ্বিতীয় দিনা ৰ’দঘাই বেবেজীয়াই 'জাকে জাকে উৰি যায় চৰাই', পুৰণিগুদামৰ ভাস থিয়েটাৰে 'ভগৱদজ্জুকম', চামগুৰিৰ মিৰদানে 'ৰান্স আপ’ন এ টাইম ইন ভেকুডুবা' আৰু পুৰণিগুদামৰ নৰসৃষ্টিয়ে 'মানুহ খোৱা মানুহ' শীৰ্ষক নাটকেইখন মঞ্চস্থ কৰে। সাম্প্ৰতিক সময়ৰ গভীৰ বিষয়বস্তু উপস্থাপনেৰে মঞ্চায়ন কৰা প্ৰতিখন নাটকত কৰা অভিনয় শিল্পীসকলৰ বলিষ্ঠ অভিনয়ে সকলোকে বেছ আপ্লুত কৰিবলৈ সক্ষম হয়। সামৰণিৰ দিনা নাট মহোৎসৱস্থলীত সমাজকৰ্মী ইন্দ্ৰমোহন বৰুৱা, গাঁওপ্ৰধান বিতুল কাকতি, শিক্ষাবিদ মোহিনী মোহন ডেকা, কবি সঞ্জীৱ সাগৰ চৌধুৰী, মদাৰজ্যোতি, ৰ’দঘাই বেবেজীয়াৰ সভাপতি প্ৰদ্যুম্ন গোস্বামী, সম্পাদক ৰঞ্জিত শৰ্মা, সমাজসেৱী জ্যোৎস্না বসুমতাৰী, হিমাক্ষী বৰা, ৰিংকু হাজৰিকা, বিচিত্ৰ নাৰায়ণ কাকতি, ফণীন্দ্ৰ শৰ্মা, জোন হাজৰিকা, অনিল বৰা, পংকজ বৰা, জ্যেষ্ঠ সাংবাদিক জয়ন্ত মুদৈ, দেৱজিৎ হাজৰিকা, নাট্যশিল্পী ধ্ৰুৱজ্যোতি বৰা, নেত্ৰ কমল বৰা, হিল্লোল কাশ্যপ শৰ্মা, প্ৰকাশ বৰাকে ধৰি বহুকেইজন বিশিষ্ট ব্যক্তি উপস্থিত থাকে। দুয়োদিনাৰ নাটকৰ বিৰতিত ৰ’দঘাই বেবেজীয়াৰ বিষয়ববীয়া ৰঞ্জন হাজৰিকা আৰু নাট্যশিল্পী দীপ বৰাই অনুষ্ঠানৰ আঁত ধৰে। নাট প্ৰদৰ্শন কৰা শিল্পী, কলা-কুশলীৰ লগতে অভ্যাগত অতিথি আৰু দূৰ-দূৰণিৰ পৰা নাট উপভোগ কৰিবলৈ অহা দৰ্শকসকলকো উদ্যোক্তাসকলে আতিথ্যৰ কোনো ত্ৰুটি নকৰাকৈ তিলপিঠা, লাৰু, বৰপিঠা আদিৰে লঘু আহাৰৰ লগতে দুপৰীয়া অসমীয়া জুতিলগা এসাঁজ ভাতেৰে আপ্যায়ন কৰে।

## দুটা বছৰ অতিক্ৰম কৰিলে মুৰ্গী ছিণ্ডিকেটে

# গোলকগঞ্জত অবৈধ মুৰ্গী ভৰ্তি বাহন জব্দৰ পিছত মুকলি

**ই-সংবাদ, গোলকগঞ্জ, ২ মাৰ্চঃ** ধুবুৰী জিলাৰ গোলকগঞ্জ থানাৰ অন্তৰ্গত ৰতিয়াদহৰ ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথত আজি পুৱতি নিশা পশ্চিমবংগৰপৰা অবৈধভাৱে অসমত প্ৰৱেশ কৰা সোণালী মুৰ্গী কঢ়িওৱা বাহন এখন ছিণ্ডিকেট চক্ৰই আটক কৰি আৰক্ষীক গতাই দিয়া ঘটনাই অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে। ৰাজ্যত বাৰ্ড ফ্লুৰ ভাইৰাছ সংক্ৰমণ ৰোধ কৰাৰ উদ্দেশ্যে অসম চৰকাৰৰ পশুপালন আৰু পশু চিকিৎসা বিভাগে ২০২৩ চনৰ ৬ মাৰ্চত বহি:ৰাজ্যৰ হাঁহ, পাৰ, কুকুৰা আদি অসমত আমদানিত নিষেধাজ্ঞা জাৰি কৰে। কাগজে-পত্ৰই নিষেধাজ্ঞা জাৰি কৰা হয় যদিও বাস্তৱত চলে আন এক কাহিনী। সাধাৰণ ৰাইজ ব্যৱসায়ীৰ ক্ষেত্ৰতহে এই আইন প্ৰযোজ্য। কিয়নো ছিণ্ডিকেট চক্ৰৰ জৰিয়তে অব্যাহত থাকে অসমত নিষিদ্ধ ঘোষিত পশ্চিমবংগৰ ব্ৰয়লাৰ-সোণালী মুৰ্গীৰ আমদানি। বৃহৎ অংকৰ ধনৰ বিনিময়ত নিষিদ্ধ ব্ৰয়লাৰ-সোণালী মুৰ্গী হৈ পৰে বৈধ। এইক্ষেত্ৰত কোনো নথি-পত্ৰৰে প্ৰয়োজন নহয়। শেহতীয়াকৈ সাংসদ ৰকিবুল হুছেইনে মুকলি অভিযোগ উত্থাপন কৰিছিল যে নিষিদ্ধ সত্ত্বেও পয়চল্লিশ হাজাৰ টকাৰ বিনিময়ত প্ৰতিখন ব্ৰয়লাৰ আৰু সোণালী মুৰ্গী কঢ়িওৱা পিকআপ ভেন অসমত প্ৰৱেশ কৰি আছে। প্ৰতিনিশা শতাধিক এনে বাহন পশ্চিম বংগৰপৰা অসমত প্ৰৱেশ কৰি আছে। এই ছিণ্ডিকেট চক্ৰটো মহন্ত উপাধিৰ এজনে গুৱাহাটীৰ পৰা চলাই থকাৰো অভিযোগ উত্থাপন কৰে। জানিব পৰা মতে, অসম-পশ্চিমবংগ সীমান্তৰ ৰাষ্ট্ৰীয় ঘাইপথত ছিণ্ডিকেট বাহিনীৰ লোক নিশাৰ ভাগত পিয়াপি দি ঘূৰে। সীমান্তত থকা গোটটোৱে ধন দি অনুমতি লাভ কৰা বাহনবোৰ অসমত প্ৰৱেশ কৰিবলৈ দিয়ে। আনহাতে ছিণ্ডিকেট বাহিনীক ঠগি বক্ৰ পথেৰে একাংশ বাহন অসমত প্ৰৱেশ কৰে। ভ্ৰাম্যমাণ দলে এনে বাহনসমূহ আটক কৰি ধন সংগ্ৰহ কৰে। ধন দিবলৈ অস্বীকাৰ কৰা বাহনসমূহ আটক কৰি আগমনি আৰু গোলকগঞ্জ থানাত চমজাই দিয়ে। এই ক্ষেত্ৰত আৰক্ষীয়েও সহযোগ কৰাৰ অভিযোগ দীৰ্ঘদিনীয়া। কালি ছিণ্ডিকেট বাহিনীক ধন নিদি ভিতৰুৱা পথেৰে অসমত প্ৰৱেশ কৰা সোণালী মুৰ্গী কঢ়িওৱা AS 16AC 5567 নম্বৰৰ বলেৰো পিকআপ ভেনখন শেষনিশা তিনি বজাত ৰতিয়াদহত ছিণ্ডিকেট বাহিনীৰ লোকে আটক কৰি গোলকগঞ্জ থানাত চমজাই দিয়ে। সম্পূৰ্ণ দিন গোলকগঞ্জ থানাত থকাৰ পিছত বিয়লি পশুপালন বিভাগৰ বিষয়া উপস্থিত হৈ নথি-পত্ৰ পৰীক্ষা কৰি পশ্চিমবংগ লৈ ঘূৰাই পঠায়। ইয়াক কেন্দ্ৰ কৰি পশুপালন বিভাগৰো কূটকৌশল চলাৰ অভিযোগ উত্থাপিত হৈছে। অবৈধভাৱে অসমত প্ৰৱেশ কৰা নিষিদ্ধ মুৰ্গীসমূহ সৰহভাগেই মাটিত পুতি মাৰি পেলোৱা হয় যদিও পশুপালন বিভাগৰ লগত বুজাবুজি কৰা বাহনৰ মুৰ্গী মাটিত পোতাৰ পৰিৱৰ্তে ঘূৰাই পঠোৱা হয়। গোলকগঞ্জ সমষ্টিত চলা ছিণ্ডিকেটৰ বিৰুদ্ধে স্থানীয় কংগ্ৰেছ সাংসদ ৰকিবুল হুছেইন সজাগ-সচেতন হোৱাৰ বিপৰীতে গোলকগঞ্জ সমষ্টিৰ কংগ্ৰেছৰ বিধায়ক আব্দুছ ছোবাহান আলী সৰকাৰৰ মৌন ভূমিকাই ৰহস্যৰ সৃষ্টি কৰিছে।



নগাঁও ভাওনা সমাৰোহৰ লাইখুঁটা স্থাপন

## সদৌ অসম কলিতা আলপাইন জনগোষ্ঠী সন্মিলনৰ তামুলপুৰ জিলা সমিতিৰ কাৰ্যভাৰ গ্ৰহণ

**ই-সংবাদ, তামুলপুৰ, ২ মাৰ্চঃ** সদৌ অসম কলিতা আলপাইন জনগোষ্ঠী সন্মিলনৰ অন্তৰ্গত তামুলপুৰ জিলা সমিতিৰ উপ-সভাপতি প্ৰদীপ বায়নৰ পৌৰোহিত্যত আজি সন্মিলনৰ স্থায়ী কাৰ্যালয়ত এখন সাধাৰণ সভা অনুষ্ঠিত হৈ যায়। মোহন কলিতাই আঁতধৰা সভাখনত জিলা সমিতিৰ সদস্যসকল উপস্থিত থাকে। সাধাৰণ সভাত আগন্তুক তুলসীবাৰী অধিবেশনখন সফল কৰাৰ কাৰণে তামুলপুৰ জিলা সমিতিয়ে কিছু পৰিকল্পনা যুগুত কৰে। তদুপৰি সমিতিৰ আগন্তুক কাম-কাজক লৈ আলোচনা কৰা হয়। তামুলপুৰ জিলা সমিতিৰ বিগত ৩১ জানুৱাৰী আৰু ১ ফেব্ৰুৱাৰীত কুমাৰীকাটা আঞ্চলিক সমিতিৰ আতিথ্যত অনুষ্ঠিত জিলা অধিৱেশন সন্দৰ্ভতো বিতং আলোচনা কৰাৰ লগতে উক্ত অধিৱেশনৰ প্ৰতিনিধি সভাই নিৰ্বাচিত কৰা নতুন সমিতিখনক আজি পুৰণি সমিতিয়ে কাৰ্যভাৰ অৰ্পণ কৰে। নতুন জিলা সমিতিৰ সভাপতি ভূপেন্দ্ৰ কলিতা আৰু সাধাৰণ সম্পাদক মুকুট কাৰ্জীয়ে নতুন সমিতিৰ হৈ কাৰ্যভাৰ গ্ৰহণ কৰে। আজিৰ সাধাৰণ সভাত পৰ্যবেক্ষক হিচাপে কেন্দ্ৰীয় সমিতিৰ প্ৰচাৰ সম্পাদক নৃপেন বৰাৰ উপৰিও জিলা আৰু আঞ্চলিক সমিতিৰ বিষয়ববীয়াসকল উপস্থিত থাকে।

## ভৈৰৱকুণ্ড বাথৌ মন্দিৰৰ তোৰণৰ আধাৰশিলা স্থাপন



**ই-সংবাদ, ওদালগুৰি, ২ মাৰ্চঃ** ওদালগুৰি জিলাৰ অন্তৰ্গত ভৈৰৱকুণ্ড বাথৌ মন্দিৰৰ মূল তোৰণৰ আজি আধাৰশিলা স্থাপন কৰা হয়। স্বৰ্গীয় লোকেন্দ্ৰ মোছাহাৰীৰ সোঁৱৰণত স্থাপন হ'বলগীয়া উক্ত তোৰণৰ আধাৰশিলা স্থাপন কৰে ওদালগুৰিৰ বিশিষ্ট ব্যৱসায়ী মিনন মোছাহাৰীয়ে। উল্লেখ্য যে মোছাহাৰীয়ে পিতৃৰ সোঁৱৰণত প্ৰদান কৰা উক্ত তোৰণখন কেবা লক্ষাধিক টকা ব্যয়সাপেক্ষে আটকধুনীয়া ৰূপত সজাই তোলাৰ কথা উল্লেখ কৰে। লগতে তেওঁ কয় যে ভৈৰৱকুণ্ড বাথৌ মন্দিৰৰ এয়া এক অতি প্ৰয়োজন আছিল। সমিতিৰপৰা বিষয়টো সন্দৰ্ভত অৱগত হোৱাত এই মহৎ কাৰ্য সৌভাগ্য হিচাপে লৈ আগবাঢ়িলো। আগন্তুক অতি কম সময়ৰ ভিতৰত ৰাইজৰ বাবে উক্ত আটকধুনীয়া তোৰণখন মুকলি কৰা হব। লগতে তেখেতে আগন্তুক দিনবোৰত বাথৌ মন্দিৰটোৰ উত্তৰণ কামনা কৰে। আজিৰ এই অনুষ্ঠানত ওদালগুৰি জিলা বাথৌ মহাসভাৰ সভাপতি গহীন চন্দ্ৰ বড়ো, সাধাৰণ সম্পাদক অৰুণ দৈমাৰী, উপদেষ্টা চিৰি দৈমাৰী, কন্দুৰাম বড়োৰ লগতে ৰামনিৱাস আগৰৱালা, কৃষ্ণ আগৰৱালা, বেদ প্ৰকাশ আগৰৱালা, দিনা আগৰৱালাৰ তথা বহু বিশিষ্ট লোক উপস্থিত থাকে।

## ৰোহিনী মেধি সোঁৱৰণী বঁটাৰ বাবে গ্ৰন্থ আহ্বান

**ই-সংবাদ , নলবাৰী, ২ মাৰ্চঃ** অসমৰ আগশাৰীৰ সাহিত্য-সংস্কৃতিমূলক অনুষ্ঠান বাসনা সাহিত্য গোষ্ঠীয়ে সদৌ অসম সাংবাদিক সন্থা (আজু), নলবাৰী জিলা সাংবাদিক সন্থা আৰু নলবাৰী জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, বিশিষ্ট সাংবাদিক, সাহিত্যিক, সমাজকৰ্মী, সমাজ সংগঠক তথা গৰীৱৰ বন্ধু ৰোহিনী মেধিৰ সোঁৱৰণত প্ৰতিবছৰে প্ৰদান কৰি অহা ৰোহিনী মেধি সোঁৱৰণী বঁটা-২০২৫ৰ বাবে গ্ৰন্থ আহ্বান কৰিছে উদ্যোক্তাসকলে। ইচ্ছুক প্ৰতিযোগিসকলে বঁটাৰ বাবে ২০১৫ চনৰ পৰা বৰ্তমানলৈকে প্ৰকাশ পোৱা নিজৰ মৌলিক গ্ৰন্থৰ তিনিটা কপি অহা ৩১ মাৰ্চৰ আগতে পোৱাকৈ কৰবী দাস মেধি, সহকাৰী সম্পাদিকা, বাসনা সাহিত্য গোষ্ঠী, ৱাৰ্ড নং-৮, ডাকঘৰ-কাজিপাৰা, জিলা-নলবাৰী (অসম), পিন-৭৮১৩৪১, দূৰভাষ--৯৮৬৪৯২৫০৫৬ এই ঠিকনাত প্ৰেৰণ কৰিবলৈ এক প্ৰেছ বিজ্ঞপ্তিযোগে জনাইছে। এই বঁটা অহা ৬ জুন তাৰিখে আবেলি তিনি বজাত গুৱাহাটী প্ৰেছ ক্লাবত বিশিষ্ট সাংবাদিক প্ৰয়াত ৰোহিনী মেধিৰ দশম মৃত্যু বাৰ্ষিকী তিথিত প্ৰদান কৰা হ'ব বুলি বাসনা সাহিত্য গোষ্ঠীৰ উদ্যোক্তাসকলে বিবৃতিত উল্লেখ কৰিছে।

## তিনিচুকীয়া জিলাৰ হাঁহখাটীত নিষিদ্ধ পপী খেতি

**ই-সংবাদ, কাকপথাৰ, ২ মাৰ্চঃ** তিনিচুকীয়া জিলাৰ শদিয়া আৰক্ষী জিলা প্ৰশাসনৰ অধীনস্থ ধলা আৰক্ষী থানাৰ এলেকাধীন হাঁহখাটী সংৰক্ষিত বনাঞ্চলৰ প্ৰায় আধা বিঘা মাটিত কৰা নিষিদ্ধ পপী খেতি কাকপথাৰ আৰক্ষীয়ে গোপন সূত্ৰে খবৰ লাভ কৰি নষ্ট কৰে। কাকপথাৰ আৰক্ষীয়ে পপী খেতি নষ্ট কৰি শদিয়া আৰক্ষী, জিলা প্ৰশাসনৰ সৈতে যোগাযোগ কৰে। প্ৰাপ্ত খবৰ অনুসৰি, শদিয়া আৰক্ষী জিলা প্ৰশাসনৰ অধীনৰ ধলা আৰক্ষী থানাৰ অন্তৰ্গত হাঁহখাটী কচুচুপ বজালতলি গাঁৱৰ নিবাসী জিতেন বৰুৱা (৬০) নামৰ এজন ব্যক্তিয়ে হাঁহখাটী সংৰক্ষিত বনাঞ্চলৰ মাটিত কাকপথাৰৰ সীমান্তত অতি সংগোপনে দীৰ্ঘদিন ধৰি নিষিদ্ধ পপী খেতি কৰি আহিছিল। পপী গছৰ গুটিৰপৰা ওলোৱা আঠাৰে জিতেন বৰুৱাই দীৰ্ঘদিন ধৰি কানিৰ এক ৰমৰমীয়া ব্যৱসায় অব্যাহত ৰাখি সামাজিক পৰিৱেশ বিনষ্ট কৰি আহিছিল বুলি অভিযোগ উত্থাপন হৈছে। অৱশেষত এশ গৰু মাৰিলে বাঘৰো মৰণ এই আপ্তবাক্য শাৰীকে সত্য বুলি প্ৰমাণ কৰি কাকপথাৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া মনোজ ফুকনৰ নেতৃত্বত কাকপথাৰ আৰক্ষী আৰু ধলা আৰক্ষী থানাৰ এটা যুটীয়া অভিযানকাৰী দলে কালি নিশা এক গোপন সূত্ৰৰ পমখেদি হাঁহখাটী সংৰক্ষিত বনাঞ্চলৰ ভিতৰত প্ৰৱেশ কৰি নিষিদ্ধ এই পপী খেতি উদ্ধাৰ কৰিবলৈ সক্ষম হোৱাৰ লগতে এই খেতিৰ সৈতে জড়িত জিতেন বৰুৱাকো গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। সম্প্ৰতি নিষিদ্ধ পপী খেতিয়ক জিতেন বৰুৱাক ধলা আৰক্ষীয়ে আজি জে'ললৈ প্ৰেৰণ কৰাৰ লগতে পপী খেতিডৰা নষ্ট কৰে।

# ছিপাঝাৰৰ শিক্ষক প্ৰসন্ন শৰ্মাৰ ৰাজহুৱা বিদায় সম্বৰ্ধনা অনুষ্ঠান সম্পন্ন

**ই-সংবাদ, দুমুনিচকী ২ মাৰ্চঃ** ছিপাঝাৰ শিক্ষাখণ্ডৰ অধীনস্থ বাজানা পথাৰ মণ্ডল সমল কেন্দ্ৰ অন্তৰ্গত টেকেলীয়া কুৰ গ্ৰেণ্ট মধ্য ইংৰাজী বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক প্ৰসন্ন শৰ্মাৰ গাম্ভীৰ্যপূৰ্ণ অৱসৰকালীন বিদায় সম্বৰ্ধনা সভা আজি অনুষ্ঠিত হৈ যায়। বিদ্যালয়খনৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক ভূপাল ছেত্ৰীৰ সভাপতিত্বত অনুষ্ঠিত ৰাজহুৱা বিদায় সম্বৰ্ধনা সভাত ছিপাঝাৰ মহাবিদ্যালয়ৰ জ্যেষ্ঠ অধ্যাপক, শিক্ষাবিদ, সাহিত্যিক, সুবক্তা ড০ প্ৰসন্ন কুমাৰ নাথ মুখ্য অতিথি হিচাপে উপস্থিত থাকি শিক্ষকৰ কৰ্তব্য আৰু সামাজিক দায়বদ্ধতা সম্পৰ্কত তত্বগধুৰ আৰু মননশীল বক্তব্য প্ৰদান কৰে। লগতে প্ৰসন্ন শৰ্মাৰ বিদায় সম্বৰ্ধনা অনুষ্ঠানটি আড়ম্বৰপূৰ্ণভাৱে আয়োজন কৰি ৰাজহুৱাভাৱে নিষ্ঠাৱান শিক্ষককলৈ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰি টেকেলীয়া কুৰ গ্ৰেণ্ট গাঁৱৰ ৰাইজে এক মহৎ উদাহৰণ দাঙি ধৰা বুলি শলাগ লয়। সভাত বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰি কুৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ তথা টেকেলীয়া কুৰ গ্ৰেণ্ট নিবাসী অঞ্চলটোৰ বিশিষ্ট সমাজকৰ্মী বল বাহাদুৰ ছেত্ৰীয়ে টেকেলীয়া কুৰ গ্ৰেণ্ট মধ্য ইংৰাজী বিদ্যালয়ৰ ইতিবৃত্ত আৰু প্ৰসন্ন শৰ্মাৰ কৰ্মজীৱনৰ ওপৰত সুন্দৰ পৰ্যালোচনা আগবঢ়ায়। সভাত সদৌ অসম গোৰ্খা ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় উপদেষ্টা বীৰেন্দ্ৰ চুৰুৱা, কুৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ হৰেণ চন্দ্ৰ দাস, খলিহৈ আঞ্চলিক হাইস্কুলৰ প্ৰধান শিক্ষক দ্বীপেন ৰাজবংশীয়ে উপস্থিত থাকি বক্তব্য প্ৰদান কৰে। চাৰি শতাধিক লোকৰ উপস্থিতিত অনুষ্ঠিত বিদায় সম্বৰ্ধনা সভাত লেঙা-কুৰুৱা উচ্চ মাধ্যমিক বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক মন বাহাদুৰ



ছেত্ৰী, লুইতপৰীয়া মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক বিকাশ ছেত্ৰী, খলিহৈ অনুসূচীত জাতি জনজাতি মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক পলাশ চন্দ্ৰ বড়ো, কুৰুৱা মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়ক অজিত কুমাৰ নাথ, কুৰুৱা মজলীয়া বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক সাগৰ পাল, ১ নং শুক্তাগুৰি মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক ৰাজেন ভট্টৰায়, খলিহৈ আঞ্চলিক আদৰ্শ বিদ্যালয়ৰ অধ্যক্ষ মুকুট ডেকা, গ্ৰেণ্ট প্ৰাথমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক ৰণ বাহাদুৰ ছেত্ৰী, কিৰাকাটা প্ৰাথমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক ফণীধৰ কলিতা আদিকে ধৰি অনেক বিশিষ্ট লোক উপস্থিত থাকে। বিদ্যালয়খনৰ জ্যেষ্ঠ শিক্ষক দেৱ কুমাৰ চুৰুৱা আৰু বাজানা পথাৰ মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়ক ধকমান শ্ৰেষ্ঠই আঁতধৰা বিদায় সম্বৰ্ধনা সভাত বিদ্যালয়খনৰ শিক্ষক গোট, সকলো ছাত্ৰ-ছাত্ৰী, বহুতো প্ৰাক্তন ছাত্ৰ-ছাত্ৰী, অভিভাৱক-অভিভাৱিকা, বিদ্যালয় পৰিচালনা সমিতিৰ সকলো বিষয়ববীয়া, ন-গোঁসাই মীন পৰিচালনা সমিতি, দুৰ্গাপূজা সমিতি, বাজানা পথাৰ আৰু কুৰুৱা মণ্ডল সমল কেন্দ্ৰৰ অন্তৰ্গত বিদ্যালয়বোৰৰ তৰফৰপৰা প্ৰসন্ন শৰ্মাক উষ্ম অভিনন্দন তথা বিদায় সম্বৰ্ধনা জনায়।

# নলবাৰীৰ আঞ্চলিক বন বিভাগত অনিয়ম ধনদাবীৰে ডাম্পাৰ জব্দ কৰাক কেন্দ্ৰ কৰি অপ্ৰীতিকৰ পৰিস্থিতি

**ই-সংবাদ, নলবাৰী, ২ মাৰ্চঃ** নলবাৰী আঞ্চলিক বন বিভাগত সংঘটিত অনিয়ম কাৰ্যই সচেতন ৰাইজক হতচকিত কৰি তুলিছে। অভিযোগ অনুসৰি জিলা আয়ুক্ত-প্ৰশাসনৰ চকুত ধূলি দি বিগত প্ৰায় ডেৰ মাহত জিলাখনৰ বিভিন্ন ঠাইৰপৰা অবৈধভাৱে বালি-মাটি কঢ়িওৱা ডাম্পাৰ, ট্ৰেক্টৰ, জেচিবি জব্দ কৰি বিভাগীয় ওফেন্সৰ নামত অতি নগণ্য জৰিমনা নিৰ্ধাৰণ কৰি গাড়ী মুকলি কৰি দিয়া হৈছে। চৰকাৰৰ বন বিভাগৰ নিয়ম মতে জব্দ কৰা অবৈধ মালভৰ্তি একোখন ডাম্পাৰে নিম্নতম ৫০ হাজাৰৰ পৰা ১ লাখ টকাপৰ্যন্ত ৰয়েলিটিসহ জৰিমনা আদায় দিব লাগে। তেনেস্থলত, মাত্ৰ ১০-২০ হাজাৰ টকা জৰিমণা আদায় লোৱাৰ গুৰুতৰ অভিযোগ উঠিছে। লক্ষ্যণীয়ভাৱে এনে নগণ্য জৰিমণাতে মুকলি কৰি দিয়া বাহনৰ গৰাকীৰ লগত বন বিভাগৰ গোপন ধনৰ লেনদেন থকা বুলি চৰ্চিত হৈছে। ইয়াৰ ফলত ওফেন্সৰ নামত নলবাৰী আঞ্চলিক বন বিষয়াৰ কাৰ্যালয়ৰপৰা চৰকাৰে হেৰুৱাইছে লক্ষ লক্ষ টকাৰ ৰাজহ। এই বিষয়ে চৰকাৰী পক্ষই অথবা বিভাগীয় ঊৰ্ধ্বতন কৰ্তৃপক্ষই ওফেন্সৰ নামত অন লাইনত আদায় দিয়া জৰিমনাৰ তথ্য তদন্ত কৰিলে অনিয়মবিষয়টো পৰিস্কাৰ হৈ বুলি সচেতন ৰাইজে মন্তব্য কৰিছে। এনে অভিযোগ উত্থাপন হোৱাৰ সময়তে বৃহস্পতিবাৰে নিশা জিলাখনৰ টিহুৰ এটা ইটাভাটাৰ মাটি কঢ়িওৱা এখন ডাম্পাৰৰপৰা নৈশ তহলদাৰী বনকৰ্মীৰ দলে ধনদাবী কৰাক কেন্দ্ৰ কৰি এক হাহাকাৰ অৱস্থাৰ সৃষ্টি হয়। আৰক্ষী সূত্ৰৰ বাতৰি মতে মাজনিশা কেইবাজনো বনকৰ্মী এচাম ৰাইজৰ ৰোষত পৰিবলগীয়া হয়। অভিযোগ অনুসৰি নলবাৰী আঞ্চলিক বন বিভাগৰ বনৰক্ষী তপন শৰ্মা, অবিনাশ কলিতাৰ নেতৃত্বত উক্ত জব্দকৃত ডাম্পাৰখন ৰাষ্ট্ৰীয় ঘাইপথৰ প্ৰায় মাজভাগতে ৰখাই চালকজনক ডাম্পাৰৰ চাবিসহ নলবাৰীৰ আঞ্চলিক বন বিভাগে ব্যৱহাৰ কৰা বলেৰ' বাহনত বলপূৰ্বক উঠাই বৰমাৰ ওচৰলৈ অনা হয়। এই কাৰ্যত চালকজন প্ৰাণৰ সংশয়ত শংকিত হৈ পৰে। পিছত ঘাইপথৰ ওপৰত ৰখাই থোৱা গাড়ীখন আৰু গাড়ীৰ ভিতৰত চালক নোহোৱাক লৈ হাহাকাৰ অৱস্থাৰ সৃষ্টি হয়। অসুবিধাৰ সৃষ্টি হয় ব্যস্ত ৰাষ্ট্ৰীয় ঘাইপথটোৰে যান-বাহন চলাচলত। পিছত ডাম্পাৰৰ মালিকে ঘটনাৰ খবৰ পাই নিয়মমতে ৰয়েলেটি জমা দিয়া পিছতো গাড়ী জব্দ কৰাত ক্ষুণ্ণ হৈ বন বিভাগক বিষয়টো ফোনযোগে অৱগত কৰে। বন বিভাগৰ এনে কাৰ্যত এচাম সচেতন লোকে প্ৰতিবাদ কৰাত মাজনিশা পৰিস্থিতি উত্তপ্ত হৈ পৰে। তেনে সময়তে এটা আৰক্ষীৰ দল উপস্থিত হৈ পৰিস্থিতি স্বাভাৱিক কৰি তোলে বন কৰ্মচাৰীকেইজনক নিৰাপদে উভতাই পঠায়। এনে পৰিস্থিতি ঘটাৰ পূৰ্বে সেইদিনা নিশাই বনৰক্ষীৰ দলটোৱে জব্দ কৰা আন এখন মাটি কঢ়িওৱা ডাম্পাৰ পুৱতি নিশা নলবাৰী আঞ্চলিক বন বিভাগৰ কাৰ্যালয়ৰপৰা ওফেন্স নকৰাকৈ মুকলি কৰি দিয়াক লৈয়ো বিশেষ চৰ্চা হৈছে ৰাইজৰ মাজত। ইপিনে, ৰাজপথত ডাম্পাৰ ৰখাই চালকক এক প্ৰকাৰ অপহৰণৰ কাইদাৰে উঠাই অনাৰ অভিযোগ তুলি ঘটনাৰ সন্দৰ্ভত বাহনৰগৰাকীয়ে ৰঙিয়াস্থিত বন সংমণ্ডল বিষয়াক অৱগত কৰাত বিষয়াগৰাকীয়ে উচিত ব্যৱস্থা গ্ৰহণ কৰিব বুলি আশ্বাস দিয়ে। বনমন্ত্ৰী চন্দ্ৰ মোহন পাটোৱাৰীৰ গৃহ জিলাত ৰয়েলেটি আদায়, ওফেন্সৰ নামত বৃহৎ পৰিমাণৰ ৰাজহ হেৰুওৱা বিষয়টো তদন্ত কৰাৰ বাবে সচেতন ৰাইজে দাবী জনাইছে।

## ছিপাঝাৰৰ পিঠাখোৰাত শিৱৰাত্ৰি আৰু শনি পূজা উদযাপন

**ই-সংবাদ, ছিপাঝাৰ, ২ মাৰ্চঃ** দৰং জিলাৰ বৃহত্তৰ হাজৰিকাপাৰা অঞ্চলৰ পিঠাখোৰাত পিঠাখোৰা শিৱ মন্দিৰ পৰিচালনা সমিতিৰ উদ্যোগত যোৱা ২৬ ফেব্ৰুৱাৰী আৰু ১ মাৰ্চত বৰ্ণাঢ্য কাৰ্যসূচীৰে শিৱৰাত্ৰি আৰু শনিপূজা উদযাপন কৰা হয়। উদযাপন সমিতিৰ সভাপতি বীৰেন্দ্ৰ ডেকা আৰু সম্পাদক কমলেশ্বৰ বণিয়াই জনোৱা অনুসৰি, প্ৰথমদিনা পুৱা পৰিৱেশ নিকাকৰণ, থানৰ প্ৰৱেশ দ্বাৰ উন্মোচন, শিখা প্ৰজ্বলন, থানৰ পতাকা উত্তোলন, ধৰ্মধ্বজা উত্তোলন, কাৰ্যালয়ৰ দ্বাৰ উন্মোচন, গছপুলি ৰোপণ, শিৱ পুৰাণ পাঠ আৰু সন্ধিয়া শিৱ পূজা সমাপন কৰা হয়। আনহাতে, দ্বিতীয় দিনা পুৱা পৰিৱেশ নিকাকৰণ, ধৰ্মধ্বজা উত্তোলন, নৈবদ্য অৰ্পণ, আবেলি মহিলাৰ নাগাৰা নাম পৰিৱেশন, শনি মন্দিৰৰ দ্বাৰ উন্মোচন, সন্ধিয়া বন্তি প্ৰজ্বলন আৰু নিশা শনি পূজা সমাপন কৰা হয়। দুয়োটা দিনৰ কাৰ্যসূচীত ভক্তিপ্ৰাণ ৰাইজৰ উপস্থিতি আৰু সহযোগিতা আছিল উল্লেখনীয়।



তামুলপুৰ, বাগচা আৰু ওদালগুৰিৰ অস্থায়ী গাঁওপ্ৰধানসকলৰ গুৰুত্বপূৰ্ণ সভা

# ৰমজান মাহত মূল্যবৃদ্ধি! অসাধু ব্যৱসায়ীৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰ দাবী

**ই-সংবাদ, মোৰাঝাৰ, ২ মাৰ্চঃ** প্ৰতিবছৰৰ দৰে এইবাৰো পিছপৰি থকা নাই অসাধু ব্যৱসায়ী। এইবাৰো ৰমজান মাহ আৰম্ভ হোৱাৰ লগে লগে ইয়াৰ সুবিধা লৈ একাংশ অসাধু ব্যৱসায়ীয়ে মূল্যবৃদ্ধি কৰাৰ ৰাজহুৱা অভিযোগ উঠিছে। এইক্ষেত্ৰত যোগান বিভাগৰো কোনো কাণসাৰ নাই। হোজাই জিলাৰ বিভিন্ন প্ৰান্তৰ লগতে হোজাই চহৰ, ডবকা চহৰ, নীলবাগান, মোৰাঝাৰতো অভাৱনীয়ভাৱে মূল্যবৃদ্ধিৰ অভিযোগ তুলিছে সচেতন ৰাইজে। উল্লেখ্য যে মোৰাঝাৰ দৈনিক বজাৰ আৰু সপ্তাহিক বজাৰত অত্যাৱশ্যকীয় সামগ্ৰীকে ধৰি ফলমূল, পাচলি আৰু মাছৰ মূল্যবৃদ্ধিৰ অভিযোগ তুলিছে সচেতন ৰাইজে। হোজাই জিলা প্ৰশাসন তথা যোগান বিভাগক ব্যৱস্থাগ্ৰহণৰ দাবী জনাইছে স্থানীয় ৰাইজ আৰু দল-সংগঠনে।

# তামুলপুৰ, বাগচা, ওদালগুৰিৰ অস্থায়ী গাঁওপ্ৰধানসকলৰ গুৰুত্বপূৰ্ণ সভা

**ই-সংবাদ, তামুলপুৰ, ২ মাৰ্চঃ** তামুলপুৰ জিলা সদৰত আজি তামুলপুৰ, বাগচা আৰু ওদালগুৰি জিলাৰ ভাৰপ্ৰাপ্ত গাঁওপ্ৰধানসকলৰ এখন গুৰুত্বপূৰ্ণ সাধাৰণ সভা অনুষ্ঠিত হৈ যায়। জিলা তিনিখনৰ ভাৰপ্ৰাপ্ত গাঁওপ্ৰধান সন্থাৰ সভাপতি অমৰ চন্দ্ৰ বড়োৰ সভাপতিত্বত অনুষ্ঠিত সাধাৰণ সভাখনৰ আঁতধৰে সম্পাদক ৰঞ্জিত ওৱাঙে। তিনিওখন জিলাৰ ২০০গৰাকী ভাৰপ্ৰাপ্ত গাঁওপ্ৰধানে অংশগ্ৰহণ কৰা গুৰুত্বপূৰ্ণ সভাখনত তেওঁলোকৰ গাঁওপ্ৰধানৰ পদ নিয়মীয়াকৰণ কৰি মিহিলি পাৰিতোষিক প্ৰদান কৰাকে ধৰি তেওঁলোকৰ প্ৰধান সমস্যাসমূহক লৈ আলোচনা কৰে। আগন্তুক ছেপ্টেম্বৰ মাহৰ ভিতৰত অসম তথা বিটিআৰ চৰকাৰক তেওঁলোকৰ পদসমূহ নিয়মীয়াকৰণ কৰি স্থায়ী গাঁওপ্ৰধানসকলে পোৱা সকলো সুবিধা প্ৰদান কৰিবলৈ দাবী উত্থাপন কৰে। অন্যথা আগন্তুক ছেপ্টেম্বৰ মাহত অনুষ্ঠিত হ'ব লগা বিটিচি নিৰ্বাচনকে আদি কৰি বিভিন্ন ক্ষেত্ৰত বিধিগত ব্যৱস্থা গ্ৰহণ কৰিব বুলি হুংকাৰ প্ৰদান কৰে। জানিব পৰা মতে, বিগত ২০১২ চনৰে পৰা অস্থায়ীভাৱে গাঁওপ্ৰধান পদত চৰকাৰে নিযুক্তি দিয়াৰেপৰা তেওঁলোকে আজিকোপতি বিনামূলীয়াকৈ জনসাধাৰণৰ সেৱা কৰি আহিছে। একাংশ ভাৰপ্ৰাপ্ত গাঁওপ্ৰধানৰ চৰকাৰী নিৰ্ধাৰিত বয়সো উকলি যোৱাৰ উপক্ৰম হৈছে। আনহাতে, খালী পদসমূহৰ বিপৰীতে অস্থায়ীভাৱে নিযুক্তি লাভ কৰাসকলে ৩/৪ খনকৈ ৰাজহ গাঁৱৰ চৰকাৰী কাম-কাজ চোৱা-চিতা কৰিব লগাত পৰিছে। উপায়ন্তৰ হৈ পৰা ভাৰপ্ৰাপ্ত গাওঁপ্ৰধানসকলে আজি সভাত তেওঁলোকৰ সমস্যাসমূহ সমাধানৰ অৰ্থে কেতবোৰ গুৰুত্বপূৰ্ণ দিশ আলোচনা কৰাৰ লগতে বিটিআৰ চৰকাৰৰ ৰাজহ বিভাগৰ কাৰ্যবাহী সদস্য ৰঞ্জিত বসুমতাৰীক অতিশীঘ্ৰে অস্থায়ীভাৱে কৰ্মৰত ভাৰপ্ৰাপ্ত গাঁওপ্ৰধানসকলৰ পদসমূহ নিয়মীয়াকৰণ কৰি ৰাইজৰ সেৱাত তেওঁলোকক ব্ৰতী হ'বলৈ সুবিধা কৰি দিয়ালৈ দাবী জনাইছে। অন্যথা তেওঁলোকে অহা ছেপ্টেম্বৰ মাহৰ পিছত গণতান্ত্ৰিকভাৱে আন্দোলনৰ কাৰ্যসূচী গ্ৰহণ কৰিবলৈ বাধ্য হ'ব বুলি সকিয়াই দিয়ে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

# কলগাছিয়াৰ বালিকুৰি বজাৰত চোৰৰ চাফাই অভিযান

**ই-সংবাদ, কলগাছিয়া, ২ মাৰ্চঃ** অসমত শাসনাধিস্থিত বিজেপি চৰকাৰে আৰক্ষী বিভাগক যিমানেই উন্নত নকৰক কিয় কিন্তু আৰক্ষীয়ে যে নিজৰ কৰ্তব্য সুকলমে পালন নকৰে তাৰে এক বাস্তৱ নিদৰ্শন দেখুৱাইছে বৰপেটা জিলাৰ কলগাছিয়া আৰক্ষী থানাৰ অন্তৰ্গত আৰু বালিকুৰি আৰক্ষী চকীৰ নিচেই কাষতে থকা বালিকুৰি সাপ্তাহিক বজাৰত সঘনাই হোৱা চুৰিকাৰ্য্যই। জানিব পৰা মতে, বালিকুৰি বজাৰত বহুদিনৰপৰা মাজে-সময়ে চুৰি সংঘটিত হৈ আছে। কিছুদিন আগত এইখন বজাৰতে জাহিদুল ইছলামৰ সোণাৰী দোকানৰ চি চি কেমেৰা আৰু ঘৰৰ দুৱাৰ ভাঙি বহু টকাৰ সামগ্ৰী চুৰি কৰি লৈ যায়। অতি পৰিতাপৰ বিষয় যে যোৱাৰাতি বালিকুৰি বজাৰৰ মূল ৰাস্তাৰ কাষতে থকা বাছেদ আলী আৰু বাহাৰুল ইছলাম নামৰ দুজন লোকৰ কাপোৰৰ দোকানৰ তলা কাটি চোৰে দুয়োখন দোকানৰপৰা চাৰি লক্ষাধিক টকাৰ সামগ্ৰী চুৰি কৰি নিয়ে বুলি ভুক্তভোগী দোকানীৰপৰা জানিব পৰা গৈছে। বালিকুৰি আৰক্ষী চকীৰ গাতে লাগি থকা বালিকুৰি বজাৰত সঘনাই চুৰি হোৱা ঘটনাই দোকানীসকলৰ মাজত এক আতংকময় পৰিৱেশৰ সৃষ্টি হৈছে। তদুপৰি বালিকুৰি আঞ্চলিক হাইস্কুল, বালিকুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু বালিকুৰি বজাৰত বহুতৰে দোকানত চুৰি সংঘটিত হৈ আহিছে যদিও কোনো এজন চোৰক আৰক্ষীয়ে এতিয়ালৈকে গ্ৰেপ্তাৰ কৰিব নোৱাৰাত বৃহত্তৰ বালিকুৰি অঞ্চলৰ সচেতন মহলে আশ্চৰ্য প্ৰকাশ কৰিছে। ঘটনা সংক্ৰান্তত দোকানী দুজনে বালিকুৰি আৰক্ষীক অৱগত কৰিছে বুলি জানিবলৈ দিয়ে। ইতিমধ্যে ঘটনা সংক্ৰান্তত আৰক্ষীৰ তদন্ত অব্যাহত আছে। অনাগত দিনত বালিকুৰি বজাৰ আৰু ইয়াৰ আশে-পাশে থকা গাঁওবোৰত চোৰৰ উপদ্ৰৱ বন্ধ কৰাৰ বাবে আৰক্ষী আৰু ভিডিপিৰ জৰিয়তে তহল দিয়াৰ ব্যৱস্থা কৰাৰ বাবে প্ৰশাসনৰ ওচৰত দোকানীসকলে দাবী জনাইছে।

# মাজুলীত ভ্ৰাম্যমাণ থিয়েটাৰৰ নাট প্ৰদৰ্শনৰ মাজতে বৰষুণৰ বিধিপথালি

**ই-সংবাদ, মাজুলী, ২ মাৰ্চঃ** মাজুলীৰ থিয়েটাৰ চলি থকাৰ মাজতেই প্ৰচণ্ড বৰষুণ, বতাহ আৰু বিজুলীয়ে থিয়েটাৰ পেণ্ডেলত হাহাকাৰ পৰিৱেশৰ সৃষ্টি কৰে। ১ মাৰ্চৰ নিশা মাজুলীৰ দুটা স্থান ক্ৰমে গড়মূৰ আৰু বনগাঁৱত চলি আছিল দুখনকৈ থিয়েটাৰ হেঙুল আৰু ইতিহাস থিয়েটাৰ। থিয়েটাৰ চলি থকাৰ মাজতেই অহা প্ৰচণ্ড বতাহ-বৰষুণে পেণ্ডেলৰ ক্ষতি কৰাৰ লগতে দৰ্শকৰ আসনত ধাৰাসাৰ বৰষুণ পৰাত চলি থকা হেঙুল থিয়েটাৰৰ নাটক আধাতে সামৰিবলৈ বাধ্য হয়। আনহাতে, গড়মূৰত চলি থকা ইতিহাস থিয়েটাৰৰ পেণ্ডেলতো একেই পৰিৱেশ। পেণ্ডেলৰ ভিতৰত ধাৰাসাৰ বৰষুণ পৰাত দৰ্শকে দিকবিদিক হেৰুৱাই পেলায়। পেণ্ডেলৰ ভিতৰত দিৰ্শকে মূৰত চকী লৈ বৰষুণৰপৰা নিজকে ৰক্ষাৰ চেষ্টা কৰে। ক্ষতি হোৱা পেণ্ডেল মেৰামতি কৰি আজি দ্বিতীয় নিশাৰ দৰ্শনীৰ বাবে সাজু হৈছে দুইখন থিয়েটাৰ।

# চেঙাৰ আলোপতিত আৰক্ষীৰ ড্ৰাগছ বিৰোধী অভিযান

**ই-সংবাদ, নগৰবেৰা, ২ মাৰ্চঃ** বৰপেটা জিলাৰ চেঙা সমষ্টিৰ আলোপতিচৰ আৰক্ষী থানাৰ বিভিন্ন এলেকাত দীৰ্ঘদিনৰেপৰা একাংশ লোকে ড্ৰাগছ আৰু নিচাজাতীয় দ্ৰব্যৰ ৰমৰমীয়া বেহা চলাই থকাৰ সময়তে যোৱানিশা আলোপতিচৰ আৰক্ষীয়ে ড্ৰাগছৰ বিৰুদ্ধে এক অভিযান চলাই এজন কুখ্যাত ড্ৰাগছ সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰাৰ লগতে বৃহৎ পৰিমাণৰ নিষিদ্ধ ড্ৰাগছ জব্দ কৰিবলৈ সক্ষম হয়। জানিব পৰা মতে, আলোপতিচৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া দেৱাশিস কাশ্যপৰ নেতৃত্বত ইয়াৰ আলোপতি গাঁৱৰ খৈইমুদ্দিনৰ ঘৰত এক গোপন খবৰৰ ভিত্তিত অভিযান চলায়। অভিযানত আৰক্ষীয়ে খৈইমুদ্দিনৰ পুত্ৰ বাহাৰুলৰ কোঠাৰপৰা ড্ৰাগছভৰ্তি ৪ টা চাবোনৰ বাকচ আৰু ৪৬ টা কণ্টেইনাৰসহ ১৩৬.১৮ গ্ৰাম ড্ৰাগছৰ লগতে কুখ্যাত ড্ৰাগছ ব্যৱসায়ী বাহাৰুল ইছলামক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। জব্দকৃত ড্ৰাগছখিনি ব্ৰাউন ছুগাৰ বা হেৰ'ইন বুলি আৰক্ষীয়ে জানিবলৈ দিয়াৰ লগতে ইয়াৰ বজাৰ মূল্য কেইবা লক্ষাধিক টকা হ'ব। উল্লেখ্য যে মাজে-সময়ে আৰক্ষীয়ে অভিযান চলাই ড্ৰাগছৰ এনে ব্যৱসায়ৰ লগত জড়িত দুই-এজনক গ্ৰেপ্তাৰ কৰিলেও একাংশ সৰবৰাহকাৰীয়ে বৃহত্তৰ চৰাঞ্চলত ড্ৰাগছৰ চোৰাং বেহা অব্যাহত ৰাখিছে। শীঘ্ৰে বৃহত্তৰ চৰাঞ্চলত চলি থকা ড্ৰাগছৰ বেহা সম্পূৰ্ণৰূপে বন্ধ কৰিবলৈ আৰক্ষী প্ৰশাসনক স্থানীয় ৰাইজে দাবী জনাইছে।

# বৈদ্যগড়ত বিশ্বশান্তিৰ বাবে ১২ঘণ্টীয়া কৃষ্ণগুৰু একনাম অখণ্ড কীৰ্তন সম্পন্ন

**ই-সংবাদ, ৰঙিয়া, ২ মাৰ্চঃ** ৰঙিয়াৰ বৈদ্যগড় ৰাজহ চক্ৰৰ অন্তৰ্গত তৰণীস্থিত শাখা কৃষ্ণগুৰু সেৱাশ্ৰমত আজি বিশ্বশান্তিৰ বাবে বাৰঘণ্টীয়া কৃষ্ণগুৰু একনাম অখণ্ড কীৰ্তন অনুষ্ঠিত কৰা হয়। তদুপলক্ষে আয়োজিত কাৰ্যসূচী অনুসৰি পুৱা ৫.৫০ বজাত শ্ৰীমদ্ভাগৱত সাৰ প্ৰতিষ্ঠা কৰা হয়। ইয়াৰ পিছতে ৬ বজাত কৃষ্ণগুৰু জয়ধ্বনিৰে অখণ্ড কীৰ্তন আৰু নাম জপৰ আৰম্ভণি কৰা হয়। ৰঙিয়া, নলবাৰী, বৰপেটা, মঙলদৈ, লখিমপুৰকে ধৰি ৰাজ্যৰ ভিন্ন প্ৰান্তৰপৰা সমাগম ঘটা অগণন ভক্তৰ সমাৱেশেৰে উদুলি-মুদুলি হৈ পৰে সেৱাশ্ৰম প্ৰাংগণ। ইফালে, কাৰ্যসূচীত গুৰুকৃষ্ণ প্ৰেমানন্দ প্ৰভু উপস্থিত থাকি সমৱেত ভকতসকলক





ভক্তসকলৰ সৈতে একনাম কীৰ্তনত অংশগ্ৰহণ কৰে। ইয়াৰ পূৰ্বে বিধায়কগৰাকীক আদৰণি জনাই পৰিচালনা সমিতিয়ে। সন্ধিয়া ৬ বজাত কৃষ্ণগুৰু কাকুতি ঘোষা আৰু জয়ধ্বনিৰে অনুষ্ঠানৰ পৰিসমাপ্তি ঘটে। ইফালে কাৰ্যসূচী উপলক্ষে দিনৰভাগত ভকতসকলৰ মাজত প্ৰসাদ আৰু সিদ্ধান্নও বিতৰণ কৰা হয়। আনহাতে, অনুষ্ঠানত স্থানীয় বিধায়ক ভবেশ কলিতা উপস্থিত থাকি

# শিমলীতোলাৰ চৰাঞ্চলত সাৰৰ ক'লা বেহা অব্যাহত

**ই-সংবাদ, শিমলীতোলা, ২ মাৰ্চঃ** দক্ষিণ বৰপেটাৰ চেঙাৰ ভাতনাপাইতি ধৰ্মপুৰ আৰু বাঘমাৰা চৰত গাওঁ পঞ্চায়তৰ চৰকাৰী অনুজ্ঞা-পত্ৰ থকা সাৰ ব্যৱসায়ীসকলে খেতিয়কৰ চাহিদা অনুপাতে পৰ্যাপ্ত সাৰ যোগান ধৰিব নোৱাৰাত বিমোৰত পৰিছে কৃষকসকল। দক্ষিণ বৰপেটাৰ বৃহত্তৰ চৰাঞ্চলৰ প্ৰায় ৯০ শতাংশ মানুহ কৃষিৰ ওপৰত নিৰ্ভৰশীল। লক্ষাধিক কৃষকে মাঘৈ, ইৰিধান ইত্যাদি বিভিন্ন খেতি কৰোতে প্ৰতিদিনে বৃহৎ পৰিমাণৰ ইউৰীয়া সাৰৰ প্ৰয়োজন হয় যদিও জিলা মাৰ্কেটিং ব'ৰ্ডৰ ফালৰপৰা প্ৰতি অনুজ্ঞা-পত্ৰৰ বিপৰীতে মাহে মাত্ৰ ২০ ৰপৰা ২৫ বস্তা ইউৰিয়া সাৰৰ যোগান ধৰে। যাৰফলত কৃষকৰ চাহিদা অনুপাতে পৰ্যাপ্ত সাৰ যোগান ধৰিব নোৱাৰাত বৃহৎ ক্ষতিৰ সন্মুখীন হোৱাৰ আশংকা ব্যক্ত কৰাৰ লগতে সুলভ মূল্যত প্ৰায় ২৬৬ টকা যদিও কৃষকসকলে ৫০০ ৰপৰা ৭০০ টকা বস্তা ক্ৰয় কৰিব লগা হোৱাত আৰ্থিকভাৱে লোকচানৰ সন্মুখীন হ'বলগা হোৱাত মূৰে-কপালে হাত দিবলগীয়া হৈছে কৃষকসকলে। ইতিমধ্যে বৰপেটা জিলাত অসাধু বিষয়াৰে মিলি কিছু অনুজ্ঞা-পত্ৰ থকা সাৰৰ দোকানীয়ে ইউৰিয়া সাৰৰ ক'লা বজাৰ আৰম্ভ কৰি কৃত্ৰিম নাটনি দেখাই গোপনে অধিক দামত বিক্ৰী কৰা বাতৰি সম্প্ৰচাৰ হৈ আহিছে যদিও চকু মুদা কুলিৰ ভাও ধৰিছে বৰপেটা জিলা মাৰ্কেটিং ব'ৰ্ডে। অৱশ্যে দক্ষিণ বৰপেটাৰ অনুজ্ঞা-পত্ৰ থকা সাৰৰ দোকানীসকলে উক্ত অভিযোগ নস্যাৎ কৰি কোনো কাৰণতে ক'লা বজাৰৰ লগত জড়িত নহয় বুলি দাবী কৰে। যদি সঁচাকৈয়ে অনুজ্ঞা-পত্ৰ থকা সাৰৰ দোকানীসকলে বৃহৎ ক'লা বজাৰৰে জড়িত নহয় তেন্তে কোনো তৃতীয় পক্ষ আছে নেকি বুলি প্ৰশ্ন উত্থাপন হৈছে। সাৰৰ ক'লা বজাৰৰে জড়িতসকলক চিনাক্ত কৰি উপযুক্ত শাস্তি দিবলৈ স্থানীয় কৃষক ৰাইজে বিভাগীয় মন্ত্ৰী আৰু জিলা মাৰ্কেটিং ব'ৰ্ডক দাবী জনাইছে।

# ডিমাকুছিত অঘটন ধুমুহাত নিহত এগৰাকী মহিলা

**ই-সংবাদ, ডিমাকুছি, ২ মাৰ্চঃ** ওদালগুৰি জিলাৰ ডিমাকুছিত আজি আবেলি হঠাৎ অহা এজাক ধুমুহাই প্ৰাণ ল'লে এগৰাকী মহিলাৰ। বতৰ পৰিৱৰ্তনে ৰাজ্যৰ ভিন্নপ্ৰান্তত তাণ্ডৱ চলোৱা পৰিলক্ষিত হৈছে। ধুমুহা-গাজনিয়ে বিস্তৰ ক্ষতি কৰিছে ৰাজ্যৰ বহু অঞ্চল। আজি আবেলি ভাগত অহা এজাক ধুমুহাই জোকাৰি গ'ল বৃহত্তৰ ভেৰগাঁৱৰ ডিমাকুছি, বগৰীতল আৰু ইয়াৰ দাঁতি-কাষৰীয়া অঞ্চলক। ধুমুহাৰ মাজতে ডিমাকুছিৰ বগৰীতলত সংঘটিত হয় এই শোকাৱহ ঘটনা। ডিমাকুছিত সংঘটিত এই ঘটনাত প্ৰাণ হেৰুৱা মহিলাগৰাকীৰ বয়স ৬৫ বছৰ। পশুধনৰ বাবে দানা সিজাই থকা সময়তে হঠাৎ অহা ধুমুহাত এজোপা তামোল গছ ভাগি মহিলাগৰাকীৰ গাতে পৰে। ফলত থিতাতে মৃত্যু হয় ডিমাকুছিৰ বগৰীতল গাঁৱৰ শুৱলা কলিতা নামৰ মহিলাগৰাকীৰ। এই ঘটনাই অঞ্চলটোত শোকৰ ছাঁ পেলাইছে। ঘটনাস্থলীত ডিমাকুছি আৰক্ষী উপস্থিত হৈ মৃতদেহটোৰ মৰণোত্তৰ পৰীক্ষাৰ ব্যৱস্থা কৰে।

# নগাঁও ভাওনা সমাৰোহৰ লাইখুঁটা স্থাপন, ভাওনা প্ৰদৰ্শন

**ই-সংবাদ, ২ মাৰ্চঃ** অইনবেলিৰ দৰে এইবেলিও নগাঁও ভাওনা সমাৰোহ অনুষ্ঠিত হ'ব। ইতিমধ্যে ব্যাপক প্ৰস্তুতি আৰম্ভ হৈছে। আজি ভাওনা সমাৰোহ লাইখুঁটা স্থাপন কৰা হয়। সাহিত্যিক, শিক্ষাবিদ, সত্ৰীয়া সংস্কৃতিৰ সাধক তিলক চন্দ্ৰ মজুমদাৰ, নগাঁও সদৰ সমষ্টিৰ প্ৰাক্তন বিধায়ক দুৰ্লভ চমুৱাৰ উপস্থিতিত লাইখুঁটা স্থাপন কৰা হয়। ১৮, ১৯ আৰু ২০ মাৰ্চত তিনিদিনীয়াকৈ অনুষ্ঠিত হ'বলগীয়া ত্ৰয়োদশ বাৰ্ষিক নগাঁও ভাওনা সমাৰোহৰ লাইখুঁটা স্থাপনত কাৰ্যসূচীত নগাঁৱৰ বিভিন্ন প্ৰান্তৰ গণ্য-মান্য লোক উপস্থিত থাকে। শ্ৰীমন্ত শংকৰদেৰৰ অপূৰ্ব সৃষ্টি অংকীয়া ভাওনা নগাঁও চহৰৰ কলঙৰ বাকৰি নেহেৰুবালিত অনুষ্ঠিত হ'ব। প্ৰচাৰ আৰু প্ৰসাৰ কৰা লক্ষ্যৰে নগাঁৱত এই ভাওনা সমাৰোহখন উদযাপন কৰি অহা হৈছে। নগাঁও ভাওনা সমাৰোহ নগাঁও সদৰ সমষ্টিৰ প্ৰাক্তন বিধায়ক দুৰ্লভ চমুৱাৰ নেতৃত্বত বিশেষকৈ ব্ৰজাৱলী ভাষাত অনুষ্ঠিত হৈ আহিছএ। ভাওনা সমাৰোহত বিপুলসংখ্যক দৰ্শকৰ উপস্থিতিত একেলগে ৯ খন ভাওনা আৰু কেলিগোপাল নাট প্ৰদৰ্শন কৰা হয়।

# বাদুলী খোৰোং উন্নয়ন বাবে বঢ়মপুৰ সমষ্টিৰ বিধায়কৰ কেইবাটাও আঁচনি ঘোষণা

**ই-সংবাদ, কামপুৰ, ২ মাৰ্চঃ** ৰূপলী জয়ন্তী বৰ্ষত ভৰি দিয়া নগাঁও জিলাৰ কন্দলী পাহাৰত অনুষ্ঠিত হৈ থকা বাদুলী খোৰোং মেলাৰ আজি তৃতীয় দিন। যোৱা শুকুৰবাৰৰপৰা অনুষ্ঠিত হোৱা এই মেলাস্থলীত আজিৰ দিনটোত অসমৰ বিভিন্ন স্থানৰপৰা বহুলোকৰ আগমন হোৱাত লোকাৰণ্য হৈ পৰে। ইফালে, আজিৰ দিনটোতে এই ঐতিহাসিক ঠাইখনৰ উন্নয়ন বাবে কেইটাও বৃহৎ আঁচনিৰ কথা ঘোষণা কৰে বঢ়মপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামী আৰু তিৱা স্বায়ত্ব পৰিষদৰ মুখ্য কাযবাহী জীৱন চন্দ্ৰ কোঁৱৰে। তিৱা স্বায়ত্ব পৰিষদৰ জৰিয়তে ২০ লাখ টকা ব্যয় সাপেক্ষে এটা সভাগৃহ নিৰ্মাণৰ কথা ঘোষণা কৰাৰ লগতে বঢ়মপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামীয়ে ইয়াত খোৱাপানী আৰু বিদ্যুতৰ সমস্যা এটা বৰ্ষৰ ভিতৰত সমাধান কৰাৰ আশ্বাস দিয়ে। এই উপলক্ষে অনুষ্ঠিত এখন সভাত বিধায়ক জিতু গোস্বামী আৰু তিৱা স্বায়ত্ব পৰিষদৰ মুখ্য কাৰ্যবাহীগৰাকীয়ে বাদুলী খোৰোঙক মধ্য অসমৰ পৰা বিশ্ব মানচিত্ৰলৈ লৈ যোৱাৰ প্ৰচেষ্টা হাতত লোৱা হ'ব বুলি জানিবলৈ দিয়ে। তিৱা স্বায়ত্ব পৰিষদৰ অধ্যক্ষ মদন বৰদলৈ, তিৱা স্বায়ত্ব পৰিষদৰ প্ৰণৱ জ্যোতি মছৰং, সদস্যদ্বয় ইন্দ্ৰ বৰদলৈ আৰু কমল বৰদলৈ উপস্থিত থকা সভাখনৰ আঁতধৰে সম্পাদক উজ্বল বৰদলৈয়ে।উল্লেখ্য যে জনশ্ৰুতি আৰু ধৰ্মীয় বিশ্বাসক সাৰোগত কৰি ২০০১ চনৰপৰা নগাঁও জিলাৰ কন্দলী পাহাৰত অনুষ্ঠিত কৰি অহা বাদুলী মেলা আৰু পূজাত প্ৰতিবছৰে বহু লোকৰ সমাগম ঘটে। এইবেলি ৰূপলী জয়ন্তী বৰ্ষত ভৰি দিয়া বাদুলী খোৰোং মেলা চাৰিদিনীয়াকৈ অনুষ্ঠিত হৈছে। জনবিশ্বাস মতে, প্ৰাকশংকৰী যুগত প্ৰমিলা নামৰ এগৰাকী নাৰীৰ ৰাজ্য আছিল কন্দলী পাহাৰৰ দাঁতিত। ৰাজ্যখনত সকলো পুৰুষ প্ৰৱেশ কৰা কঠোৰ নিৰ্দেশনা আছিল। এবাৰ এজন ঋষিয়ে কৌতুহল নিৰ্বাপন কৰাৰ বাবে নাৰীৰ ছদ্মবেশেৰে প্ৰমিলাৰ ৰাজ্যত প্ৰৱেশ কৰাত ৰাণীৰ গুপ্তচৰে ঋষিক বন্দী কৰি দৰবাৰলৈ নিয়াত শাস্তিৰূপে ঋষিক দুই ভৰিত বান্ধি গুহাৰ শিলত ওভোটাই ওলমাই থোৱাত ঋষিয়ে অগ্নিশৰ্মা হৈ ৰাণী সহিতে সকলো নাৰী সৈন্যক বাদুলী হৈ শিলত ওলমি থাকিবলৈ অভিশাপ দিয়ে। সেয়ে আজিও কন্দলী পাহাৰত থকা অন্ধকাৰ খোৰোংটোত হাজাৰ-বিজাৰ বাদুলী ওলমি থকা দেখিবলৈ পোৱা যায়। সেই অঞ্চলৰ বাসিন্দাসকলে নিশা পাহাৰৰ খোৰোংটোৰপৰা নাৰীৰ কণ্ঠৰ কান্দোনৰ ৰোল শুনিবলৈ পায়। সেয়ে অভিশপ্ত নাৰী সকলৰ মুক্তিৰ বাবে অঞ্চলৰ ৰাইজে প্ৰতিবছৰৰ শিৱৰাত্ৰিৰ পিছৰ দিনটোৰপৰা তিনিদিনীয়াকৈ অভিশপ্ত নাৰীসকলৰ পাপ মোচনৰ কাৰণে নেদেখাজনক প্ৰাৰ্থনা জনাই আহিছে। এইবাৰ ৰূপালী জয়ন্তী বৰ্ষ হিচাপে অধিক পৰিকল্পিতভাৱে থান পৰিচালনা সমিতিয়ে মেলাখনৰ আয়োজন কৰিছে। আনফালে মেলাৰ লগত সংগতি ৰাখি বিভিন্ন জাতি-জনগোষ্ঠীৰ নৃত্য-গীত প্ৰদৰ্শন কৰা হৈছে। সোমবাৰৰ অন্তিম দিনটোত বিভিন্ন কাৰ্যসূচী ৰখা হৈছে বুলি জানিব দিছে উদযাপন সমিতিয়ে।

## সমূহ ইছলাম ধৰ্মালম্বী অসমবাসীলৈ ৰমজান মাহৰ শুভেচ্ছা মুছাৰ

**ই-সংবাদ, লাহৰীঘাট, ২ মাৰ্চঃ** ধৈৰ্য্য, ত্যাগ, সংযম, সহিষ্ণুতাৰে ভৰপুৰ পবিত্ৰ ৰমজান মাহ উপলক্ষে সমূহ অসমবাসী ইছলাম ধৰ্মালম্বী ৰাইজলৈ শুভেচ্ছা জ্ঞাপন কৰিছে মুছলিম ছাত্ৰ সন্থা, অসমে। শুভেচ্ছা বাৰ্তাটোৰ জড়িয়তে মুছাৰ সভাপতি আশ্বিক ৰাব্বানি আৰু সাধাৰণ সম্পাদক (প্ৰশাসনিক) ৰফিকুল ইছলামে কয় যে পবিত্ৰ ৰমজান মাহ হ'ল ইছলাম ধৰ্মাৱলম্বী লোকসকলৰ বাবে এটি অতি গুৰুত্বপূৰ্ণ মাহ। এই মাহতে বিশ্বৰ প্ৰতিগৰাকী মুছলমান ধৰ্মালম্বী লোকে ৰোজা পালন কৰে আৰু শান্তি-সম্প্ৰীতিৰ হকে আল্লাহৰ ওচৰত প্ৰাৰ্থনা কৰে। সেয়ে এই পবিত্ৰ ৰমজান মাহত সকলো ধৰ্মালম্বী লোকসকলৰ মাজত একতা, শান্তি, সম্প্ৰীতি আৰু ভাতৃত্ববোধৰ এনাজৰীডাল শক্তিশালী হৈ উঠক তাৰবাবে সকলোৰে মংগল কামনা কৰে সংগঠনটোৰ শীৰ্ষক নেতৃত্বই।

## নগাঁও জিলা ব্ৰাহ্মণ সমাজৰ শ্ৰীশ্ৰী মহাবিষ্ণু যজ্ঞৰ মূলস্তম্ভ ৰোপণ কাৰ্যসূচী সমাপন

**ই-সংবাদ, পুৰণিগুদাম, ২ মাৰ্চঃ** নগাঁও জিলা ব্ৰাহ্মণ সমাজৰ উদ্যোগত যাজক উপ-সমিতিৰ সৌজন্যত মহিলা উপ-সমিতিৰ সহযোগত আৰু চলচলি প্ৰাথমিক ব্ৰাহ্মণ সমাজৰ আতিথ্যত অহা ৯, ১০ আৰু ১১ এপ্ৰিলত চলচলি সাৰ্বজনীন দুৰ্গা পূজা মন্দিৰ প্ৰাংগণত শ্ৰীশ্ৰী মহাবিষ্ণু যজ্ঞ আৰু সমূহীয়া উপনয়নৰ আয়োজন কৰা হৈছে। আজি পুৱা শ্ৰীশ্ৰী মহাবিষ্ণু যজ্ঞৰ মূলস্তম্ভ ৰোপণ কৰা হয়। নগাঁও জিলা ব্ৰাহ্মণ সমাজৰ বিভিন্ন আঞ্চলিক আৰু প্ৰাথমিক সমাজৰ পৰা অহা বিষয়ববীয়া আৰু আটাইকেইখন উপ-সমিতিৰ সমূহ বিষয়ববীয়া আৰু চলচলি প্ৰাথমিক ব্ৰাহ্মণ সমাজৰ পুৰুষ-মহিলাৰ উপস্থিতিত অনুষ্ঠিত স্তম্ভ ৰোপণ কাৰ্যসূচীত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে ধৰলী বালিপাৰা সত্ৰৰ সত্ৰাধিকাৰ বনমালী দেৱগোস্বামী। জিলা ব্ৰাহ্মণ সমাজৰ সভাপতি নৰেন্দ্ৰ নাথ শৰ্মা, মুখ্য উপদেষ্টা ৰবীন্দ্ৰ নাথ শৰ্মা, সংস্কৃত পণ্ডিত যজ্ঞপতি শৰ্মা শাস্ত্ৰী, গকুল শৰ্মা শাস্ত্ৰী, জিলা ব্ৰাহ্মণ সমাজৰ কাৰ্যকৰী সভাপতি বেদানন্দ ভাগৱতী, যাজক সমিতিৰ সভাপতি তোযেশ্বৰ শৰ্মাকে ধৰি জিলা সমাজৰ বিভিন্ন বিষয়ববীয়া উপস্থিত থাকে।আয়তীৰ উৰুলী,শংখ, ঘন্টা,ডবা, কাঁহৰ ধ্বনিৰে সৃষ্টি হোৱা এক আধ্যাত্মিক পৰিবেশত অনুষ্ঠিত স্তম্ভ ৰোপণ কাৰ্যসূচীৰ পাছতে জিলা ব্ৰাহ্মণ সমাজৰ সাধাৰণ সভা অনুষ্ঠিত হয়। জিলা সমাজৰ সভাপতি নৰেন্দ্ৰ নাথ শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত সাধাৰণ সভাত উদ্দেশ্য বাখ্যা কৰে সাধাৰণ সম্পাদক দ্বিজেন গোস্বামীয়ে। সভাত মহা বিষ্ণুযজ্ঞ আৰু সমূহীয়া উপনয়ন সাফল্যমণ্ডিত কৰি তোলাৰ বাবে বিভিন্ন সিদ্ধান্ত গ্ৰহণ কৰা হয়।

# বেঁকী নদীত শিল বালি খনন বন্ধ কৰাৰ দাবীত আছু, সাহিত্য সভাৰ মানৱ শৃংখল

**ই-সংবাদ, বৰপেটাৰোড, ২ মাৰ্চঃ** বৰপেটাৰোডৰ উত্তৰ অঞ্চলৰ গোৰৰ্দ্ধনা গামাৰীগুৰীত বেঁকী নদীত অবৈধ শিল-বালি খননে গামাৰিগুৰি আৰু গোবৰ্ধনা গাঁৱৰ লগতে কেবাখনো গাঁৱলৈ কঢ়িয়াই আনিছে ভাবুকি। বেঁকী নদীৰ মাজত একাংশ বালি মাফিয়াই বান্ধ বান্ধি কেবাখনো জেচিবি, এক্সেভেটৰেৰে দিনে-নিশাই চলাইছে খনন কাৰ্য্য। এই খনন কাৰ্যই শংকিত কৰি তুলিছে বৰপেটাৰোডৰ উত্তৰ অঞ্চলবাসীক। প্ৰতিবছৰে হোৱা প্ৰবল খহনীয়াৰ ফলত গামাৰীগুৰী, ছাফাকামাৰ, কাটাঝাৰ, গোৰৰ্ধনাৰ অধিকাংশ মাটি নদীৰ বুকুত জাহ গৈছে। ২০১৫-২০২৪ বৰ্ষলৈ হোৱা বেঁকীৰ প্ৰবল খহনীয়াৰ ফলত গামাৰীগুৰী গাঁৱৰ বেঁকীৰ কাষৰীয়া অঞ্চলত অৱস্থিত গোৰৰ্ধনা খাৰিজা বিজনী স্নাতক মহাবিদ্যালয়, গোৰৰ্ধনা খাৰিজা বিজনী কণিষ্ঠ মহাবিদ্যালয়, গোৰৰ্ধনা হাইস্কুল, ১২৩ নং ছাফাকামাৰ এল পি স্কুল, ১৫৫৮ নং গামাৰীগুৰী এল পি স্কুল, ৩২৪ নং গোৰৰ্ধনা এল পি স্কুল (গামাৰীগুৰী), গোৰৰ্ধনা প্ৰাথমিক উপ-স্বাস্থ্যকেন্দ্ৰ (গামাৰীগুৰী), গোৰৰ্ধনা পশু চিকিৎসা কেন্দ্ৰ (গামাৰীগুৰী), গোৰৰ্ধনা পাৱাৰ কণ্ট্ৰ'ল হাব (গামাৰীগুৰী), গোৰৰ্ধনা শংকৰদেৱ শিশু নিকেতন গামাৰীগুৰী, শংকৰ-আজান জাতীয় বিদ্যালয়, গোৰৰ্ধনা আঞ্চলিক জাতীয় বিদ্যালয় আদি শিক্ষানুষ্ঠানৰ লগতে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ প্ৰতি ভাবুকিৰ সৃষ্টি হৈছে। আনহাতে, চাফাকামাৰত শিল-বালি খনন কাৰ্য্য চলোৱাৰ নামত বেঁকী নদীৰ খহনীয়া প্ৰতিৰোধৰ বাবে দিয়া জিঅ' বেগৰ বান্ধৰ ওপৰেৰে অহৰহ শিল-বালিভৰ্তি ডাম্পাৰৰ চলাচল কৰাৰ ফলত উত্তৰ অঞ্চলৰ ৰাইজলৈ ভাবুকি কঢ়িয়াই অনা বুলি বৰপেটা জিলা ছাত্ৰ সন্থাৰ উপ-সভাপতি অৰ্ণৱ জ্যোতি শৰ্মাই সংবাদ মাধ্যমৰ আগত জনায়। আনহাতে, কিছুদিন পূৰ্বে এক প্ৰতিবাদ যোগে এই কথা জিলা প্ৰশাসনক লিখিতভাৱে জনোৱাৰ পিছতেই জিলা প্ৰশাসনে জিঅ' বেগৰ ওপৰত ডাম্পাৰ চলাচল বন্ধ কৰিছিল যদিও তাৰপিছতো বালি মাফিয়াই প্ৰশাসনক বুঢ়া আঙুলি প্ৰদৰ্শন কৰি পুনৰ ডাম্পাৰৰ চলাচল আৰম্ভ কৰাত ৰাইজ আতংকিত হৈ ওলাই আহিল প্ৰতিবাদ কৰিবলৈ। দীৰ্ঘদিনৰপৰা এটা প্ৰভাৱশালী চক্ৰই বেঁকী নদীৰ বুকু খান্দি পেলোৱাৰ ফলতেই খহনিয়াৰ সৃষ্টি হোৱাৰ অভিযোগ ৰাইজ তথা গোবৰ্ধনা আঞ্চলিক ছাত্ৰ সন্থা আৰু গোবৰ্ধনা শাখা সাহিত্য সভাৰ। এই অঞ্চলত যোৱা কেবাবছৰ ধৰি কেবাটাও অনুষ্ঠান, মন্দিৰ, মছজিদ, কৃষিভূমি ইতিমধ্যে নদীৰ বুকুত জাহ গৈছে। যাৰবাবে বৰপেটা জিলাৰ বৰণগৰ ৰাজহ চক্ৰৰ অন্তৰ্গত বেকী নদীত অবৈধ শিল-বালি খননৰ বিৰুদ্ধে ওলাই আহিল ছাত্ৰ সন্থা, সাহিত্য সভা ছাত্ৰ-ছাত্ৰী, ভুক্তভোগী গওঁৱা। অবৈধভাৱে চলাই থকা শিল-বালি খননৰ তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে ৰাইজে। প্ৰতিবাদকাৰীসকলে জনোৱা অনুসৰি এই খনন বন্ধৰ দাবীত উৰ্ধ্বতন বিভাগৰ হস্তক্ষেপ দাবীৰে স্মাৰক-পত্ৰ প্ৰদান কৰা হয়। অতি সনোকালে এই অবৈধ খনন কাৰ্য বন্ধৰ বাবে সংশ্লিষ্ট বিভাগৰ হস্তক্ষেপ দাবী কৰিছে ৰাইজে। অন্যথা পৰৱৰ্তী সময়ত তীব্ৰ আন্দোলন গঢ়ি তুলিব বুলি সংবাদ মাধ্যমৰ আগত জনায় ।আজি প্ৰতিবাদী কাৰ্যসূচীৰ জৰিয়তে গামাৰীগুৰীত বাকী থকা ২৩০ মিটাৰ নদীৰ পাৰ বন্ধাৰ কাম অতি সোনকালে কৰাৰ লগতে নতুনকৈ প্ৰতিষ্ঠা কৰা শিল-বালি খননৰ অনুমতি বাতিল কৰাৰ লগতে ২৪ ঘন্টাৰ ভিতৰত খনন বন্ধ কৰাৰ বাবে দাবী জনায়। ইয়াৰ অন্যথা পৰৱৰ্তী সময়ত প্ৰতিবাদী ৰাইজে জংগী আন্দোলনৰ হুংকাৰ দিয়ে। প্ৰতিবাদী কাৰ্যসূচীত বৰপেটা জিলা ছাত্ৰ সন্থাৰ উপ-সভাপতি অৰ্ণৱ শৰ্মা, গোৰৰ্ধনা আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি হিতেশ পাটোৱাৰী, সাঃ ম্পাদক অনুপ জ্যোতি বৰ্মন, গোৰৰ্ধনা আঞ্চলিক শাখা সাহিত্য সভাৰ বিষয়ববীয়া, গোৰৰ্ধনা অঞ্চলৰ একাংশ সচেতন ব্যক্তিৰ লগতে গামাৰীগুৰী, হটাপাৰা গাঁৱৰ ৰাইজ উপস্থিত থাকে।

# দক্ষিণ কামৰূপ হাইস্কুলৰ অৱসৰপ্ৰাপ্ত শিক্ষক-কৰ্মচাৰীৰ সংস্থাৰ আলোচনা সভা

**ই-সংবাদ, মিৰ্জা, ২ মাৰ্চঃ** প্ৰাদেশীকৃত বিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰীসকলৰ অৱসৰৰ পিছৰ দিনসমূহ যে বৰ্তমান পৰিস্থিতিত পেঞ্চন অবিহনে দুৰ্বিষহ হয় তাকে লৈ এখন পৰ্য্যালোচনা সভা আজি ৰামপুৰৰ কালিপ্ৰসাদ দাস হাইস্কুলত অনুষ্ঠিত হয়। সভাত দক্ষিণ কামৰূপ হাইস্কুল অৱসৰপ্ৰাপ্ত শিক্ষক- কৰ্মচাৰী সংস্থাৰ সভানেত্ৰী দেৱযানী দেৱানৰ সভাপতিত্বত পেঞ্চন সন্দৰ্ভত প্ৰস্তাৱ গ্ৰহণ কৰা হয়। অসমত বৰ্তমানলৈকে দহ হেজাৰ প্ৰাদেশীকৃত বিদ্যালয়ৰ শিক্ষক পেঞ্চনৰপৰা বঞ্চিত হৈ আছে। দক্ষিণ কামৰূপ হাইস্কুলৰ অৱসৰপ্ৰাপ্ত শিক্ষক-কৰ্মচাৰী সংস্থাৰপৰা চৰকাৰক বৰ্তমানলৈ বহুবাৰ পেঞ্চন সন্দৰ্ভত আবেদন কৰিছে যদিও চৰকাৰৰপৰা কোনো সঁহাৰি পোৱা নাই। সভাত বিশেষকৈ ২০১৩ বৰ্ষত প্ৰাদেশীকৃত বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক-কৰ্মচাৰীসকলৰ পেঞ্চনৰ কথা পৰ্য্যালোচনা কৰে। চৰকাৰে যদি অতি শীঘ্ৰে দক্ষিণ কামৰূপ হাইস্কুলৰ অৱসৰপ্ৰাপ্ত



শিক্ষক-কৰ্মচাৰী সংস্থাৰ দাবীসমূহ পূৰণ নকৰে সভাই পৰিস্থিতি সাপেক্ষে আইনগত ব্যৱস্থাৰ মাধ্যমেৰে হ'লেও প্ৰাপ্য আদায়ৰ ব্যৱস্থা কৰিবলৈ বাধ্য হ'ব বুলি সিদ্ধান্ত গ্ৰহণ কৰে।

# সৰুপেটাত পথৰ দুৰৱস্থাই জীয়াতু ভোগাইছে কৃষকক



**ই সংবাদ, ভৱানীপুৰ, ২ মাৰ্চঃ** অকল বাৰিষা কালতেই নহয়, খৰালি মাহতো পথ যোগাযোগৰ ক্ষেত্ৰত দুৰৱস্থাৰ সন্মুখীন হৈ আহিছে বৃহত্তৰ সৰুপেটা অঞ্চলৰ কৃষক ৰাইজ। খৰালি মাহতো পথৰ ভগ্ন অংশত সৃষ্টি হোৱা আবতৰীয়া বানপানীসদৃশ পৰিস্থিতিয়ে কৃষকসকলৰ অকল দৈনন্দিন জীৱনযাত্ৰাকেই নহয়, কৃষিকাৰ্যতো বিৰূপ প্ৰভাৱ পেলোৱা পৰিলক্ষিত হৈছে। বানত ক্ষতিগ্ৰস্ত বৃহত্তৰ অঞ্চলটোৰ কৃষিজীৱী ৰাইজে সচৰাচৰ কৰাৰ দৰেই অঞ্চলটোৰ বিস্তীৰ্ণ কৃষিভূমিত ইৰি ধানৰ খেতি আৰম্ভ কৰিছে যদিও জলসিঞ্চন ব্যৱস্থাটোৰ সমান্তৰালকৈ ঠাইবিশেষে পথ যোগাযোগৰ দুৰৱস্থায়ো কৃষক ৰাইজক বাৰুকৈয়ে জীয়াতু ভোগোৱা পৰিলক্ষিত হৈছে। অঞ্চলটোত কৃষক ৰাইজে দহ হাজাৰ বিঘাৰো অধিক কৃষিভূমিত এইবেলি ইৰি ধানৰ খেতি কৰিছে।

# তিনিচুকীয়াত ভয়ানক পথ দুৰ্ঘটনা

**ই-সংবাদ, তিনিচুকীয়া, ২ মাৰ্চঃ** বাণিজ্যিক চহৰ তিনিচুকীয়াৰ অসম ৰাজ্যিক বাছ আস্থানৰ সন্মুখত শনিবাৰে নিশা প্ৰায় ১১:৩০ বজাত এক ভয়ংকৰ পথ দুৰ্ঘটনা সংঘটিত হয়। পথৰ দাঁতিত বৈ থকা এজন যুৱকক এ এছ ০১ এল চি ৬১৮৪ নম্বৰৰ ট্ৰাকখনে খুন্দিয়াই পলায়নৰ চেষ্টা কৰে যদিও ৰাইজৰ তৎপৰতাত ট্ৰাকখন পলাই যোৱাত ব্যৰ্থ হয়। ঘটনাত গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয় যুৱকজন। আঘাতপ্ৰাপ্ত যুৱকজন মাৰ্ঘেৰিটাৰ লিবিয়ান বৰা বুলি জানিব পৰা গৈছে। উল্লেখ্য যে লিবিয়ান বৰা হৈছে টাই আহোম যুৱ পৰিষদ, অসম (টাইপা) ৰ মাৰ্ঘেৰিটা আঞ্চলিক সমিতিৰ সভাপতি। দুৰ্ঘটনাত যুৱকজনৰ বাঁওভৰিখন বেয়াকৈ ক্ষতিগ্ৰস্ত হয়। আঘাতপ্ৰাপ্ত যুৱকজনক ততাতৈয়াকৈ সমীপৰ বৰদলৈ নগৰস্থিত তিনিচুকীয়া লোকপ্ৰিয় গোপীনাথ বৰদলৈ অসামৰিক চিকিৎসালয়লৈ নিয়া হ'য় যদিও আঘাত গুৰুতৰ হোৱা হেতুকে চিকিৎসালয়খনৰ চিকিৎসকে যুৱকজনক ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰে। দুৰ্ঘটনা সংঘটিত কৰা ট্ৰাকখন আৰক্ষীয়ে পিছত জব্দ কৰাৰ লগতে চালকজনক কৰায়ত্ত কৰে। ৰাইজে চালকজনক উত্তম-মাধ্যম শোধায়।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ

# প্ৰেৰণা পুথিভঁৰালৰ শিশু, কিশোৰ-কিশোৰী শাখাৰ দশম প্ৰতিষ্ঠা দিৱস উদযাপন

**ই-সংবাদ, নলবাৰী, ২ মাৰ্চঃ** পশ্চিম নলবাৰী অঞ্চলৰ প্ৰেৰণা পুথিভঁৰালৰ শিশু আৰু কিশোৰ-কিশোৰী শাখাৰ দশম বাৰ্ষিক প্ৰতিষ্ঠা দিৱস ২৭ ফেব্ৰুৱাৰী তাৰিখে বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হৈ যায়। কাৰ্যসূচী অনুসৰি সিদিনা প্ৰয়াত নাট্যকৰ্মী সুৰেন্দ্ৰ নাৰায়ণ শৰ্মাৰ সোঁৰৰণত নৱ-নিৰ্মিত 'সুৰেন্দ্ৰ মঞ্চ আৰু প্ৰেক্ষাগৃহ' মুকলি কৰে গণশিল্পী উমেশ দত্তই, সুৰেন্দ্ৰ নাৰায়ণ শৰ্মাৰ প্ৰতিকৃতিৰ সন্মুখত বন্তি প্ৰজ্জ্বলন কৰে তেওঁৰ পত্নী গিৰিবালা দেৱী, পুত্ৰ খনিন্দ্ৰ শৰ্মা, বোৱাৰী মীনাক্ষি দেৱী আৰু মামণি দেৱীয়ে। ইয়াৰ পাছতে পুথিভঁৰালৰ সদস্যসকলে শিল্পী উমেশ দত্ত আৰু তবলাবাদক প্ৰদীপ ডেকাৰ পৰিচালনাত পৰিৱেশন কৰা জ্যোতিপ্ৰসাদ আগৰৱালাৰ 'তোৰে মোৰে আলোকৰে যাত্ৰা' শীৰ্ষক গীতেৰে মূল কাৰ্যসূচী আৰম্ভ হয়। অনুষ্ঠানত কাশীনাথ বিদ্যামন্দিৰ প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে এটি দলীয় নৃত্য আৰু সমৱেত কণ্ঠত জিকিৰ পৰিৱেশন কৰে। ইয়াৰ পাছতে বৰভাগ মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক ড০ ধনেশ্বৰ বৈশ্যই 'আজিৰ শিশু কাইলৈ নাগৰিক' শীৰ্ষক মূল বক্তৃতা প্ৰদান কৰি কয় যে- ভাৰতবৰ্ষৰ এগৰাকী ভাল নাগৰিক হ'বলৈ হ'লে, এগৰাকী সজ আৰু সৎ নাগৰিক হ'বলৈ হ'লে আমাৰ ভাৰতবৰ্ষৰ কাৰণে বাইবেলস্বৰূপ, বেদস্বৰূপ, কোৰাণস্বৰূপ, ভাৰতীয় সংবিধান আৰু ই দাঙি ধৰা মূল্যবোধ সম্পৰ্কে বিস্তৃতভাৱে আমাৰ জ্ঞান লাগিব। ভাষণ প্ৰসংগত তেওঁ সংবিধানৰ প্ৰস্তাৱনা, মৌলিক অধিকাৰ আদি বিষয়েও সহজ ভাষাত ব্যাখ্যা-বিশ্লেষণ আগবঢ়ায়। অনুষ্ঠানত আন এগৰাকী বক্তা বিশিষ্ট পৰিৱেশকৰ্মী তথা সৰ্প বিশাৰদ ৰাজেশ দত্ত বৰুৱাই শিশু আৰু অন্ধবিশ্বাসৰ বিষয়ে ক'বলৈ গৈ ঘাইকৈ সাপৰ লগত জড়িত নানা অন্ধবিশ্বাস আকৰ্ষণীয় ৰূপত ব্যাখ্যা কৰে। তেওঁ অসমত প্ৰাপ্ত বিভিন্ন ধৰণৰ সাপৰ ছবি দেখুৱাই কোনবোৰ সাপ বিষহীন, কোনবোৰ কম বিষাক্ত আৰু কোনবোৰ অতি বিষাক্ত, তাক শিশুসকলৰ বোধগম্য হোৱাকৈ বুজাই কোৱাৰ লগতে সাপৰপৰা পোৱা উপকাৰ সম্পৰ্কে বিৱৰি কয়। আনহাতে, নামনি অসমৰ এগৰাকী সফল কেৰাটে প্ৰশিক্ষক জয়ন্ত কুমাৰ শৰ্মাই সমৰকলা আৰু ই ছাত্ৰ-ছাত্ৰীৰ চৰিত্ৰ গঠনত কেনেকুৱাকৈ সহায় কৰে তাক বুজাই কয়। অনুষ্ঠানত সহযোগিতা কৰা জৱাহৰ নৱোদয় বিদ্যালয়ৰ শিক্ষক জাহেৰুল ইছলাম শিকদাৰেও দু-আষাৰ কয়। আনহাতে, অনুষ্ঠানৰ সাংস্কৃতিক কাৰ্যসূচীত বিয়াগীত আৰু আধুনিক গীত পৰিৱেশন কৰা হয়। ইফালে, অনুষ্ঠানত উপস্থিত থকা শিশু আৰু কিশোৰ-কিশোৰীসকলৰ মাজত বহীৰ পাত আৰু কলম বিতৰণ কৰা হয়। এইবাৰৰ এই প্ৰতিষ্ঠা দিৱসত উপস্থিত থাকি ইয়াক আকৰ্ষণীয় কৰি তোলে জৱাহৰ নৱোদয় বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ এটি ৪০ জনীয়া দলে। কাশীনাথ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাৰেৰহণীয়া সাংস্কৃতিক কাৰ্যসূচীয়েও সকলোকে আপ্লুত কৰে। যোগদান কৰা আন এখন বিদ্যালয় আছিল বিহামপুৰ খাৰশিঠা প্ৰাথমিক বিদ্যালয়। অনুষ্ঠানত উপস্থিত থাকে কামৰূপ মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ মুৰব্বী অধ্যাপক তিলক শৰ্মা, পৰিৱেশ কৰ্মী ভূপেন কুমাৰ দাস, প্ৰেৰণা পুথিভঁৰালৰ ক্ষেত্ৰী ধৰ্মপুৰ শাখাৰ মুখ্য পৰিচালক ড০ মৃণাল বৰ্মন, জ্যেষ্ঠ পৰিচালক সুশীল মালাকৰ, হিমাদ্ৰী মেধী, বীৰেন বৰ্মন, পৰিচালক অৰ্ণৱ বৰ্মন, চন্দন দাস, তৰালী শৰ্মা, মৃগাংশু মেধি, জ্যোতিৰ্ময় বৰ্মন, অংগৰাজ বৰ্মন, কৌশিক কাকতি, ভুমিকা বৰ্মন, উপাসনা শৰ্মা, চয়নিকা কাকতি, অৱিনাশ দত্ত, কৰবী হালৈ, গৰিমা হালৈ, নীহাৰিকা কাকতী, পলাশজ্যোতি বৰ্মন, ভাস্কৰ তালুকদাৰ, ব্ৰজেন তালুকদাৰ, মৃগাংক ভাগৱতী, নয়নমণি বৰ্মন, মৃন্ময় হালৈ আদি।

# দুলীয়াজানত অসম জ্যেষ্ঠ নাগৰিক সন্মিলনৰ কেন্দ্ৰীয় অধিৱেশন

**ই-সংবাদ, দুলীয়াজান, ২ মাৰ্চঃ** অসম জ্যেষ্ঠ নাগৰিক সন্মিলনৰ দ্বি-বাৰ্ষিক অধিৱেশন-২০২৫ তৈল নগৰী দুলীয়াজানত চলিত বৰ্ষৰ জুলাই মাহত অনুষ্ঠিত হ'ব। সন্মিলনিৰ ডিব্ৰুগড় জিলা সমিতিৰ উদ্যোগত দুলীয়াজান শাখা সমিতিক এই গুৰু দায়িত্ব অৰ্পণ কৰা হৈছে। এই সন্দৰ্ভত আলোচনা কৰিবলৈ অসম জ্যেষ্ঠ নাগৰিক সন্মিলনৰ দুলীয়াজান শাখাই দুলীয়াজান তথা ইয়াৰ দাঁতি-কাষৰীয়া ৰাজহুৱা অনুষ্ঠান-প্ৰতিষ্ঠানসমূহৰ সভাপতি-সম্পাদক, শিক্ষানুষ্ঠানসমূহৰ মুৰব্বী, সমাজৰ অগ্ৰণী ব্যক্তি আৰু শুভাকাংক্ষীৰ সৈতে এখন ৰাজহুৱা সভা ১ মাৰ্চৰ বিয়লি দুলীয়াজানৰ ইণ্ডিয়ান অইল ৱৰ্কাৰ্চ ইউনিয়নৰ প্ৰেক্ষাগৃত অনুষ্ঠিত হৈ যায়। শতাধিক ৰাইজৰ উপস্থিতিত উক্ত সভাখনত দুলীয়াজান মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি তথা তাই আহোম উন্নয়ণ পৰিষদ, অসম চৰকাৰৰ উপাধ্যক্ষ নৰেন চাংমাইয়ে সভাপতিত্ব কৰে। সভাত কেন্দ্ৰীয় কমিটিৰ হৈ ডাঃ অতুল চন্দ্ৰ ৰাজখোৱা তথা ৰূদ্ৰ গগৈ, ডিব্ৰুগড় জিলা সমিতিৰ হৈ উপদেষ্টা সদানন্দ দত্ত, সভাপতি নোমল চন্দ্ৰ গগৈ, কাৰ্যকৰী সভাপতি হেমকান্ত গগৈ, সম্পাদক ভূপেন শইকীয়া, বিশিষ্ট অতিথি হিচাপে আউনিআটি




বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড০ প্ৰকাশজ্যোতি বৰঠাকুৰ তথা দুলীয়াজান মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ লোকবিকাশ গগৈ উপস্থিত থাকে। নিৰ্দ্দিষ্ট বক্তা ৰূপে সদ্য অৱসৰপ্ৰাপ্ত ডিগবৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ অধ্যক্ষ ড০ দীপ শইকীয়াই সভাত উপস্থিত থাকি বিশ্ব আৰু সৰ্বভাৰতীয় প্ৰেক্ষাপটত অসম জ্যেষ্ঠ নাগৰিক সন্মিলন গঠনৰ প্ৰাসংগিকতা শীৰ্ষক তথ্যগধুৰ মনোজ্ঞ বক্তব্য আগবঢ়াই সকলোৰে দৃষ্টি আকৰ্ষণ কৰে। সভাই সৰ্বসন্মতি ক্ৰমে আগন্তুক অধিৱেশনখনিৰ বাবে এখন শক্তিশালী অভ্যৰ্থনা সমিতি গঠন কৰে। অভ্যৰ্থনা সমিতিখনৰ সভাপতিৰূপে ৰঞ্জিত মহন, কাৰ্যকৰী সভাপতি ৰূপে সদানন্দ দত্ত, উপ-সভাপতি ৰূপে চাৰিগৰাকীক ক্ৰমে ডঃ দীপ শইকীয়া, প্ৰদীপ কুমাৰ গগৈ, মৃণালীনী ভূঞা বৰদলৈ তথা পবিত্ৰ প্ৰাণ দুৱৰা, মুখ্য সম্পাদক ৰূপে ডঃ প্ৰকাশ জ্যোতি বৰঠাকুৰ আৰু স্মৃতিগ্ৰন্থ সম্পাদকৰূপে যুটীয়াভাৱে ডঃ দীপ শইকীয়া আৰু ভূপেন শইকীয়াক দায়িত্ব অৰ্পণ কৰে। ২০০৩ চনত প্ৰতিষ্ঠা হোৱা অসম জ্যেষ্ঠ নাগৰিক সন্মিলনৰ বৰ্তমান মুঠ শাখাৰ সংখ্যা ৩৯২ খন আৰু ডিব্ৰুগড় জিলা সমিতিৰ সংখ্যা ১৮ খন।

# গেলেকীত এটা পুখুৰীক লৈ দুই ফৈদৰ সংঘাত

**ই-সংবাদ, গেলেকী, ২ মাৰ্চঃ** গেলেকীৰ কলগাঁৱৰ এটা পুখুৰীক লৈ একে গাঁৱৰে দুটা পক্ষৰ মাজত সৃষ্টি হৈছে মতানৈক্যৰ। জানিব পৰা মতে, গেলেকী কলগাঁৱৰ এম ই স্কুলৰ নামত ২০২২ চনতে আবেদনৰ ভিত্তিত ৩ কঠা ১৬ লেচা মাটি দাগ নম্বৰ ২১১ (খ) ত আৱন্টন পাইছিল চৰকাৰৰ পৰা। এই স্কুলৰ নামত আৱন্টন দিয়া চৰকাৰী ভূমিত আছিল এটা পুখুৰী। এই পুখুৰীটোকে বৰ্তমান বিদ্যালয়খনৰ পৰিচালনা সমিতিয়ে ৰাইজৰ লগত আলোচনা কৰি পুতি পেলোৱাৰ সিদ্ধান্ত লৈ কাম আৰম্ভ কৰিছিল। কিন্তু ইয়াতেই বৰ্তমান সৃষ্টি হৈছে একাংশ ৰাইজৰ মাজত মতানৈক্যৰ। স্থানীয় একাংশৰ মতে পুখুৰীটো পুতি দিলে কাষতে লাগি থকা পানী যোগান আঁচনিখনৰ বাবে কিছু কাৰিকৰী কামত অসুবিধাৰ সৃষ্টি হ'ব। গতিকে একাংশ ৰাইজে এই পুখুৰীটো পুতা কাৰ্য্যৰ বিৰোধিতা কৰিছে। সম্প্ৰতি এই পুখুৰী পুতা কাম বন্ধ হৈ পৰাত বিদ্যালয় পৰিচালনা সমিতিয়ে নিৰ্দিষ্ট কেইজনমান ব্যক্তিৰ বিৰুদ্ধে কাম বন্ধ কৰাৰ অভিযোগ আনি গেলেকী থানাত এজাহাৰ দাখিল কৰিছে। ইফালে, পুখুৰী পুতাৰ বিৰুদ্ধে থকা আনচাৰ আলীয়ে কয় যে তেওঁলোকে কাম বন্ধ কৰিবলৈ কোৱা নাই, বৰঞ্চ পুখুৰীটো সংৰক্ষণৰ বাবেহে দাবী জনাইছিল। লগতে তেওঁ কয় যে কালিলৈ এখন ৰাজহুৱা সভা আহ্বান কৰা হৈছে আৰু সেই সভাতেই ৰাইজে উক্ত কামটোৰ ওপৰত সিদ্ধান্ত ল'ব। গতিকে তেওঁ সকলোকে সভাত উপস্থিতিৰ আহ্বান জনাইছে।

# বদনি-আখিয়া চতেমাৰী সংযোগী পথৰ জৰাজীৰ্ণ ৰূপ

**ই-সংবাদ, মুকালমুৱা, ২ মাৰ্চঃ** নলবাৰী জিলাৰ বৰক্ষেত্ৰী ৰাজহ চক্ৰৰ অন্তৰ্গত বদনি-আখিয়াৰ পৰা চতেমাৰী সংযোগী লোকনিৰ্মাণ বিভাগৰ পথছোৱা বিধ্বস্ত হৈ পৰিছে। হাজো- দৌলাশাল ঘাইপথৰ বদনি-আখিয়াৰপৰা চতেমাৰীলৈ যোৱা লোকনিৰ্মাণ বিভাগৰ পথছোৱাৰ বিস্তীৰ্ণ অঞ্চল জহি-খহি গৈছে। জৰাজীৰ্ণ পথছোৱাৰ বিভিন্ন ঠাইত প্ৰকাণ্ড প্ৰকাণ্ড গাঁতৰ সৃষ্টি হোৱাত পথছোৱাত প্ৰায়ে সংঘটিত হৈ আহিছে দুৰ্ঘটনা। উল্লেখ্য যে পথছোৱাৰে নিতৌ হাজাৰ হাজাৰ লোকে অহা-যোৱা কৰি আহিছে যদিও সম্প্ৰতি যাতায়াতৰ ক্ষেত্ৰত ভীষণ সমস্যাত ভুগিছে যাত্ৰীয়ে। চতেমাৰী গাঁৱকে ধৰি চৰাঞ্চলৰ টিলাৰদিয়া, লাউপাৰা চৰ, ৰববালা, বৰচুলিয়া, শিয়ালমাৰী, ভাংনামাৰী আদিকে ধৰি বৃহত্তৰ চৰাঞ্চলৰপৰা প্ৰতিদিনাই উক্ত পথছোৱাৰে হাজাৰ হাজাৰ লোকে যাতায়াত অব্যাহত ৰাখিছে। তদুপৰি, নলবাৰী আৰু বৰপেটা জিলাকে ধৰি বিভিন্ন জিলাৰ চাকৰিয়ালে চাকৰি সূত্ৰে উক্ত জৰাজীৰ্ণ পথছোৱাৰে চৰাঞ্চললৈ অহা-যোৱা কৰে। উক্ত পথছোৱাৰে চৰাঞ্চলৰ বিদ্যালয়, আৰক্ষী থানাকে ধৰি বিভিন্ন চৰকাৰী প্ৰতিষ্ঠানত নিয়োজিত শিক্ষক, আৰক্ষীকে ধৰি আন আন চাকৰিয়ালসকলে যমৰ যাতনা ভুগি আহ-যাহ কৰি আহিছে। বৃহত্তৰ চৰাঞ্চলৰপৰাও প্ৰতিদিনাই স্কুল, কলেজ, হাস্পতাল আদিলৈ ৰাইজে অতি কষ্টৰ মাজেৰে যাতায়াত অব্যাহত ৰাখিছে। পথছোৱা বিধ্বস্ত হৈ থকাত পথছোৱাত প্ৰায়ে দুচকীয়া বাহন, ই-ৰিক্স' আদি দুৰ্ঘটনাত পতিত হৈ যাত্ৰী চিকিৎসাধীন হ'বলগীয়া হৈছে। অঞ্চলটোৰ স্থানীয় ৰাইজ আৰু পথচাৰীয়ে শীঘ্ৰেই পথছোৱা মেৰামতি কৰি যাতায়াত সেৱা সুচল কৰি তুলিবলৈ বিভাগীয় কৰ্তৃপক্ষক দাবী জনাইছে। পথছোৱা মেৰামতিৰ ক্ষেত্ৰত বৰক্ষেত্ৰী সমষ্টিৰ বিধায়ক দিগন্ত বৰ্মনকো ৰাইজে পদক্ষেপ গ্ৰহণ কৰিবলৈ আহ্বান জনাইছে।

# খাৰুপেটীয়াত চেহেৰী-ইফতাৰ সেৱা

**ই-সংবাদ, খাৰুপেটীয়া, ২ মাৰ্চঃ** মৌলানা মুস্তাক আনফৰ নেতৃত্বাধীন অসম ৰাজ্যিক জমিয়ত উলামা দৰং জিলা সমিতিৰ তৰফৰপৰা আজিৰে আৰম্ভ হোৱা পৱিত্ৰ ৰমজান মাহৰ ৰোজাদাৰসকলৰ বাবে ইফতাৰ-চেহেৰী সেৱা আগবঢ়োৱা হৈছে। দৰং জমিয়তৰ সভাপতি মৌলানা আবু বক্কৰ ছিদ্দিক আৰু সাধাৰণ সম্পাদকদ্বয় মৌলানা ৰাকিল আহমেদ আৰু ইমদাদুল ইছলামে জানিবলৈ দিয়া মতে, আনফৰ নেতৃত্বাধীন দৰং জমিয়তৰ উদ্যোগত আজিৰেপৰা মাহজোৱা কাৰ্যসূচীৰে পৱিত্ৰ ৰমজান মাহ উপলক্ষে খাৰুপেটীয়া চৰকাৰী হাস্পতালত দৰিদ্ৰ ৰোগীৰ আত্মীয়সকলৰ মাজত চেহেৰী আৰু ইফতাৰৰ যোগান ধৰা হ'ব। সম্পূৰ্ণ বিনামূলীয়াভাৱে উক্ত সেৱা গ্ৰহণ কৰিবলৈ 8638977259/9859968081 এই ফোন নম্বৰত ফোন কৰি চেহেৰী ইফতাৰ নিশ্চিত কৰিবলৈ আহ্বান জনায় উদ্যোক্তাই। লগতে এই সেৱাৰ ক্ষেত্ৰত কোনোবাই সহযোগ কৰিবলৈ ইচ্ছা কৰিলে উক্ত ফোন নম্বৰত যোগদান কৰিবলৈ জমিয়তৰ কাৰ্যালয় সম্পাদক মৌলানা জাহেদুৰ ৰহমানে আহ্বান জনাইছে।

# এম্বুলেন্স চালকে খেদি খেদি জব্দ কৰিলে গৰুভৰ্তি বিলাসী বাহন

## আৰক্ষীয়ে কৰিব নোৱাৰা কাম কৰি প্ৰশংসিত যুৱক

**ই-সংবাদ, গোলকগঞ্জ, ২ মাৰ্চঃ** ধুবুৰী জিলাৰ আগমনি থানাৰ অন্তৰ্গত মইচাত যোৱা নিশা আঠ বজাত এজন এম্বুলেন্স চালকে খেদি খেদি এখন চোৰাং গৰু কঢ়িওৱা বিলাসীবাহন আটক কৰা ঘটনাই অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। এম্বুলেন্স চালকজন বেলগুৰি প্ৰথম খণ্ড গাঁৱৰ ছোহেল হাছান। ছোৱেলে ব্যক্তিগত বাহনত বেলগুৰিৰ ওচৰৰ ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ কাষত ৰৈ আছিল। তেনেতে পশ্চিমবংগৰপৰা আগমনি হৈ গৌৰীপুৰ অভিমুখে তীব্ৰ বেগত গৈ থকা WB 02Z 5528 নম্বৰৰ ভাৰনা বাহনখন পথৰ কাষৰ ছোৱেলৰ বাহনত খুন্দিয়াই পলায়ন কৰে। ছোৱেলে তীব্ৰ বেগত গৈ বিৰাট নগৰ চাৰিআলিত বাট আগচি ধৰাত ইউ টাৰ্ণ কৰি চোৰাং গৰুভৰ্তি বাহনখন আগমনি থানাৰ সন্মুখেৰে পশ্চিমবংগ দিশত উভতি যায়। ইপিনে ছোৱেলে পুনৰ বাহনখন খেদি গৈ আগমনি কলেজৰ সন্মুখত থিয় হয়। উপায়ন্তৰ হৈ বাহনখন আকৌ ঘুৰাই গৌৰীপুৰ দিশত গতি কৰে। কিন্তু ছোহেলে পুনৰ পিছে পিছে খেদি যোৱাত তীব্ৰবেগী বাহনখন মইচা গাঁৱত নিয়ন্ত্ৰণ হেৰুৱাই পথৰ দাঁতিত নমাই দি সৰবৰাহকাৰীয়ে বাহন এৰি পলায়ন কৰে। ছোৱেলৰ লগতে স্থানীয় ৰাইজে বাহনখনত গৰু প্ৰত্যক্ষ কৰি আগমনি থানাত খবৰ দিয়ে। আগমনি আৰক্ষীয়ে বাহনখনৰপৰা পাঁচটা গৰু উদ্ধাৰ কৰে। আৰক্ষীয়ে আটক কৰিব নোৱাৰা চোৰাং গৰু কঢ়িওৱা বাহন এম্বুলেন্স চালকজনে আটক কৰিবলৈ সক্ষম হোৱা কাৰ্য সৰ্বত্ৰে প্ৰশংসিত হৈছে।

# পুলিবৰত যুৱকৰ আত্মহত্যা

**ই-সংবাদ, পশ্চিম যোৰহাট, ২ মাৰ্চঃ** যোৰহাট পুলিবৰ হেজাৰী গাঁৱৰ ৰক্তিম শইকীয়া (৩৫) নামৰ এজন যুৱকে নিজৰ কোঠাৰ ভেণ্টিলেটৰত কাপোৰেৰে চিপজৰী লগাই আত্মহত্যা কৰে। যোৰহাট জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ কাৰ্যালয়ত কৰ্মৰত যুৱকজন হেজাৰী গাঁওখনৰ সামাজিক, সাংস্কৃতিক, ধৰ্মীয় অনুষ্ঠানৰ সৈতেও জড়িত আছিল। পৰিয়ালৰ সন্মতিত এগৰাকী যুৱতীক বিবাহ কৰোৱাৰ উদ্দেশ্যে আঙুঠি পিন্ধাই থোৱা যুৱকজনে কিয় আত্মহত্যা কৰিলে জানিব পৰা হোৱা নাই। স্থানীয় পুলিবৰ থানাৰ আৰক্ষী দণ্ডাধীশৰ সৈতে উপস্থিত হৈ মৃতদেহ উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে যোৰহাট চিকিৎসা মহাবিদ্যালয়ৰ চিকিৎসালয়লৈ প্ৰেৰণ কৰে। আত্মহত্যাৰ কাৰণ সন্দৰ্ভত আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে। যুৱকজনে নেইষ্টৰ অৱসৰপ্ৰাপ্ত পিতৃৰ লগতে মাতৃক এৰি গৈছে।

# গোলকগঞ্জৰ পূৰ্ণীৰ গংগাধৰ নৈত অবৈধ বালি খনন

**ই-সংবাদ, গোলকগঞ্জ, ২ মাৰ্চঃ** ধুবুৰী জিলাৰ মটেৰঝাৰ বন বিভাগৰ অন্তৰ্গত পূৰ্ণী গাঁৱৰ গংগাধৰ নদীত একাংশ ভূ-মাফিয়াই অবৈধভাৱে নিৰ্বিবাদে বালি খনন কৰা ঘটনাই অঞ্চলটোত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। অভিযোগ মতে, ভূ-মাফিয়াই গাঁওখনৰ বালিচৰত দীৰ্ঘদিনৰপৰা গোপনে বালি খনন কৰি আছে। বালিবোৰ জেচিবিৰে খনন কৰি ট্ৰেক্টৰেৰে বিভিন্ন স্থানত যোগান ধৰি আছে। হৰিৰহাট, পূৰ্ণী, বৰচৰাইখোলা আদি গাঁৱত ট্ৰেক্টৰৰ দৌৰাত্ম্যই সাধাৰণ ৰাইজৰ জীৱন দুৰ্বিসহ কৰি তুলিছে। ট্ৰেক্টৰৰ দৌৰাত্ম্যত ছাত্ৰ-ছাত্ৰীসকলৰ বাবে বিদ্যালয়লৈ অহা-যোৱা কৰা বিপজ্জনক হৈ পৰিছে। উল্লেখ্য যে গংগাধৰ নদীৰ গৰাখহনীয়া গোলকগঞ্জ সমষ্টিৰ বিস্তীৰ্ণ অঞ্চলটোৰ আটাইতকৈ ডাঙৰ সমস্যা। প্ৰতি বছৰে শ শ পৰিয়াল গৃহহাৰা হোৱাৰ লগতে সহস্ৰাধিক বিঘা খেতি নৈৰ বুকুত জাহ যায়। এনেকৈ হকে-বিহকে নদীত বালি খনন কৰাৰ বাবেই প্ৰতি বছৰে গৰাখহনীয়াৰ প্ৰকোপ বৃদ্ধি পাইছে। ইয়াৰ বিপৰীতে গৰাখহনীয়া প্ৰতিৰোধৰ ক্ষেত্ৰত প্ৰশাসন, জনপ্ৰতিনিধি উদাসীন। এফালে গৰাখহনীয়া প্ৰতিৰোধৰ ক্ষেত্ৰত প্ৰশাসন উদাসীন, আনহাতে গৰাখহনীয়াত ইন্ধন যোগোৱা বালি খনন কাৰ্য দেখিও নিৰ্বাক প্ৰশাসন। পূৰ্বতে অকল বাৰিষা দিনত গংগাধৰ নদীৰ গৰাখহনীয়া হৈছিল। অবৈধ বালি খননৰ বাবে বৰ্তমান খৰালিতো অব্যাহত আছে গংগাধৰৰ গৰাখহনীয়া। মুঠতে নদীৰ সাধাৰণ স্বভাৱ সলনি হৈ পৰিছে। সেয়ে ইয়াৰ এক উচ্চপৰ্যায়ৰ তদন্তৰ দাবী জনাইছে ৰাইজে।

# জটিল ৰোগত আক্ৰান্ত সাংস্কৃতিক কৰ্মী সমুজ্জ্বল গগৈ, সহায়ৰ বাবে আহ্বান

**ই-সংবাদ, মৰিয়নি, ২ মাৰ্চঃ** যোৰহাট জিলাৰ চেলেংহাট মাজুনগঞা গাঁওৰ এজন যুৱ সাংস্কৃতিক কৰ্মী এক জটিল ৰোগত আক্ৰান্ত হৈ গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত ভৰ্তি হৈ জীৱন মৃত্যুৰে যুঁজ দিছে। প্ৰতিভাৱান যুৱক সমুজ্জ্বল গগৈক যোৱা ২২ ফেব্ৰুৱাৰীত গুৱাহাটীৰ দিছপুৰ পলিক্লিনিকত ভৰ্তি কৰাইছিল পৰিয়ালৰ লোকে। কিন্তু যুৱকজনৰ চিকিৎসা ব্যয় অধিক বহুল হৈ পৰাত মূৰত সৰগ ভাগি পৰিছে আৰ্থিকভাৱে দুৰ্বল পৰিয়ালটোৰ। অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু মৰিয়নিৰ বিধায়ক ৰূপজ্যোতি কুৰ্মীলৈ পুত্ৰৰ চিকিৎসাৰ ক্ষেত্ৰত সহায় বিচাৰ সমজ্জুলৰ পিতৃ-মাতৃয়ে কাতৰ আহ্বান জনাইছে। উল্লেখ্য যে উদ্যমী তথা প্ৰতিভাৱান যুৱক সমুজ্জ্বল গগৈ বিহুৰ লগতে ভাওনা সংস্কৃতিৰ লগত জড়িত হৈ গাঁও তথা সমগ্ৰ চেলেংহাট অঞ্চললৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছিল। প্ৰতিভাৱান যুৱকজনৰ চিকিৎসাৰ ক্ষেত্ৰত কোনো হৃদয়ৱান লোকে সহায় আগবঢ়াবলৈ বিচাৰিলে A/C No. 2043104000060747, Name MR PRANJAL GOGOI, IFSC: IBKL0002043. GPAY 60038 50329 নম্বৰত আৰ্থিকভাৱে সহায় আগবঢ়াব পাৰিব।

# পবিত্ৰ বৰঠাকুৰক দুলীয়াজান সাহিত্য সভাৰ বৰ্ষটোৰ শ্ৰেষ্ঠ সাহিত্য কৰ্মী বঁটা প্ৰদান

ই-সংবাদ, দুলীয়াজান, ২ মাৰ্চঃ অসম সাহিত্য সভাৰ শতদল শাখাৰ স্বীকৃতি লাভ কৰা দুলীয়াজান সাহিত্য সভাৰ আজি ৩০ সংখ্যক দ্বি-বাৰ্ষিক অধিৱেশন অনুষ্ঠিত হৈ যায়। এই অধিৱেশনৰ মুকলি সভাত দুলীয়াজান সাহিত্য সভাই ২০২২-২৪ বৰ্ষৰ বাবে দুলীয়াজানৰ জেষ্ঠ সাংবাদিক পবিত্ৰ বৰঠাকুৰক শিক্ষাবিদ, সমাজ সেৱক নাৰায়ণ মহন্ত সোঁৱৰণী শ্ৰেষ্ঠ সাহিত্য কৰ্মী বঁটা প্ৰদান কৰে। আজি মুকলি সভাত বঁটা প্ৰদান কৰে অসম সাহিত্য সভাৰ উপ-সভাপতি পদুম ৰাজখোৱা, দুলীয়াজান সাহিত্য সভাৰ সভাপতি ৰঞ্জন মহন্ত আৰু নৱ-নিৰ্বাচিত সভাপতি ড° অজিত শইকীয়াই। উল্লেখযোগ্য যে পবিত্ৰ বৰঠাকুৰে বৰ্তমান সদৌ অসম কবি সন্মিলনৰ সম্পাদকৰ দৰে দায়িত্ব বহন কৰাৰ



উপৰিও অসম সাহিত্য সভাৰ আজীৱন সদস্য হোৱাৰ হোৱাৰ লগতে ডিব্ৰুগড় জিলা সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক তথা দুলীয়াজান সাহিত্য সভাৰ ২০০৫-০৭ বৰ্ষৰ বাবে সম্পাদকৰ দায়িত্ব বহন কৰি সেৱা আগবঢ়াইছিল।

# ইউডক্সিয়া বিশ্ববিদ্যালয়ৰ অনুষদ উন্নয়ন কাৰ্যসূচী

**গুৱাহাটী, ২ মাৰ্চঃ** ইউডক্সিয়া গৱেষণা বিশ্ববিদ্যালয়ৰ পাঁচদিনীয়া অনুষদ বিকাশ কাৰ্যসূচী যোৱা ১ মাৰ্চৰ পৰা অনুষ্ঠিত হৈছে। এই বিশেষ ইউডক্সিয়া গৱেষণা বিশ্ববিদ্যালয়ৰ অনুষদ উন্নয়ন কাৰ্যসূচী (এফডিপি) হৈছে শিক্ষাবিদ আৰু গৱেষকসকলক সবলীকৰণৰ লক্ষ্যৰে এক অগ্ৰণী পদক্ষেপ। এই কাৰ্যসূচী অংশগ্ৰহণকাৰীসকলক শিক্ষা আৰু গৱেষণাৰ গতিশীল ক্ষেত্ৰত উৎকৃষ্টতাৰ বাবে অপৰিহাৰ্য অত্যাধুনিক পদ্ধতি আৰু কৌশল প্ৰদান কৰিবলৈ নিখুঁতভাৱে ৰচনা কৰা হৈছে। ধাৰাবাহিকভাৱে ইণ্টাৰেক্টিভ ৱেবিনাৰ আৰু বিশেষজ্ঞৰ নেতৃত্বত অধিৱেশনৰ জৰিয়তে এফডিপিয়ে পেছাদাৰী বৃদ্ধি, দক্ষতা বৃদ্ধি, আৰু বিশ্বব্যাপী নেটৱৰ্কিঙৰ বাবে এক মঞ্চ প্ৰদান কৰে। আন্তঃৰাষ্ট্ৰীয় অনুষদ উন্নয়ন কাৰ্যসূচীয়ে গুণগত গৱেষণা, তথ্য সংগ্ৰহ, বিশ্লেষণ, ব্যাখ্যা, আৰু পাণ্ডুলিপিৰ খচৰা প্ৰস্তুতত শিক্ষাবিদ, পণ্ডিত আৰু গৱেষকসকলক শক্তিশালী কৰাৰ বাবে নিঁখুতভাৱে ডিজাইন কৰা অত্যাধুনিক গৱেষণা চফ্টৱেৰ আৰু এ.আই.জি.পি.টি প্ৰযুক্তি ব্যৱহাৰত গুৰুত্ব আৰোপ কৰি আহিছে।

# বুঢ়াগোসাঁই শিৱ মন্দিৰত শিৱৰাত্ৰিৰ সফল সামৰণি

**ই-সংবাদ, হাওৰাঘাট, ২ মাৰ্চঃ** ৰাজ্যৰ ভিন্ন প্ৰান্তৰ লগতে পাহাৰীয়া জিলা কাৰ্বি আংলঙৰ মহামায়া পৰিষদীয় সমষ্টিৰ অন্তৰ্গত থকা ডকমকাত অৱস্থিত ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰী বুঢ়াগোহাঁই শিৱ মন্দিৰত তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে আয়োজন কৰা শিৱৰাত্ৰি উৎসৱৰ সফল সামৰণি পৰে। উক্ত তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীত অগণন ভক্তৰ সমাগম ঘটে। প্ৰথমবাৰৰ বাবে আয়োজন কৰা মহা শিৱৰাত্ৰিত পানজুৰি আৰু কাউৰীপথাৰৰপৰা আমন্ত্ৰিত কৰি অনা নামতি দলে দিহানাম পৰিৱেশন কৰি ভক্তিপ্ৰাণ ৰাইজক আপ্লুত কৰে। ইফালে প্ৰত্যেকদিনে শিৱ মন্দিৰত অগণন ৰাইজৰ ভিৰ হোৱা পৰিলক্ষিত হয়। শ্ৰীশ্ৰী বুঢ়াগোসাঁই শিৱ মন্দিৰত প্ৰতিষ্ঠিত শিৱ লিংগত ভক্তিপ্ৰাণ ৰাইজে জল অভিষেক কৰি বাবা ভোলানাথক আৰাধনা কৰে। ১৯৬৮ চনতেই স্থাপন হোৱা শ্ৰীশ্ৰী বুঢ়াগোসাঁই শিৱ মন্দিৰত প্ৰত্যেক বছৰেই শিৱৰাত্ৰি উদযাপন কৰি আহিছে। মহা শিৱৰাত্ৰি উপলক্ষে মন্দিৰৰ সেৱকগণ সমিতিয়ে আটক ধুনীয়াকৈ সজাই-পৰাই সুন্দৰ কৰি তুলিছে বুঢ়া গোহাঁই শিৱ মন্দিৰ। শিৱৰাত্ৰি উৎসৱটি সাফল্যমণ্ডিত কৰাৰ বাবে বুঢ়া গোহাঁই মন্দিৰৰ সেৱকগণ সমিতিয়ে সমূহ ভক্তিপ্ৰাণ ৰাইজক অশেষ ধন্যবাদ জ্ঞাপন কৰে।

# ৰৌতাত জেচিবি-বাছ দুৰ্ঘটনাগ্ৰস্ত হৈ ১০ জন আহত

**ই-সংবাদ, ওদালগুৰি ২ মাৰ্চঃ** ওদালগুৰি জিলাৰ ৰৌতা আৰক্ষী থানাৰ অন্তৰ্গত ১৫ নং ৰাষ্ট্ৰীয় ঘাইপথৰ পানী টেংকিৰ সমীপত আজি পুৱা প্ৰায় ৯:১৫ বজাত গুৱাহাটীৰ পৰা তেজপুৰ অভিমুখী দেৱলিনা নামৰ এখন তীব্ৰবেগী আল্ট্ৰা বাছ আৰু জেচিবিৰ মুখামুখি সংঘৰ্ষ হয়। পুৱাৰ ভাগত কম যাত্ৰী থকা বাছখনে বিপৰীত দিশৰ পৰা আহি থকা জেচিবিখনক খুন্দা মাৰি পথৰ খাৱৈত সোমাই যায় আৰু জেচিবিখন পথতে বাগৰি পৰে। উক্ত দুৰ্ঘটনাত প্ৰায় ১০ জন যাত্ৰী আহত হয়। আহতসকলক ততাতয়াকৈ ৰৌতা আদৰ্শ চিকিৎসালয়লৈ লৈ যোৱা হয় যদিও সংকটজনক অৱস্থাত মইনুল হক, আলি হুছেইন, চেলিমা আখতাৰা, আব্দুল জলিল, আটাইকে উন্নত চিকিসাৰ বাবে ৩ খন ১০৮ মৃত্যুঞ্জয় এম্বুলেন্স সেৱাৰে মঙলদৈ অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰা হয়। উল্লেখযোগ্য যে দুৰ্ঘটনা সংঘটিত কৰা বাছখনৰ চালক আলি আহমেদ (৩০) বুকুত আঘাতপ্ৰাপ্ত হৈ চিকিৎসাধীন হৈ আছে। কি কাৰণত দুৰ্ঘটনাটো সংঘটিত হৈছে তাৰ প্ৰকৃত কাৰণ জানিব পৰা হোৱা নাই।

# নগাঁৱত অসম যোগ সংস্থাৰ বিশেষ অনুষ্ঠান সম্পন্ন

**ই-সংবাদ ক্ৰীড়া সেৱা, নগাঁও, ২ মাৰ্চঃ** নেহৰু যুৱ কেন্দ্ৰ (এনৱাইকে), নগাঁৱৰ সভাকক্ষত আজি অনুষ্ঠিত এক বিশেষ সভাত অসম যোগ সংস্থাৰ বিষয়ববীয়াসকলৰ সৈতে বজালী জিলা যোগ সন্থাৰ নৱগঠিত সমিতিৰ এক মত-বিনিময় অনুষ্ঠান সম্পন্ন হয়। অসম যোগ সংস্থাৰ সাধাৰণ সম্পাদক তথা যোগ গুৰু প্ৰভাত চন্দ্ৰ বৰাৰ পৰিচালনাত অনুষ্ঠিত বিশেষ সভাখনত বজালী জিলা যোগ সংস্থাৰ উপদেষ্টা জ্যোতিষ শৰ্মা, সম্পাদিকা ভীভা কলিতা, কোষাধ্যক্ষ সন্তোষ শৰ্মা, সহকাৰী সম্পাদক বিমলা বৰকটকী আৰু সদস্যা অঞ্জনা কলিতাৰ নেতৃত্বৰ প্ৰতিনিধি দলটোৰ সৈতে মত-বিনিময় কৰা হয়। অনুষ্ঠানটোত অসম যোগ সংস্থাৰ যুটীয়া সম্পাদক সমীৰ হাজৰিকা, কাৰ্যালয় সম্পাদক নিজৰা বৰা, কাৰিকৰী সঞ্চালক বিচিত্ৰ ৰঞ্জন বৰা, অসম যোগ বিজ্ঞান মহাবিদ্যালয়ৰ উপাধ্যক্ষ সুদীপ্তা ডেকা আদিয়ে ভাগ লয়। সেই অনুষ্ঠানত সমাজকৰ্মী অজয় কুমাৰ মাহাতু আৰু পুষ্পাঞ্জলী বৰাও উপস্থিত থাকে। তদুপৰি যোগ ফেডাৰেচন অব ইণ্ডিয়াৰ উপ সভাপতিৰূপে শেহতীয়াকৈ নিৰ্বাচিত হোৱাৰ বাবে প্ৰভাত চন্দ্ৰ বৰাক এই সভাতে বিশেষভাৱে সম্বৰ্ধনা আগবঢ়োৱা হয়। আজিৰ অনুষ্ঠানতে অসম যোগ সংস্থাৰ সহযোগত বজালী জিলা যোগ সন্থাই অহা ২২ মাৰ্চৰ পৰা ৫ এপ্ৰিললৈ পাঠশালা হৰিমন্দিৰত আয়োজন কৰা যোগ ক্ৰীড়াৰ প্ৰশিক্ষণ শিবিৰটো অনুষ্ঠিত কৰিবলৈ সন্মতি প্ৰদান আৰু আগন্তুক আন্তঃজিলা যোগাসন ক্ৰীড়া প্ৰতিযোগিতা অনুষ্ঠিত কৰাৰ বিষয়তো আলোচনা কৰা হয়। বজালীত যোগ ক্ৰীড়াৰ ব্যাপক প্ৰসাৰৰ বাবে ল'বলগীয়া বিভিন্ন পদক্ষেপসমূহৰ ওপৰত সভাত বিশদভাৱে আলোচনা হোৱাৰ লগতে সাংগঠনিক দিশকে ধৰি বিভিন্ন বিষয়তো মত-বিনিময় কৰা হয়।




ক্ৰীড়াঙ্গণৰ পৰা অনুৰাগীক হাই-হেল্ল' ভাৰতীয় ক্ৰিকেটাৰ বিৰাট কোহলীৰ




চেম্পিয়নছ ট্ৰফীৰ গ্ৰুপ পৰ্যায়ৰ অন্তিমখন খেলত নিউজিলেণ্ডৰ বিৰুদ্ধে ছুইপ শ্বট ভাৰতৰ শ্ৰেয়ছ আয়াৰৰ

## আইপিএলত অবাধে অনুশীলন কৰিব নোৱাৰিব ৰোহিত, বিৰাটে

# আইপিএলৰ অনুশীলনৰ বাবে সময়সীমা বান্ধি দিলে বিচিচিআইয়ে

**নতুন দিল্লী, ২ মাৰ্চঃ** ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ ব'ৰ্ডে আগন্তুক আই পি এল সন্দৰ্ভত এক বৃহৎ সিদ্ধান্ত গ্ৰহণ কৰিছে। এতিয়াৰ পৰা প্ৰতিটো দলে নিৰ্দিষ্ট সীমাৰ ভিতৰত অনুশীলন কৰিব লাগিব। তেওঁলোকে ইচ্ছামতে অনুশীলন কৰাৰ সুযোগ নাপাব। বিচিচিআইয়ে স্পষ্টকৈ উল্লেখ কৰিছে যে সমগ্ৰ প্ৰতিযোগিতাখনতে আইপিএলৰ পিটচ সতেজ কৰি ৰাখিবলৈ এই নতুন নিয়ম প্ৰৱৰ্তন কৰা হৈছে। ব'ৰ্ডৰ নিয়ম অনুসৰি আই পি এল আৰম্ভ হোৱাৰ পূৰ্বে মূল খেলপথাৰত প্ৰতিটো দলে সৰ্বাধিক ৭ বাৰ অনুশীলন কৰিব পাৰিব। কিন্তু প্ৰতিটো ছেচন তিনি ঘণ্টাৰ অধিক হ'ব নোৱাৰিব। যদি কোনো দলে অনুশীলন মেচ খেলিব বিচাৰে তেন্তে সেইটোও সেই সাতটা ছেচনৰ ভিতৰত কৰিব লাগিব। কোনো দলে দুখনতকৈ অধিক অনুশীলন মেচ খেলিব নোৱাৰিব। কেৱল সেয়াই নহয়, বিচিচিআইয়ে অ'পেন নেট ছেচনৰ ক্ষেত্ৰতো বাধা আৰোপ কৰিছে। ইচ্ছা কৰিলে অনুশীলন মেচৰ পৰিৱৰ্তে অ'পেন নেট ছেচন আয়োজন কৰিব পাৰিব, কিন্তু সেয়াও সৰ্বাধিক দুবাৰ। ব'ৰ্ডৰ নিৰ্দেশনা অনুসৰি তেওঁলোকৰ মূল লক্ষ্য হৈছে খেলখনৰ বাবে খেলপথাৰখন সতেজ কৰি ৰখা। সেয়ে আই পি এলৰ ১৩ খন পিটচত কোনো ক্লাব বা ব্যক্তিগত লীগৰ খেল অনুষ্ঠিত নকৰিবলৈ স্পষ্ট নিৰ্দেশ দিয়া হৈছে। একে সময়তে মূল খেলপথাৰৰ পৰিৱৰ্তে পাৰ্শ্বীয় খেলপথাৰত অনুশীলন মেচ অনুষ্ঠিত কৰাৰ নিৰ্দেশ দিয়া হৈছে। এই নতুন বিচিচিআই নিয়মে আইপিএলৰ খেলুৱৈৰ প্ৰস্তুতিৰ ক্ষেত্ৰত কিমান প্ৰভাৱ পেলাব তাক লৈ ইতিমধ্যে ক্ৰিকেট সমাজত জল্পনা-কল্পনা আৰম্ভ হৈছে।

# তলাতলৰ বাকৰিত প্ৰথম 'তলাতল কাপ' ভলীবল প্ৰতিযোগিতাৰ আয়োজন

**ই-সংবাদ, শিৱসাগৰ, ২ মাৰ্চঃ** শিৱসাগৰৰ ঐতিহাসিক তলাতল ঘৰৰ বাকৰিত অহা ৬-৭ মাৰ্চত অনুষ্ঠিত কৰা হ'ব অকন বৰুৱা সোঁৱৰণী "প্ৰথম তলাতল কাপ- ২০২৫" প্ৰাইজমাণি দিবা-নৈশ ভলীবল প্ৰতিযোগিতা। অসম ভিত্তিত অনুষ্ঠিত কৰিবলগীয়া ভলীবল প্ৰতিযোগিতাখনত ৰাজ্যৰ ভিন্ন প্ৰান্তৰ আগশাৰীৰ ভলীবল দলসমূহে অংশগ্ৰহণ কৰিব। ইয়াৰ বাবে বৰ্তমান তলাতল ঘৰৰ বাকৰিত ব্যাপক প্ৰস্তুতি চলোৱা হৈছে। আজি তলাতল ঘৰৰ বাকৰিত অনুষ্ঠিত কৰা এখন সংবাদমেলত এই কথা সদৰি কৰে অকন বৰুৱা সোঁৱৰণী ট্ৰাষ্টৰ সমিতিয়ে। প্ৰতিযোগিতাখনত বিজয়ী দল, শ্ৰেষ্ঠ খেলুৱৈ সকলক নগদ ধন, ট্ৰফী আদিৰে পুৰস্কৃত কৰা হ'ব। সমিতিৰ হৈ অৰ্জুন ভোগেশ্বৰ বৰুৱা, অধ্যাপক ড° উৎপল দত্ত, খ্যাতনামা ৰেফাৰী উৎপল বৰুৱাই সম্বোধন কৰা সংবাদমেলতে এটা থীম ছংও মুক্তি দিয়া হয়। থীম ছং মুকলি কৰে বিশিষ্ট ক্ৰীড়াবিদ অৰ্জুন ভোগেশ্বৰ বৰুৱাই। সংবাদমেলত উল্লেখ কৰা অনুসৰি ৬ মাৰ্চৰ বিয়লি ২ বজাৰ পৰা খেল আৰম্ভ হ'ব। প্ৰতিযোগিতাখনত সৰভোগ, এএছইবি, ৩নং এপিবিএন, ডিফু, ৰেঙণি ক্লাব, নাহৰকটীয়া, ঢকুৱাখনা আদিৰ আগশাৰী ভলীবল দলে অংশগ্ৰহণ কৰিব। প্ৰতিযোগিতাখন যাতে সুকলমে অনুষ্ঠিত কৰিব পৰা যায় তাৰ বাবে সকলোৰে সহযোগিতা তথা দৰ্শকৰ উপস্থিতি কামনা কৰিছে অৰ্জুন ভোগেশ্বৰ বৰুৱাই। সংবাদমেলত অকন বৰুৱা সোঁৱৰণী ট্ৰাষ্টৰ কাৰ্যকৰী সভাপতি জামালুদ্দিন আহমেদ, সাধাৰণ সম্পাদক ৰিতুৰাজ চেতিয়া, অখিল আহোম, প্ৰচাৰ সভাপতি ড° উৎপল দত্ত, যুটীয়া সম্পাদক প্ৰদীপ গগৈ, ইৰছাদ উল্লাহসহ কেইবাগৰাকী বিষয়ববীয়া উপস্থিত থাকে। উল্লেখ্য যে, শিৱসাগৰ কলেজৰ অৱসৰপ্ৰাপ্ত অধ্যাপক প্ৰয়াত অকন বৰুৱা ক্ৰীড়া ক্ষেত্ৰৰ উপৰিও বিভিন্ন সামাজিক কাম-কাজৰ সৈতে জড়িত আছিল।

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)। কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনন্তৰি